# ASSAM LEGISLATIVE ASSEMBLY DEBATES

DP786

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

## BUDGET SESSION

### NO. 15

**THE 1st APRIL, 2002**

PRICE : Rs. 39.90

# CONTENTS

## BUDGET SESSION

## NO. 15

***Dated, the 1st APRIL, 2002***


| | | Page |
|---|---|---|
| 1. | *Questions and Answers.* | 1 |
| 2. | *Point of Order.* | 66 |
| 3. | *Zero Hour Matter.* | 66 |
| 4. | *Call Attention Notice.* | 71 |
| 5. | *Matter under Rule 301.* | 75 |
| 6. | *Introduction of Government Bill.* | 81 |
| 7. | *Adjournment.* | 102 |
| 10. | *Annexure- I to VII.* | 103 |

# Debates of the Assam Legislative Assembly

**Monday, the 1st April, 2002.**

**The House met at 9 A.M. of the clock in the Assembly Chamber, at Dispur with Shri Prithibi Majhi, Speaker in the chair.**

## STARRED
## QUESTIONS & ANSWERS
## (To which oral replies were given)

**Mr. Speaker :** Starred Question No.241. Hon'ble Member, Shri Rajendra Prasad Singh.

# Re : Increase of Municipal Wards.

**Shri Rajendra Prasad Singh asked:**

* 241. Will the Minister of Municipal Administration department pleased to state:

(a) Will the Government increase the number of Wards of Tinsukia Municipalty keeping the populations & area in mind?

**Shri Anjan Dutta (Minister, Municipal Administration Department) replied:**

(a) Government will consider the matter as per existing rules and regulations only after the receipt of proposal.

* শ্ৰী ৰাজেন্দ্ৰ প্ৰসাদ সিং ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে যিবিলাক মিউনিচিপালিটি ভঙ্গ কৰি দিয়া হৈছিল সেইবিলাকৰ নিৰ্বাচন কেতিয়াকৈ হ'ব? দ্বিতীয়তে মই জানিব খুজিছো যে এখন পৌৰ নিগম কৰিবলৈ হ'লে কি কি ক্ৰাইটেৰীয়াৰ প্ৰয়োজন?

* শ্ৰী অঞ্জন দত্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে জিলা উপায়ুক্তৰ প্ৰতিবেদনৰ ভিত্তিত বিভিন্ন দুৰ্নীতিৰ অভিযোগত কেইবাখনো পৌৰ সভা আৰু নগৰ সমিতি ভঙ্গ কৰিছো আৰু যিহেতু অহা জুলাই মাহৰ ভিতৰত প্ৰায়বোৰ পৌৰ সভা আৰু নগৰ *

* Speech not corrected

সমিতিৰে কাৰ্য্যকাল উকলি যাব গতিকে তেতিয়াই সকলোবোৰতে নিৰ্বাচন পতাৰ ব্যৱস্থা কৰা হ'ব। আন এটা উত্তৰত তেখেতে মিউনিচিপাল কৰ্পৰেচন কৰিবলৈ হ'লে কেনে ক্ৰাইটেৰীয়াৰ প্ৰয়োজনৰ কথা সুধিছে- এই ক্ষেত্ৰত মই জনাওঁ যে পৌৰ নিগম কৰিবলৈ হ'লে মুঠ জনসংখ্যা ৩ লাখ আৰু ৩০ টাতকৈ অধিক ৱাৰ্ড থাকিব লাগিব আৰু ইয়াৰ মাটিকালি ৯৫ শতাংশ কৃষিমুক্ত হ'ব লাগিব। তাৰ বাহিৰেও ইয়াত ৰেভিনিউ কালেকচন হ'ব লাগিব কমেও ১.৫০ কোটি টকা। ঠিক তেনেকৈ টাউন কমিটিত ৪ টা ৱাৰ্ড হ'ব লাগিব আৰু জনসংখ্যা কমেও ৫০ হাজাৰ হ'ব লাগিব আৰু ২ লাখ ৰেভিনিউ কালেকচন হ'ব লাগিব।

* **শ্ৰী ৰাজেন্দ্ৰ প্ৰসাদ সিং ঃ** অধ্যক্ষ মহোদয়, তিনিচুকীয়া মিউনিচিপালিটিত অহা নিৰ্বাচনৰ আগেয়ে ওৱাৰ্ডৰ সংখ্যা বঢ়োৱাৰ বিষয়ে মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিব নেকি জনালে সুখী হ'ম।

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, তিনিচুকীয়া প্ৰশাসনে যদি ওৱাৰ্ড বৃদ্ধি কৰাৰ কাৰণে প্ৰস্তাৱ পঠিয়াই তেনেহ'লে আমি সেইটো নিয়ম অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিম।

**Mr. Speaker :** Now, starred question No.242. Hon'ble Member, Dr. Tara Prasad Das.

## বিষয় ঃ নিগমৰ অধীনত বে-চৰকাৰী বাছ।

**ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ**

* ২৪২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসম পৰিবহন নিগমৰ অধীনত বে-চৰকাৰী বাছসমূহ চলোৱাৰ পিছত আজিলৈকে নিগমৰ কিমান অতিৰিক্ত লাভ হ'ল?

(খ) বে-চৰকাৰী বাছসমূহ চলোৱাৰ পূৰ্বে নিগমৰ বাছসমূহৰ গড় আয় কিমান আছিল?

(গ) বে-চৰকাৰী বাছসমূহ চলোৱাৰ পিছত নিগমৰ বাছসমূহৰ গড় আয় কিমানলৈ হ্ৰাস পাইছে?

(ঘ) নিগমৰ নতুন বাছ চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(ঙ) বৰ্ত্তমানলৈ নিগমৰ কিমান সংখ্যক বাছ কাৰ্য্যক্ষম হৈ আছে?

---

* Speech not corrected

(চ) মেৰামতিৰ অভাৱত পৰিত্যক্ত অৱস্থাত থকা বাছসমূহ সম্পৰ্কত কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী অঞ্জন দত্ত (পৰিবহন মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) ১৬৩.১১ লাখ টকা। (২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে)

(খ) ১,৯৬৩.০০ টকা।

(গ) বে-চৰকাৰী বাছ সমূহ চলোৱাৰ পিছত নিগমৰ বাছসমূহৰ গড় আয় হ্ৰাস হোৱা নাই বৰং বৃদ্ধিহে হৈছে।

(ঘ) এই বিষয়ে চিন্তা কৰা হৈছে।

(ঙ) দৈনিক গড়ে প্ৰায় ১৯০ খন বাছ কাৰ্য্যক্ষম অৱস্থাত আছে।

(চ) অক্ষম অৱস্থাত থকা বাছ সমূহৰ যিবিলাক মেৰামতিৰ ক্ষেত্ৰত লাভজনক নহয় সেইবিলাক বাছ বিধিগত নিবিদাৰ যোগেদি বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। বাকী গাড়ী সমূহ পৰ্য্যায়ক্ৰমে মেৰামতি কৰি থকা হৈছে।

* **ডাঃ তাৰাপ্ৰসাদ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে 'ঘ' প্ৰশ্নৰ উত্তৰত নিগমে নতুন বাছ কিনাৰ বিষয়ে চিন্তা কৰি আছে বুলি জনাইছে। এইটো নিগমৰ উন্নতিৰ কল্পে কৰিব খোজা হৈছে নে অধোন্নতিৰ কাৰণে কৰিব খোজা হৈছে? মই মন্ত্ৰী মহোদয়ৰ পৰা আৰু এটা কথা জানিব খুজিছো যে নিগমৰ কিমানখিনি বাছ এতিয়া কাৰ্য্যক্ষম নোহোৱাকৈ আছে?

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ জ্ঞাতাৰ্থে জনাব খোজো যে আমাৰ নিগমৰ অধীনত আমাৰ নিজা বাছ ২০০ খন আৰু পাব্লিক পাৰ্মিটৰ ৬০০ খন বাছ চলি আছে। ইয়াৰ ফলত নিগমৰ বাছৰ উপাৰ্জন কমি গৈছে নেকি বুলি সদস্য গৰাকীয়ে সুধিছে। এই ক্ষেত্ৰত মই জনাওঁ যে আমাৰ আয় কমি যোৱা নাই বৰং বৃদ্ধিহে হৈছে। আগতে নিগমৰ বাছৰ গড় আয় আছিল ১৯৬৩.০০ টকা, এতিয়া সেইটো বৃদ্ধি হৈ ২২৩৪.০০ টকা হৈছে। নিগমৰ এতিয়া ২০০ খন বাছ চলি আছে আৰু সেই কেইখনো মেৰামতি কৰিহে চলাই থকা হৈছে- এতিয়ালৈকে নতুন বাছ কিনা হোৱা নাই। আমি এতিয়া কেইখন মান বাছ নিলামৰ যোগেদি বিক্ৰি কৰাৰ চিন্তা কৰিছো। এতিয়া প্ৰায় ১০০ খন গাড়ী মেৰামতিৰ কাৰণেও অনুপযুক্ত হৈ পৰিছে। মুঠতে ১২১ খন গাড়ী ডেমেজ অৱস্থাত পৰি আছে।

* Speach not corrected

* **ডাঃ তাৰাপ্ৰসাদ দাস ঃ** অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন হ'ল- পৰিবহন নিগমৰ কিছুমান কৰ্মচাৰীক ভি, আৰ, এচ, ত অৱসৰ দিয়াৰ কাৰণে যিমানখিনি সা-সুবিধাৰে তেওঁলোকক অৱসৰ দিব লাগে সেইমতে চৰকাৰে কিমানজন কৰ্মচাৰীক অৱসৰ দিয়াৰ কথা চিন্তা কৰিছে আৰু এইটো কেতিয়া সম্পূৰ্ণ হ'ব। ইয়াৰ বাবে ২০০১ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এক নিৰ্দেশ ক্ৰমে চৰকাৰে পৰিকল্পনা বিভাগৰ পৰা এই শিতানত ৬০ কোটি টকা বিচাৰিছিল। এই দাবীৰ কিমানখিনি পূৰণ হ'ল আৰু এতিয়ালৈকে কিমান টকা ৰিলিজ কৰিলে মন্ত্ৰী মহোদয়ে জনাব নে?

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ আগৰ প্ৰশ্নৰ উত্তৰতে জনাইছো যে আমি নতুন গাড়ী কিনাৰ কাৰণে চিন্তা-চৰ্চা কৰিছো। আমি ইতিমধ্যে ৪কোটি টকা পাইছো আৰু সেই টকাৰে ৩৪ খন গাড়ী কিনাৰ ব্যৱস্থা কৰিছো। তাৰ বাহিৰেও আৰু ১৬ খন ৭০৯ গাড়ী কিনাৰ কাৰণে চিন্তা কৰি আছো। আমি ব্যক্তিগত মালিকৰ গাড়ী সমূহক নিগমৰ অধীনত চলাবলৈ দিয়াৰ কাৰণে এক পইচাও ইনুভেষ্ট কৰিব লগা হোৱা নাই। সেই প্ৰক্ৰিয়াৰে আমি এটকাও ইন্‌ভেষ্ট নকৰাকৈ ২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ১.৬৩ কোটি টকা পাইছো। এই গাড়ী সমূহৰ ৰেজিষ্ট্ৰেচন ফিজ এনে ধৰণৰ - ডিলাক্স বাছ- ২০ হাজাৰ টকা, চেমি ডিলাক্স আৰু জেনেৰেল- ১০ হাজাৰ টকা, ৭০৯ বাছ-৫ হাজাৰ টকা। মাননীয় সদস্য গৰাকীয়ে ভি, আৰ, এচ ৰ অধীনত অৱসৰ দিয়া কৰ্মচাৰীৰ কথা সুধিছে। আমি এই আঁচনিৰ অধীনত দুই হাজাৰ কৰ্মচাৰীক অৱসৰ দিব খুজিছো আৰু তাৰ বাবে ইতিমধ্যে ২৫ কোটি টকা ৰিলিজ কৰা হৈছে। এই ২৫ কোটি টকাৰে বৰ্ত্তমান ৮০০ কৰ্মচাৰীক অৱসৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত আৰু এটা কথা আছে যে যিমান সময় পোৱা যায় সিমানে মানুহৰ দাবী বাঢ়ি যায়। গতিকে সকলোবোৰ দাবী মানি লোৱাতো চৰকাৰৰ পক্ষে সম্ভৱ নহয়। ২০০৩ চনত আৰু ১০০০ কৰ্মচাৰীক ভি, আৰ, এচ ৰ অধীনত অৱসৰ দিয়াৰ বাবে চিন্তা কৰা হৈছে।

* **শ্ৰী গুণিণ হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এটা কথা জনাবনে কি যে অসম পৰিবহন নিগমটো চৰকাৰী খণ্ডত ৰাখিবলৈ বৰ্ত্তমান ডিচইনভেষ্টমেন্ট পলিচি মতে ব্যক্তিগত খণ্ডক হস্তগত কৰিব? আৰু মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে যে পৰিবহন নিগমৰ ১ কোটি টকাতকৈ অধিক টকা আয় হোৱা বুলি কৈছে আৰু এই টকাৰ এক পইচাও খৰচ হোৱা নাই বুলি কৈছে তেনে ক্ষেত্ৰত কিয় নতুন বাছ কিনাৰ কথা ভবা হৈছে?

---

* Speach not corrected

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, ৰাজ্যিক পৰিবহন নিগমটো বৰ্ত্তমানলৈ ব্যক্তিগত খণ্ডক দিয়াৰ কথা ভবা নাই, ৰাইজৰ স্বাৰ্থৰ খাতিৰতে নিজা ববীয়াকৈ ৰখাৰ কথা চিন্তা কৰা হৈছে। বৰ্ত্তমান নতুনকৈ ৩৪ খন বাছ্ কিনাৰ কথা চিন্তা চৰ্চ্চা কৰা হৈছে। প্ৰত্যেক বছৰ অলপ অলপকৈ এক্সপেৰিমেন্ট বেচিচত কিনাৰ কথা চিন্তা কৰা হৈছে।

* **শ্ৰী গুণিণ হাজৰিকা** ঃ অধ্যক্ষ মহোদয়, চৰকাৰী খণ্ডৰ উদ্যোগবিলাক জীয়াই ৰাখি তাত অধিক ধন ব্যয় কৰাৰ কথা চিন্তা কৰিবনে চৰকাৰী সিদ্ধান্ত অব্যাহত ৰাখিব?

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, চৰকাৰী যিবিলাক প্ৰতিষ্ঠানে লোকচান ভৰি আছে সেইবিলাক জীয়াই ৰখাটো সম্ভৱ নহয়। বেচৰকাৰী বাচৰ পৰা আমাৰ বৰ্ত্তমান আয় ১ কোটি টকা হৈছে, তাৰে কিছু টকা খৰচ কৰি প্ৰায় ৪০ লাখ মান আমি লাভবান হৈছো। আৰু ব্যক্তিগত বাছ্ সমূহৰ পৰা প্ৰায় ৪০ লাখ মান টকা প্ৰতি মাহে আহি আছে। অসমত নিগমৰ যিবিলাক ঘৰ আছে সেইবিলাকৰ ভাৰা বৃদ্ধি কৰিবলৈ বিচৰা হৈছে। মাজতে ১৩ হাজাৰ টকাত কোনোবা এজন দত্তক ৰেষ্টুৰেন্ট খুলিবলৈ দিয়া হৈছে। কিন্তু অধ্যক্ষ মহোদয়, ২০৫ টকাৰ টেণ্ডাৰ দিয়া হ'ল, এতিয়া আমি ১৩ হাজাৰ টকা পাইছো। এনে ধৰণেৰে মাহে এক কোটি টকা হৈছে। ভি, আৰ, এচ দিয়াৰ পিচত আমাক লাগিব মাহে বছৰি প্ৰায় ১ কোটি ২০ লাখ। এনেদৰে ভি, আৰ, এচ দিয়াৰ পিচত প্ৰায় ১ কোটি টকা আয় কৰিব পৰা যাব। এইদৰেই পৰিবহন নিগমটো পুনৰ জীৱিত হৈ আহিব বুলি বিশ্বাস।

* **শ্ৰী পৰিমল শুক্ল বৈদ্য** ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ৩৪ খন নতুন বাছ্ কিনাৰ কথা কৈছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই বাছখিনি কিনাৰ পিচত শিলচৰত নতুন বাছ দিয়াৰ ব্যৱস্থা কৰিবনে কি?

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, ইতিমধ্যে হাইলাকান্দিত নতুন বাছ দিয়া হৈছে। এই বাছ্ সমূহ কিনাৰ পিচত অসমৰ প্ৰতিজন বিধায়কে নতুন বাছ্ বিচাৰিব।

* **শ্ৰী পৰিমল শুক্ল বৈদ্য** ঃ হাইলাকান্দিত হৈ দিছে, শিলচৰত দুখন নতুন বাছ দিব নে কি?

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এই পৰিবহন বিভাগৰ নতুন বাছ্ সমূহ বিধায়কৰ হেঁচাত দিয়া নহয়, যিবিলাক ৰাস্তাত দিলে আমি লাভৱান হ'ম সেইবিলাক ৰাস্তাত হে দিয়া হ'ব।

---

* Speach not corrected

**Mr. Speaker :** Now, starred question No.243. Hon'ble member, Sri Ranjit Dutta.

**বিষয় ঃ জিলা ঘোষণা।**

**শ্ৰী ৰঞ্জিত দত্তই সুধিছে ঃ**

* ২৪৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বিশ্বনাথ জিলা ঘোষণা কৰাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(খ) যদি ব্যৱস্থা হাতত লৈছে কেতিয়াকৈ জিলা ঘোষণা কৰা হ'ব?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) নতুন জিলা আৰু মহকুমা গঠন কমিটিৰ পৰৱৰ্ত্তী প্ৰতিবেদন পোৱাৰ পিছতহে সিদ্ধান্ত ল'ব পৰা যাব।

(খ) প্ৰশ্ন নুঠে।

* **শ্ৰী ৰঞ্জিত দত্ত ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে নতুন জিলা আৰু মহকুমা গঠন কমিটিৰ প্ৰতিবেদন পোৱাৰ পিচতহে সিদ্ধান্ত ল'ব পৰা হ'ব। মই অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে জানিবলৈ বিচাৰিছো যে বিশ্বনাথ জিলা ঘোষণা কৰাৰ পিচত চৰকাৰৰ ঘৰলৈ কিবা প্ৰতিবেদন আহিছিল নে কি? যদি অহা নাই ইয়াৰ বাবে কিবা ব্যৱস্থা হাতত ল'ব নেকি? এই জিলা ঘোষণা কৰাৰ দাবী কেইবা বছৰৰ আগৰ। মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰতিবেদন অহাৰ পিচতহে জিলা ঘোষণা কৰা হ'ব। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এই প্ৰতিবেদন সোনকালে আনি জিলা ঘোষণা কৰিব লাগে।

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (বাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, নতুন জিলা আৰু মহকুমা গঠন কৰা বিষয়টো চালি জাৰি চোৱাৰ কাৰণে এখন কমিটি আছে আৰু ইয়াৰ অধ্যক্ষ হ'ল আয়ুক্ত গৱাকী। বিভিন্ন দাবীবোৰ চালিজাৰি চাই প্ৰতিবেদন অহাৰ পিচত সিদ্ধান্ত লোৱা হ'ব।

* **শ্ৰী ৰঞ্জিত দত্ত ঃ** অধ্যক্ষ মহোদয়, আমাৰ দাবীটো ১৯৯৯ চনৰে। এতিয়া ২০০২ চনলৈ প্ৰতিবেদন অহা কিয় ইমান পলম হৈছে। প্ৰতিবেদন সোনকালে দাখিল কৰিবলৈ আপোনাৰ ফালৰ পৰা কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে কি?

---

* Speach not corrected

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** আচলতে চাৰ, এইবোৰৰ বাবে এখন কমিটি আছে। এই কমিটিখনে চালি জাৰি চাই ক'ত দিব পাৰি চালিজাৰি চাই প্ৰতিবেদন পিচতহে ঘোষণা কৰিব।

* **শ্ৰী ৰিপুণ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিশ্বনাথ জিলা গঠন কৰিব লাগে বুলি কেইবাজনো বিধায়কে স্মাৰক পত্ৰ দিছিল। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'ম বুলি আশ্বাসও দিছিল। ১৯৯৯ চনৰ পৰা এতিয়া ২০০২ চনলৈ প্ৰতিবেদন নহা কথাটো মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে। যিহেতু চৰকাৰে এখন কমিটি গঠন কৰি দিছে। আজি মন্ত্ৰী মহোদয়ে সদনত আশ্বাস দিব লাগে যে অতি সোনকালে কমিটিখনে তাগিদা দি হ'লেও প্ৰতিবেদন আনি জিলা ঘোষণা কৰিব বুলি প্ৰতিশ্ৰুতি দিব নেকি?

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিবেদন আনি জিলা গঠন কৰিব নেলাগে এই বিষয়ে মই মন্তব্য দিব নোৱাৰো। কিন্তু প্ৰতিবেদন কিয় অহা নাই চাব লাগিব।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোন কোন জিলাৰ পৰা প্ৰতিবেদন পাইছে? আৰু কেতিয়া পাইছে? তিতাবৰত মহকুমা ঘোষণা কৰিছে, ইয়াৰ প্ৰতিবেদন পাইছো কিন্তু কাৰ্য্যক্ষম হোৱা নাই। কেতিয়া কাৰ্য্যক্ষম কৰিব?

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত বেলেগ প্ৰশ্ন কৰিলে ভাল আছিল।

**Mr. Speaker :** Now, starred question No.244. Hon'ble member, Sri Phani Bhusan Choudhury.

## বিষয় ঃ পৌৰ সভাৰ কাৰ্য্যকাল।

**শ্ৰী ফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ**

* ২৪৪। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যিবোৰ পৌৰ সভাৰ কাৰ্য্যকাল এই বছৰতে শেষ হ'ব, সেইবোৰ পৌৰ সভাত নিৰ্বাচন পতাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) এতিয়ালৈ বৰ্ত্তমানৰ চৰকাৰে কেইখন নিৰ্বাচিত পৌৰ সভা কাৰ্য্যকাল শেষ নোহোৱা স্বত্ত্বেও ভঙ্গ কৰি দিছে?

---

* Speach not corrected

(গ) পৌৰ সভা সমূহ ভঙ্গ কৰি দিয়াৰ কাৰণ সমূহ কি কি?

**শ্ৰী অঞ্জন দত্ত (পৌৰ প্ৰশাসন মন্ত্ৰী) য়ে, উত্তৰ দিছে :**

(ক) যথা সময়ত ব্যৱস্থা লোৱা হ'ব।

(খ) ১৩ খন পৌৰ সভা ভঙ্গ কৰা হৈছে।

(গ) মাহেকীয়া সভা অনুষ্ঠিত নকৰা, ঘৰ নিৰ্মাণ কাৰ্য্যত অনিয়ম, চৰকাৰী মঞ্জুৰী পোৱা ধনৰ অপব্যৱহাৰ, হিচাপ পৰীক্ষকৰ দ্বাৰা হিচাপ কৰাত হিচাপৰ খেলি-মেলি, ওৱাৰ্ড কমিছনাৰৰ পদত্যাগ, বিত্তীয় হিচাপৰ খেলি-মেলি, ভ্ৰমণ ভাট্টা বেছিকৈ লোৱা, বজাৰ এলেকাত থকা ভিটা সমূহ অনিয়মকৈ আবন্টন দিয়া আদি বিভিন্ন কাৰণতে চৰকাৰে পৌৰ সভা সমূহ ভঙ্গ কৰি দিছে।

* **শ্ৰী ফণী ভূষণ চৌধুৰী :** মাননীয় অধ্যক্ষ মহোদয়, বঙাইগাঁও পৌৰ সভা আৰু বৰপেটা পৌৰ সভা কিয় চৰকাৰে ভঙ্গ কৰি দিছে? মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি?

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা ৰোডৰ পৌৰ সভাখন বিভিন্ন ধৰণৰ অভিযোগ পাইছিলো বিভিন্ন ধৰণৰ খেলি-মেলি আছে। সেইকাৰণে জিলা ভিত্তিত তদন্ত কৰা হৈছে আৰু সেই তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত হে পৌৰ সভাখন ভঙ্গ কৰি দিয়া হৈছে।

* **শ্ৰী ফণী ভূষণ চৌধুৰী :** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীবি, কে, চৌধুৰী নামৰ এজন ই, এ, চি, ৰ দ্বাৰা তদন্ত কৰা হৈছিল। এই তদন্তৰ ৰিপৰ্টি দাখিল কৰিলে। এই বিষয়ে এ, ডি, চিক এখন এজাহাৰও দিছিলে। মিউনিচিপালিটিৰ চেয়াৰমেনজনক এৰেষ্ট কৰা হ'ল। শ্ৰী বি, কে, চৌধুৰীয়ে যিটো তদন্তৰ ৰিপোৰ্ট দিছে সেই ৰিপোৰ্টোৰ লগত এ, ডি, চিৰ ৰিপোৰ্টৰ লগত কোনো সামঞ্জস্য নাই। এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি?

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা ৰোডৰ পৌৰ সভাই ইমানে অনিয়ম কৰিছে, হাইকোৰ্টে অৰ্ডাৰ দিয়াৰ পিচত ষ্টে কৰি নিজৰ খেয়াল খুচি মতে চেয়াৰমেন পদত থাকি কাৰ্য্য কৰাৰ কাৰণেই পৌৰ সভাখন ভঙ্গ কৰি দিয়া হ'ল। কাৰণ বিভিন্ন সময়ত দূৰ্নীতি কৰি থকা বুলি প্ৰতিবেদনত দিয়া আছিল। আইনমতে দূৰ্নীতিৰ তদন্তও চলি আছে। অফিচৰ পৰা যিটো ৰিপোৰ্ট দিব ভৱিষ্যতে সেইমতে ব্যৱস্থা লোৱা হ'ব।

---

* Speach not corrected

* **শ্ৰী ফণীভূষণ চৌধুৰী** : মাননীয় অধ্যক্ষ মহোদয়, বি, কে, চৌধুৰীয়ে যিটো ৰিপোৰ্ট দিছে তাত লিখা আছে যে ১৫ লাখ টকা মিচইউজ হৈছে। সেইটো ১৯৯৬ ৰ কথা। এইখন পৌৰ সভা গঠন হৈছিল ১৯৯৭ চনত। আগৰ পৌৰ সভাৰ চেয়াৰমেনজনে টকা অপব্যৱহাৰ কৰা বাবে পিচৰ চেয়াৰমেনজনক দোষী সাব্যস্ত কৰিব নেকি?

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী)** : মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা সমষ্টিৰ প্ৰাক্তন বিধায়ক শ্ৰী হেমেন দাস ডাঙৰীয়াই এই পৌৰ সভাৰ চেয়াৰমেনজনৰ বিৰুদ্ধে বিভিন্ন সময়ত বিভিন্ন অভিযোগ দৰ্শাইছিল। বৰপেটাৰ নাগৰিক সকলৰ পৰাও বিভিন্ন অভিযোগ পাইছিলো। আনকি চেয়াৰমেনজনক গ্ৰেপ্তাৰো কৰা হৈছিল। তেওঁ বিভিন্ন দুৰ্নীতিত লিপ্ত বুলি প্ৰমাণিত হৈছে কাৰণেই পৌৰসভাখন ভঙ্গ কৰি দিয়া হ'ল। ক্ৰিমিনেল কেচ কোৰ্টত চলি আছে কোৰ্টে যিটো সিদ্ধান্ত ল'ব সেইটোৱে হ'ব। এইটো মোৰ সিদ্ধান্ত নহয়।

* **শ্ৰী ফণীভূষণ চৌধুৰী** : মাননীয় অধ্যক্ষ মহোদয়, ই, এ, চি, বি, কে চৌধুৰী আৰু এ, ডি, চি, য়ে দিয়া ৰিপোৰ্ট দুটা সদনত দাখিল কৰিব নেকি?

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী)** : মাননীয় অধ্যক্ষ মহোদয়, এজাহাৰত কি দিছে, ৰিপোৰ্ট কি হৈছে, এইবোৰ আমাক দিয়া নাই। কিন্তু ৰিপোৰ্টটো এটা সময়ত অনা হ'ব আৰু পৰীক্ষা কৰিও চোৱা হ'ব। কিন্তু এতিয়া কেচটো কোৰ্টত আছে।

* **শ্ৰী বৃন্দাবন গোস্বামী** : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্ৰশ্ন কৰিছে যে টকা অপব্যৱহাৰ কৰা বুলি যিটো গোচৰ কোৰ্টত চলি আছে বুলি কৈছে সেই সময়ত এই চেয়াৰমেনজন আছিল নে নাই? গোলাঘাটতো এনেকুৱা কাৰণতেই পৌৰ সভাখন ভঙ্গ কৰি দিলে। যিটো পিৰিয়ডৰ কথা কোৱা হৈছে সেইটো পিৰিয়ডত সেই মানুহজন আছিল নে নাই? সেইকাৰণে আমি স্পষ্টভাৱে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* **শ্ৰী নীলমণি সেন ডেকা** : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো কোৰ্টত বিচৰাধীন হৈ আছে বুলি কৈছে যেতিয়া আৰু প্ৰশ্ন কৰি দীঘলীয়া কৰিব নালাগে।

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী)** : মাননীয় অধ্যক্ষ মহোদয়, পৌৰ সভাৰ বিষয়ে লিখা এইয়া দুখন কাগজ আনিছো (কাগজ দুখন দেখুৱায়) বৰপেটা বোডৰখন আনিছো। তাত কি কি কাৰণত পৌৰসভাখন ভঙ্গ কৰি দিয়া হ'ল সেইবিষয়ে অৰ্ডাৰখনত লিখা আছে। তিনিচুকীয়া পৌৰসভাখনো কি কি কাৰণত ভঙ্গ কৰি দিয়া হ'ল, সেইটোও ইয়াত আছে। বৰপেটাবোডৰ এটা কথা ঠিক যে বিষয়টো তদন্ত চলি আছে। গোলাঘাটতো যেতিয়া

* Speach not corrected

বিষয়া সকলে কাৰ্য্য নিৰ্বাহ কৰি আছিল তেতিয়া বহুতো অনিয়ম হৈছিল। যিজন বিষয়াৰ থকা সময়ত পৌৰ সভাৰ টকা-পইচাৰ অনিয়ম আৰু বিভিন্ন অভিযোগ উত্থাপন কৰা হৈছিল সেই মৰ্মে প্ৰমাণিত হৈছিল সেই সময়তেই পৌৰ সভা ভঙ্গ কৰি দিয়া হৈছিল। তাৰ কাৰণে বেলেগক চাফাৰ কৰিবলৈ দিয়া নাই বা কৰা নাই।

* **শ্ৰী ফণীভূষণ চৌধুৰী :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে যি সময়ত নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিছিল সেই সময়ত নহ'ল। বঙাইগাঁও পৌৰ সভা এলেকাৰ সম্প্ৰসাৰণ কৰি থকা গৱৰ্ণমেন্টে ১৯৯৫ চনৰ ২৩ আগষ্ট তাৰিখে গেজেট নটিফিকেশ্যন কৰিছিল, এতিয়া ৱাৰ্ড সমূহৰ গেজেট নটিফিকেশ্যন কৰিবলৈ বাকী আছিল। গতিকে গেজেট নটিফিকেশ্যন কৰি পৌৰ এলেকাৰ যিবোৰ মানুহে যোৱা পঞ্চায়ত নিৰ্বাচনত ভোট দিবলৈ নাপালে সেইসকলক ভোট দিবলৈ সুবিধা কৰাৰ ব্যৱস্থা কৰিব নেকি?

মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়টো কথা হ'ল, আগৰ পৰিবহন মন্ত্ৰীয়ে কিবা কৰাপচন কৰিলে এতিয়াৰ পৰিবহন মন্ত্ৰীজনক এৰেষ্ট কৰিব লাগে। কাৰণ আগৰ চেয়াৰমেনে কিবা বেয়া কাম কৰিছিল তেতিয়া আমাৰ চেয়াৰমেনজনক গ্ৰেপ্তাৰ কৰিছিল। এই কথাটো কেনে ধৰণৰ হ'ব পাৰে। আমাৰ পৌৰ সভাৰ চেয়াৰমেনক গ্ৰেপ্তাৰ কৰিছিল। মই আগতে কৈছো যে এইটো এটা ৰাজনীতি। আমাৰ চেয়াৰমেনজন দোষী নাছিল।

* **শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আগৰ ৰেফাৰেন্স আনিব নালাগে। আগৰ পৰিবহন মন্ত্ৰী এতিয়াৰ পৰিবহন মন্ত্ৰী সেইটো কথা নহয়। বঙাইগাঁও পৌৰ সভাৰ সম্প্ৰসাৰণ সম্পৰ্কীয় তথ্যপাতি এতিয়া মোৰ হাতত নাই। তথ্যপাতি পালে মই গুৰুত্ব সহকাৰে চাম। যি সকলে নিৰ্বাচনত ভোট দিবলৈ নাপালে তেওঁলোকে যাতে ভোট দিব পাৰে তাৰ ব্যৱস্থা কৰা হ'ব।

* **শ্ৰী সৰ্ব্বানন্দ সোণোৱাল :** মাননীয় অধ্যক্ষ মহোদয়, মই অলপ ক'ব বিচাৰিছো। শিৱসাগৰ আৰু ডিব্ৰগড় জিলাৰ মাজতে মৰাণ এখন গুৰুত্বপূৰ্ণ চহৰ। খাৰুৱা তেল উৎপাদনৰ ক্ষেত্ৰত অন্যতম চহৰ। ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটোৱে এই চহৰখনক দুফাল কৰিছে। এফাল শিৱসাগৰ মিউনিচিপাল বোৰ্ডৰ আৰু আনটো ফাল ডিব্ৰুগড় মিউনিচিপাল বোৰ্ডত পৰিছে। কিন্তু মৰাণত মিউনিচিপাল বোৰ্ড নাই। অথচ এই চহৰখনতেই অধিক ৰাজহ সংগ্ৰহ হয়। এতিয়াও গাঁও পঞ্চায়তে এনেকৈ আছে। গতিকে কেতিয়া মিউনিচিপাল বোৰ্ডৰ অধীনলৈ অনা হ'ব।

---

* Speach not corrected

* শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত জিলা প্ৰশাসনৰ পৰা প্ৰস্তাৱ অহা নাই। গতিকে মোৰ হাতত বৰ্ত্তমান তথ্য পাতি নাই।

* শ্ৰী সৰ্ব্বানন্দ সোণোৱাল ঃ মাননীয় অধ্যক্ষ মহোদয়, জিলা প্ৰশাসনে ইতিমধ্যে প্ৰস্তাৱ পঠাইছে।

**Mr. Speaker : Now, starred question No.245 Please.**

**বিষয় ঃ সৰু, মজলীয়া আৰু ডাঙৰ উদ্যোগৰ সংখ্যা।**

**শ্ৰী মেম্বৰ গগৈয়ে সুধিছে ঃ**

* ২৪৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত সৰু, মজলীয়া আৰু ডাঙৰ কিমান উদ্যোগ আছে?

(খ) এতিয়া প্ৰত্যেকৰে কিমান অচল হৈ আছে?

(গ) অচল হৈ থকা খিনিৰ কাৰ্য্যক্ষমৰ ব্যৱস্থা কৰা হৈছে নেকি?

(ঘ) নতুন উদ্যোগ স্থাপন কৰিবৰ কাৰণে ব্যৱস্থা লোৱা হৈছে নেকি?

**শ্ৰী তৰুণ গগৈ (উদ্যোগ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) অসমৰ পঞ্জীভূক্ত ৪১,৮৫৯ টা ক্ষুদ্ৰ (SSI), ১৯৪ টা মজলীয়া আৰু ডাঙৰ (Medium and Large) উদ্যোগ আছে।

(খ) এতিয়ালৈকে ১২,১৬৩ টা ক্ষুদ্ৰ (SSI), ৯৫ টা মজলীয়া আৰু ডাঙৰ (Medium and Large) উদ্যোগ অচল হৈ আছে।

(গ) হয়, কৰা হৈছে।

(ঘ) হয়, লোৱা হৈছে।

* শ্ৰী প্ৰদ্যুত বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত দাখিল কৰা হৈছে।

* শ্ৰী মেম্বৰ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰুৱা বামুণগাঁও চুগাৰ মিলটো কাৰ্য্যক্ষম কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি? মাননীয় মন্ত্ৰী মহোদয়ে কেইটামান উদ্যোগ স্থাপন কৰাৰ কথা কৈছে, এই উদ্যোগসমূহ ক'ত আৰু কি কি উদ্যোগ স্থাপন কৰিব মই তাৰ এটা ব্যাখ্যা বিচাৰিছো।

---

* Speach not corrected

* **শ্ৰী প্ৰদ্যুত বৰদলৈ (বাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত ২০০১ চনৰ ডিচেম্বৰ মাহলৈকে ৪১,৮৫৯ টা লঘু আৰু ১৯৫ টা ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰা হৈছিল। কিন্তু বৰ দুখৰ কথা যে এই উদ্যোগবিলাকৰ ভিতৰত ১২,১৬৩ টা বন্ধ হৈ পৰি আছে। এই বন্ধ হোৱা উদ্যোগসমূহক পুনৰ কাৰ্য্যক্ষম কৰিবৰ কাৰণে চৰকাৰে বিভিন্ন ধৰণেৰে চেষ্টা চলাই আছে। কিন্তু মূলতে দেখা যায় যে এই উদ্যোগবিলাক চলাই থাকিবৰ বাবে কেঁচামাল আৰু বজাৰৰ অভাৱ। এইবিলাকৰ অভাৱত উদ্যোগসমূহ চলোৱাটো সম্ভৱ নহয়। তথাপিও এই অচল হৈ পৰি উদ্যোগবোৰ কেনেকৈ কাৰ্য্যক্ষম কৰিব পৰা যায় তাৰ কাৰণবোৰ চৰকাৰে চালিজাৰি চাই ব্যৱস্থা হাতত লোৱাৰ চেষ্টা চলাই থকা হৈছে।

* **শ্ৰী মেম্বৰ গঁগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে চেনীৰ চাহিদা আছে কিন্তু বজাৰ নাই। এই চুগাৰ মিলটোৰ কাৰণে কি কৰিব বিচাৰিছে?

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দেৰগাঁও চেনীকলটো সমবায় বিভাগৰ অধীনত, গতিকে সেই বিভাগৰ তথ্যপাতি নেপালে মই ক'ব নোৱাৰিম।

* **শ্ৰী মেম্বৰ গঁগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই (ঘ) প্ৰশ্নৰ উত্তৰত নতুন উদ্যোগৰ ক্ষেত্ৰত কৈছে যে কামেং আৰু সোৱণশিৰি জলবিদ্যুৎ প্ৰজেক্ট দুটাত বিদ্যুৎ উৎপাদন হ'ব। এই বিদ্যুৎ শক্তি উৎপাদনৰ প্ৰতি লক্ষ্য ৰাখি উক্ত প্ৰজেক্ট দুটা কাৰ্য্যক্ষম কৰি তোলাৰ ব্যৱস্থা হাতত লৈছে নেকি? জলবিদ্যুৎ শক্তি বৰ লাভজনক, ইয়াৰ ষ্টেবিলিটি আছে। আমি তাৰ প্ৰতি লক্ষ্য ৰাখি উদ্যোগ বহুৱাব নোৱাৰিলে সেইটো অন্য ষ্টেটে লৈ যাব। সেইটো ঘুৰাই পোৱা নাযাব। পাঁচ বছৰৰ পিচত যদি এটা উদ্যোগ কমিচণ্ড কৰিব পৰা কাৰণে আজিৰ তাৰিখৰ পৰা উদ্যোগ স্থাপনৰ ব্যৱস্থা ল'ব লাগে।

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে উদ্যোগ প্ৰতিষ্ঠাৰ বাবে অসমত ঔদ্যোগিক বাতাবৰণ সৃষ্টি কৰিবলৈ চেষ্টা কৰি আছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰ সফলো হৈছে। মাননীয় বিধায়ক গৰাকীয়ে যিটো জলবিদ্যুৎ কেন্দ্ৰৰ পৰা বিদ্যুৎ শক্তি উৎপাদন হ'ব বুলি কৈছে এই সংক্ৰান্তত চালিজাৰি চাই ব্যৱস্থা লোৱা হ'ব।

* **ডঃ জয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৪৯ টা মজলীয়া আৰু লঘু উদ্যোগৰ কেইটাত চৰকাৰৰ পাৰ্টিচিপেচন আছে?

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৪৯ টা নহয়, ৫৯ টা এতিয়া অসমত অচল হৈ আছে। অসম চৰকাৰৰ পঞ্জীয়নভূক্ত ৰাজহুৱা খণ্ডৰ উদ্যোগ

* Speach not corrected

পুনৰ চলাবলৈ আমি চেষ্টা চলাই আছো আৰু ইয়াত ব্যক্তিগত খণ্ডৰ উদ্যোগ সোমাই আছে।

* **ডঃ জয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিমানটা উদ্যোগত চৰকাৰৰ পাৰ্টিচিপেচন আছে আৰু কিমান টকা ইনভল্‌ভমেন্ট আছে?

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে পাব্লিক এন্টাৰ প্ৰাইজ বিভাগৰ পৰা বিচাৰিব লাগিব। মাননীয় বিধায়ক গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে তাৰ বিতং তথ্য দিবৰ বাবে চেষ্টা কৰিম।

(Starred question No.246 was not taken up as the questioner was not present when called for. However, the said question deemed to have been laid on the table of the House with replies therto.)

## বিষয় ঃ চাহ নিগমৰ অধীনত থকা বাগিছাৰ সংখ্যা।

**শ্ৰী এটোৱা মুণ্ডাই সুধিছে ঃ**

* ২৪৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসম চাহ নিগমৰ অধীনস্থ মুঠ কিমানখন চাহ বাগিছা আছে?

(খ) উক্ত চাহ বাগিছা সমূহত মুঠ প্ৰাপ্ত বয়স্ক আৰু অপ্ৰাপ্ত বয়স্ক শ্ৰমিকৰ সংখ্যা কিমান?

(গ) অসমৰ অন্য চাহ বাগিছাৰ তুলনাত অসম চাহ নিগমৰ চাহ বাগিছা সমূহে বছৰি বৃহৎ পৰিমাণত অৰ্থনৈতিক লোকচানৰ সন্মুখীন হৈ থকাটো চৰকাৰৰ অৱগতনে?

(ঘ) যদি অৱগত, ইয়াৰ কাৰণ সমূহ কি কি আৰু এই কাৰণ সমূহ দূৰীকৰণৰ বাবে চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঙ) অসম চাহ নিগমৰ মুখ্য কাৰ্য্যালয়ত বৰ্ত্তমান কিমান সংখ্যক বিষয়া কৰ্মচাৰীয়ে কাৰ্য্যনিৰ্বাহ কৰি আছে আৰু এই বিষয়া কৰ্মচাৰীক দৰমহাকে ধৰি মাহিলী মুখ্য কাৰ্য্যালয়ৰ পৰিচালনাত চৰকাৰে কিমান ধন ব্যয় কৰে?

**শ্ৰী তৰুণ গগৈ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) অসম চাহ নিগমৰ অধীনত মুঠ ১৫ খন চাহ বাগিছা আছে। (এই ১৫ খন বাগিছাৰ ভিতৰত ১৪ খন নিগমৰ নিজা বাগিছা আৰু এখন (বিদ্যানগৰ চাহ বাগিছা) নিগমে অসম চৰকাৰৰ ৰাজহ বিভাগৰ হৈ চলাই আছে।

---

* Speach not corrected

(খ) প্ৰাপ্ত বয়স্ক শ্ৰমিকৰ সংখ্যা ১৫,৬৮৩ জন।

অপ্ৰাপ্ত বয়স্ক শ্ৰমিকৰ সংখ্যা ১৩৮ জন।

(গ) হয়, অৱগত।

(ঘ) চাহ নিগমৰ বাগিছাসমূহে বৰ্ত্তমান সন্মুখীন হোৱা সমস্যা সমূহৰ কাৰণসমূহ হ'লঃ-

১) বাগিছাসমূহৰ ক্ৰমাগতভাবে নিম্নমুখী হোৱা কেচাঁ-পাতৰ উৎপাদন।

২) আৱশ্যকতকৈ বেছি শ্ৰমিক মকৰল।

৩) বাগিছাসমূহৰ চাহ খেতিৰ মাজে মাজে গছ মৰি গৈ সৃষ্টি হোৱা শূন্যতা।

৪) সাধাৰণভাবে উপাৰ্জনক্ষম বয়সতকৈ বেছি বয়সৰ গছ থকা বাগান।

৫) চাহ বাগিছাৰ আপেক্ষিকভাবে প্ৰায় আটাইকেইখন বাগিছাই অসমৰ বৰষুণ কম হোৱা স্থানত অৱস্থিত।

৬) চাহ নিগমৰ চাহ বাগিছাত উন্নয়নশীল কামৰ বাবে টকাৰ অভাৱ।

৭) নিগমৰ যোৱা প্ৰায়বোৰ বছৰতে হোৱা লোকচান আৰু তাৰ বাবদ বেংক সমূহত সৃষ্টি হোৱা উৰ্দ্ধমুখী ঋণ আৰু তাৰ ফলত বাঢ়ি অহা সুত।

৮) উৎপাদন ব্যয়ৰ বাবে টকাৰ অভাৱ আৰু ইয়াৰ ফলত উৎপাদিত চাহৰ নিম্নমুখী মানদণ্ড।

চাহ নিগমৰ ওপৰক্ত সমস্যা সমূহৰ পৰিপ্ৰেক্ষিতত নিগমক পুনৰজীৱিত কৰিবৰ বাবে আৱশ্যক হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী কাৰ্য্যব্যৱস্থা সম্পৰ্কে চৰকাৰক পৰামৰ্শ দিবলৈ অসম চৰকাৰে ২০০১ চনৰ জানুৱাৰী মাহত অভিজ্ঞ চাহ খেতিয়ক, অৰ্থনৈতিক উপদেষ্টা আৰু চৰকাৰী বিষয়াক লৈ এখন কমিটি গঠন কৰি দিছিল। উক্ত কমিটিৰ প্ৰতিবেদন মৰ্মে চাহ নিগমক পুনৰ লাভজনক কৰিবৰ বাবে বহু টকা বিনিয়োগ কৰিব লাগিব। গতিকে কমিটিয়ে চাহ নিগমৰ উন্নয়নৰ বাবে নিগমৰ মূলধনৰ এটা অংশ চাহ শিল্পত পাৰদৰ্শী কোনো এটা চাহ কোম্পানীক হস্তান্তৰ কৰিবলৈ বা নিগমটোক তেনে কোনো কোম্পানীক লীজত দিবলৈ পৰামৰ্শ আগবঢ়াইছে।

(উচ্চ ক্ষমতাসম্পন্ন কমিটিৰ পৰামৰ্শক্ৰমে) চাহ নিগমৰ মূলধন হস্তান্তৰ বা লীজত দিয়াৰ বিষয়ে চৰকাৰক পৰামৰ্শ দিবলৈ চৰকাৰে মুখ্য সচিবৰ অধ্যক্ষতাত

এখন ক্ষমতাসম্পন্ন কমিটি গঠন কৰি দিছে আৰু উক্ত কমিটিয়ে ইচ্ছুক চাহ কোম্পানী সমূহৰ লগত হ্রস্বম্যাদী দিনৰ বাবে আৰু ভৱিষ্যতে চাহ নিগমৰ অংশ ক্রয় বা লীজত দিয়াৰ বিষয়ে আলোচনা কৰি আছে। এই কমিটিৰ প্রতিবেদন পোৱাৰ পাছত চৰকাৰে অতি সোনকালে এই বিষয়ে এটা চুড়ান্ত সিদ্ধান্ত কৰিব।

(ঙ) চাহ নিগমৰ মুখ্য কাৰ্য্যালয়ত বৰ্ত্তমান ৯২ জন বিষয়া কর্মচাৰীয়ে কাৰ্য্যনির্বাহ কৰি আছে আৰু এই বিষয়া কর্মচাৰী সকলৰ দৰমহাকে ধৰি মাহিলী কাৰ্য্যালয় পৰিচালনাত নিগমে মাহে ৯ লাখ ৮০ হাজাৰ টকা খৰচ কৰে। অসম চৰকাৰে নিগমৰ মুখ্য কাৰ্য্যালয় পৰিচালনাত টকা খৰচ নকৰে।

**Mr. Speaker :** Now, starred question No.247. Hon'ble member, Sri Hemendra Nath Brahma.

## Re : Villagers Killed by Army.

**Shri Hemendra Nath Brahma asked :**

* 247. Will the Minister of Home be pleased to state :

(a) Whether it is a fact that on 2nd February, 2002 the Army Personnel had killed five Villagers of Saralpara Village in Kokrajhar District?

(b) Whether it is a fact that the victims were in humanly tortured and killed at the same moment at separate spots, on the same day?

(c) Whether all the persons Killed were involved in extremist activities?

(d) If not, why had they been killed?

(e) Whether any enquiry has been done by any magistrate on the Killings?

(f) If so, whether the enquiry report is completed? (The report of the enquiry may be placed on the table of the House.)

(g) Whether the family of the victims will be provided ex-gratia grant and if so, how much?

**Shri Tarun Gogoi (Chief Minister) replied :**

(a) Five suspected militants were killed reportedly in a chance encounter with Army Personals at Village Saralpara, Kokrajhar district on 1st and 2nd February, 2002.

(b) The five persons were reportedly shot dead at the place where the chance encounter took place. There is no report of any torture committed on them before they were killed.

(c) (d) and (e) A Magisterial Enquiry was instituted to enquire into the circumstances leading to the incident of killing.

(f) The findings of Magisterial Enquiry report is inconclusive. Hence, it could not be placed on the table of the House. However, a single member Inquiry Committee headed by the Commissioner, Lower Assam Division has now been constituted to probe deeper into the incident of killing of the aforesaid five persons by Army vide Govt. Notification No.PLA.64/2002/20 dated 15.03.2002. The Committee will submit its report within 45 days from the date of the Notification.

(g) Appropriate action will be taken on the basis of the findings of the One man Enquiry Committee headed by Commissioner, Lower Assam Division.

* **শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে, তাৰ দ্বাৰা সদনক বিপথে পৰিচালিত কৰা দেখা গৈছে।

অধ্যক্ষ মহোদয়, কোকৰাঝাৰ জিলাৰ নিৰপৰাধী মানুহ বিলাকৰ ওপৰত যি অত্যাচাৰ কৰা হৈছে আমি নিজ চকুৰে দেখিছো। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে নিজে গাঁওখন ভ্ৰমণ কৰি গোটেই বিৱৰণী ৰাইজৰ পৰা পাই আহিছে। এই পাঁচজন মানুহক ঘৰৰ পৰা শুই থকা অৱস্থাৰ পৰা উঠাই উঠাই লৈ আহিছে এক ফেব্ৰুৱাৰীৰ ৰাতি। মই এই সদনতে গৃহ বিভাগৰ ওপৰত হোৱা আলোচনাত এই বিষয়টো ব্যক্ত কৰিছিলো। অধ্যক্ষ মহোদয়, ফেব্ৰুৱাৰী মাহত এই সৰলপাৰা অঞ্চলত বহুত ঠাণ্ডা পৰে, আৰু এই বছৰ ফেব্ৰুৱাৰীত আৰু বেছি ঠাণ্ডা পৰিছে। কিন্তু এই ঠাণ্ডাতো সেই মানুহ কেইজনক গাত কাপোৰ ল'বলৈ দিয়া নাছিল। তেওঁলোকৰ ঘৈণীয়েক আৰু মাক বিলাকে কাপোৰ-কানি দিবলৈ ব্যৱস্থা কৰিছিল যদিও, তেওঁলোকক কাপোৰ লবলৈ দিয়া নহ'ল আৰু সোনকালে এৰি দিম বুলি লৈ আনিলে। তাৰ পিচত কোৱা হ'ল 'এনকাউন্টাৰট' হত্যা হ'ল বুলি। এই পবিত্ৰ সদনতে যদি এনে উত্তৰ দিয়া হয় তেন্তে আমাৰ সাধাৰণ জনসাধাৰণ কিয় পতিয়ন যাব। সদনত এনে ভুল উত্তৰ দিয়াটো অতি দুৰ্ভাগ্যজনক। অধ্যক্ষ মহোদয়, মই উত্তৰটোৰ 'ক্লেৰিফিকেচন' বিছাৰিছো, ইয়াত কোৱা হৈছে কোনো

* Speach not corrected

টৰ্চাৰ কৰা হোৱা নাছিল। কিন্তু তেওঁলোকক যি টৰ্চাৰ কৰা হৈছিল, মানুহ হিচাপে অতি বেছি কৰা হৈছে। আৰু ২ ফেব্ৰুৱাৰী তাৰিখে ৰাতিপুৱা তেওঁলোকক গছত বান্ধি গুলিয়াই হত্যা কৰা হ'ল। অধ্যক্ষ মহোদয়, এই ঘটনাৰ ওপৰত সদনত যি উত্তৰ দিয়া হ'ল সঁচাকৈয়ে অতি দুৰ্ভাগ্যজনক।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কি জানিব বিছাৰিছে, প্ৰশ্ন কৰক, চাপ্লিমেন্টৰী কৰক।

* **শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত যি ভুল তথ্য দিছে, সেইটো ক্লেৰিফাই কৰি দিব বিছাৰিছো। এই নিৰপৰাধী গাঁৱলীয়া লোকসকলক হত্যাৰ লগত জড়িত কৰি আৰ্মি বিষয়াসকলক বিচাৰ কৰি উলিয়াই শাস্তি বিহিত লাগে আৰু আমাৰ ভিক্তিমাইজ পৰিয়াল কেইটাক এক্স-গ্ৰেছিয়া সাহাৰ্য্য দিবলৈ মই চৰকাৰক এই সদনৰ মজিয়াত অনুৰোধ জনাইছো।

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত যিবিলাক হত্যাকাণ্ড হৈছে, তাত বহুতো নিৰাপত্তাৰক্ষীৰ লোক, উগ্ৰপন্থী আৰু নিৰীহ লোকৰ মৃত্যু হৈছে। অসমভূমিত বিভিন্ন এনকাউন্টাৰত যিসকল উগ্ৰপন্থীৰ মৃত্যু হৈছে, নিৰীহ লোকৰ মৃত্যু হৈছে, সেই সকলোবোৰ আমাৰ মাজৰে আমাৰ সমাজৰে লোক। তেওঁলোকৰ মৃত্যুত আমাৰ চৰকাৰে কোনো পৈশাচিক আনন্দ লভা নাই। কোকৰাঝাৰ জিলাৰ সৰলপাৰাত যি ঘটনা হৈ গ'ল, সেই ঘটনাৰ ওপৰত চৰকাৰে কোনো ভুল উত্তৰ দিয়া নাই। এই ঘটনাটো এটা এনকোৱাৰী কৰা হৈছে কিন্তু এনকোৱাৰী ৰিপোৰ্ট নোপোৱাৰ বাবেই উত্তৰত 'ৰিপোৰ্টেডলী কিল্‌ড' বুলি কোৱা হৈছে। কাৰণ কোনো এটা এনকোৱাৰীৰ সঠিক ৰিপোৰ্ট নোপোৱাকৈ খাটাং কৈ কোনো কথা ক'ব নোৱাৰি। যিটো মেজিষ্ট্ৰেটৰ এনকোৱাৰী দিয়া হৈছিল। সেই এনকোৱাৰীটো 'ইন্‌কনক্লুচিভ্' হোৱা কাৰণে নামনি অসমৰ আয়ুক্তক লৈ এখন নতুন এনকোৱাৰী কমিটি গঠন কৰি দিয়া হৈছে। কাৰণ মেজিষ্ট্ৰেটৰ এনকোৱাৰীত আৰ্মিৰ কথাৰ আৰু জনসাধাৰণৰ কথাৰ কোনো মিল নোহোৱা হৈছে। সকলোৰে জবাব বেলেগে বেলেগ হৈছে।

* **শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো, যি গৰাকী বিষয়াই অসত্য ৰিপোৰ্ট দিছে, তেওঁৰ বিৰুদ্ধে এৰ্কচন্ ল'ব নেকি, আৰু মন্ত্ৰী মহোদয়ে এই ঘটনাটো গোপন হত্যা বুলি মানি ল'ব নেকি?

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি জন বিষয়াই ৰিপোৰ্ট দিছে, সেইটো অসত্য ৰিপোৰ্ট নহয়। মই উত্তৰত কৈছোৱেই ৰিপোৰ্টটো

* Speach not corrected

'ইনকনক্লুচিভ' হৈছে। আৰ্মিয়ে যি বক্তব্য দিছে, জনাসাধাৰণে বেলেগ বক্তব্য দিছে, মানে গোটেই বস্তুটো অস্পষ্ট হৈছে। সেই কাৰণে নামনি অসমৰ আয়ুক্তক লৈ এখন নতুন এনকোৱাৰী কমিটি গঠন কৰি দিয়া হৈছে। আৰু আমাৰ চৰকাৰে কোনো গুপ্ত হত্যাত বিশ্বাস নকৰে।

* **শ্ৰী টংক বাহদুৰ ৰায় ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যিক গৃহ মন্ত্ৰী আৰু মই সেই ঠাইলৈ গৈছিলো আৰু তাত ব্ৰিগেডিয়াৰৰ লগত কথা হৈছিলো। এন, ডি, এফ ত নেপালী মানুহ নাই। ৰাজ্যিক গৃহ মন্ত্ৰীয়ে তাত চি, আৰ, পি, এফ দিম বুলি ঘোষণা কৰিছিল। তাত এনে ভাবে নৃশংস হত্যাকাণ্ড সংঘটিত হৈছিল আৰু ডেদ বডী বিলাকত কিছুমান মাৰ্ক দেখা গৈছিল। সেই হত্যাকাণ্ড দেখি মানুহৰ মনত আতংকৰ সৃষ্টি হৈছে। ৰাজ্যিক গৃহ মন্ত্ৰী ডাঙৰীয়াই মৃতকৰ পৰিয়াললৈ ১ লাখ এক্স-গ্ৰেছিয়া গ্ৰান্ট দিয়া হ'ব বুলি ঘোষণা কৰিছিল, সেই মৰ্মে তেওঁলোকক এককালিন সাহাৰ্য্য দিয়া হৈছে নেকি যদি দিয়া নাই তেতিয়াহ'লে অনতি পলমে দিবলৈ অনুৰোধ জনাইছো আৰু তাত মানুহবিলাকৰ মনত ফিয়েৰ চাইকোচিচ হৈছে। গতিকে তাত চি, আৰ, পি, এফ মোতায়েন কৰিব লাগে।

* **শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো সত্য, গাঁৱৰ মানুহবিলাক তাত আতংকিত হৈ আছে, গাঁৱৰ ৰাইজে যাতে তাত নিৰাপদে থাকিব পাৰে তাৰ কাৰণে তাত পুলিছ আউট পোষ্ট দিব নে আৰু চি, আৰ, পি, এফ মোতায়েন কৰি গাঁৱৰ ৰাইজক ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰিবনে?

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় সদস্য গৰাকীয়ে যিটো এক-কালিন সাহাৰ্য্যৰ কথা কৈছে সেইটো উচ্চ পৰ্য্যায়ৰ যিটো এনকুৱাৰী কৰিবলৈ দিয়া হৈছে সেই ৰিপোৰ্টটো পোৱাৰ পাচতহে এককালিন সাহাৰ্য্য আগবঢ়োৱাৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱা হ'ব। ইতিমধ্যে জিলা প্ৰশাসনৰ ফালৰ পৰা প্ৰয়োজনীয় অলপ সা-সুবিধা আগবঢ়োৱা হৈছে। এটা কথা মই স্পষ্টকৈ ক'ব বিচাৰিছো যে আমাৰ চৰকাৰে যি কোনো ক্ষেত্ৰতে আৰ্মি, চি, আৰ, পি, এফ বা অসম আৰক্ষী নিৰাপত্তা বাহিনীক অনিয়ম কৰিলে ৰক্ষণাবেক্ষণ দিবলৈ নাযায়।

* **ডঃ জয়নাথ শৰ্মা ঃ** মন্ত্ৰী মহোদয়ে এ আৰু বি প্ৰশ্নৰ উত্তৰত কৈছে যে চান্স এনকাউন্টাৰ উইথ আৰ্মি পাৰচনেল, এইটোৱে কি বুজাইছে?

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** আৰ্মিৰ যিটো কথা কৈছে পুলিশে সেইটো বহুক্ষেত্ৰত চালি-জাৰি চাইচে, চান্স এনকাউন্টাৰ এইটোকে বুজাইছে যে আগবাঢ়ি

* Speach not corrected

আহোতে এক্সিট্ৰেমিষ্টৰ লগত হঠাতে সংঘৰ্ষ হোৱা।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** এই বিষয়টোত সদনৰ বেছিভাগ সদস্যৰে সন্দেহ ঘনীভূত হৈছে, গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত এটি সদন কমিটি সৰ্বদলীয় দল তালৈ গৈ স্বৰজমীন তদন্ত কৰিব লাগে এইটো আমি দাবী কৰিছো।

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (বাণিজ্যিক মন্ত্ৰী) ঃ** সৰলপাৰা গাঁৱৰ ৰাইজৰ মাজত যিটো ক্ষোভ সেই ক্ষেত্ৰত চালি-জাৰি চাবলৈ ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** ঘটনাটোত সকলোৰে সন্দেহ হৈছে। সেইকাৰণে ইয়াৰ আচল কথাটো জানিবৰ কাৰণে আমি আপোনাৰ নেতৃত্বত সদনৰ সদস্যক লৈ এটি সৰ্বদলীয় দল গৈ তাত স্বৰজমীন তদন্ত কৰিব লাগে।

* **শ্ৰী প্ৰেমধৰ বৰা ঃ** এইটো সাধাৰণ কথা নহয়, য'ত ৫ জন মানুহৰ মৃত্যু হৈছে তাত পৈশাচিক অত্যাচাৰ হৈছে। পৈশাচিক ভাবে হত্যা কৰা হৈছে, তাত গাঁৱৰ ৰাইজৰ মনত আতংকৰ সৃষ্টি হৈছে, আজি ৩ মাহ পাৰ হ'ল, আৰ্মি কেম্পত মানুহ আছে নে নাই? গাঁৱৰ মানুহখিনিক নিৰাপত্তা দিয়াৰ কাৰণে আৰক্ষীয়ে তাত আউটপোষ্ট কৰিছে নেকি?

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** ১০ তাৰিখে প্ৰশ্ন পাইছো, ১০ তাৰিখে এনকুৱাৰী দিয়া বুলি কৈছে, ১০ তাৰিখৰ আগতে অহা হ'লে একো নাছিল, কিন্তু যিটো বুজা গৈছে, প্ৰশ্নটো অহাৰ কাৰণেহে এনকুৱাৰী দিয়া হৈছে বুলি ধাৰণা হয়।

**Mr. Speaker :** Starred question No.248. Hon'ble member, Shri Bimolangshu Roy.

## Re : MLA's Area Development Fund.

**Shri Bimolangshu Roy asked :**

* 248. Will the Minister of Planning & Development be pleased to state:

(a) Is the Govt. contemplating to increase the MLA's Area Development Fund in view of increase of MP's Area Development Fund?

(b) If so, when & if not why?

**Shri Tarun Gogoi, Chief Minister & Minister of Planning & Development replied :**

(a) No, Sir.

---

* Speach not corrected

(b) Due to inadequate availability of un-earmarked funds under plan, it is not possible to increase the allocation under MLAAD Fund for the year 2002-2003.

* **শ্ৰী বিমলাংশু ৰায় ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে এম, পি, ফাণ্ড আছিল ১ কোটি এতিয়া সেই টকাতো ২ কোটি হ'ল, সেইদৰে এম, এল, এ এৰিয়া ডেভেলপমেন্ট ফাণ্ড হৈছে ২০ লাখ টকা যিটো আমি আগতে ডিমাণ্ড কৰি আহিছিলো। এতিয়া আমাৰ সদস্য সকলে বিশেষকৈ আমাৰ যি সকল বিৰোধী পক্ষৰ সদস্য আছে তেওঁলোকৰ কাৰণে কোনো ধৰণৰ সা-সুবিধা নাই। মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে ইনএডোকোৱেট এভেইলেবিলিটি অব আন-আৰমাৰ্কড ফাণ্ডৰ কাৰণে এলোকেশ্যন বঢ়াব পৰা হোৱা নাই। তাৰোপৰি পঞ্চায়ত নিৰ্বাচনৰ পাচত ডিচেন্ট্ৰেলাইজেশ্যন অব পাওৱাৰ হৈ গ'ল, গতিকে বিধায়ক সকলে একো সুবিধা পোৱা নাই, তেনে ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ উত্তৰটো দুখ পাইছো। আৰু এটা প্ৰশ্ন আছিল। এম, পি, ফাণ্ডৰ টকাটো বেংকত ৰাখিব পাৰে ফলত তাৰ পৰা ইন্টাৰেষ্ট পোৱাৰো সুবিধা আছে, কিন্তু এম, এল, এ ফাণ্ডটো ৰখাৰ তেনে সুবিধা নাই। ফলত ইন্টাৰেষ্ট পোৱাৰ পৰা বঞ্চিত হ'বলগীয়া হয়।

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী, প্লেনিং এণ্ড ডেভেলপমেন্ট) ঃ** অধ্যক্ষ মহোদয়, আগতে এম, এল, এ এৰিয়া ডেভেলপমেন্ট ফাণ্ডটো বহুত কম আছিল ১৯৯৭ চনত এই ফাণ্ডটো ২০ লাখলৈ বৃদ্ধি কৰা হ'ল। ১২৬ জন এম, এল, এক এই হিচাবত ২৫.২০ কোটি দিবলগীয়া হ'ল। প্লেন বাজেটৰ চাব ডিভিজনেল ডেভেলেপমেন্ট অব স্পিচিয়েল প্ৰবলেম টোটেল এনুৱেল ৰিকোৱাৰমেন্ট হ'ল ২৫.২০ কোটি টকা। এই চাবচেক্টৰটো আণ্ডাৰ আন-ইয়াৰমাৰ্কদ্ প্লেনৰ ফান্দৰ টকা। যোৱা কেইবছৰমানৰ পৰা টোটেল ফাণ্ডৰ ইয়াৰমাৰ্কড ফাণ্ড লিমিটেড হৈ আছে। ২০০১-২০০২ ৰ আন ইয়াৰমাৰ্কড ফাণ্ডৰ টোটেল এমাউন্ট আছিল ১০৪২.৮৪ কোটি তাৰে চেলাৰীৰ কাৰণে ৯৯০.৯৭ কোটি টকা আৰু বেলেঞ্চ ফাণ্ড মাত্ৰ ৫১.৮৭ কোটি টকা। এই বেলেঞ্চ ফাণ্ডটো বিভিন্ন বিভাগ আৰু এম, এল, এ ডেভেলপমেন্টৰ কাৰণে মুকলি কৰি দিয়া হয়। গতিকে আন-ইয়াৰমাৰ্কড ফাণ্ডটো বিভিন্ন ক্ষেত্ৰত খৰচ হৈ যায়। প্লেন এলোকেশ্যন বাঢ়িলে আন-ইয়াৰমাৰ্কড ফাণ্ড বাঢ়িলে নিশ্চয় চাম। সদ্যহতে ৰাজ্য চৰকাৰৰ এম, এল, এ এৰিয়া ডেভেলপমেন্ট বৃদ্ধি কৰাৰ প্ৰস্তাৱ নাই।

**(Starred question number 249 to 260 could not be taken up as the Question Hour was over. However, the said questions**

---

* Speach not corrected

**deemed to have been laid on the table of the House with replies thereto.)**

## Re : Sub-Inspector of Police.

**Shri Mission Ranjan Das asked :**

* 249. Will the Minister of Home be pleased to state :

(a) Is it a fact that a good numbers of Sub-Inspector of Police (UB) were appointed in 1976 and a few of them were promoted as Inspector of Police (UB) and others were not promoted as yet?

(b) What are the reasons of not giving promotion to them after 26 years of service?

(c) Whether their promotion will be given near future?

(d) If yes, when and if not why?

**Shri Tarun Gogoi, (Chief Minister) replied :**

(a) Yes, Total No. of 169 Sub-Inspectors of Police (UB) were appointed in 1976 out of which 135 Nos. were promoted as Inspector of Police (UB). Promotion of remaining 34 Nos. Sub-Inspectors of Police are under process.

(b) Due to non-availability of vacancies.

(c) Yes.

(d) On completion of required formalities.

## বিষয় ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগ।

**শ্ৰী ৰিপুণ বৰাই সুধিছে ঃ**

* ২৫০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰিলায়েন্সৰ গেছ ক্ৰেকাৰ প্ৰজেক্ট বৰ্ত্তমান কি পৰ্য্যায়ত আছে আৰু কেতিয়াৰ পৰা ইয়াৰ কাম আৰম্ভ হ'ব বুলি আশা কৰিব পাৰি?

(খ) ৰাজ্যখনত উদ্যোগীকৰণৰ বাবে যোৱা আঠ মাহত চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

ইয়াৰ কাম আৰম্ভ হ'ব বুলি আশা কৰিব পাৰি?

(খ) ৰাজ্যখনত উদ্যোগীকৰণৰ বাবে যোৱা আঠ মাহত চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ আঁচনিৰ (PMRY) অধীনত যোৱা আঠ মাহত ৰাজ্যখনত মুঠ কিমান যুৱক-যুৱতীয়ে ঋণৰ বাবে আবেদন কৰিছিল আৰু ইয়াৰে কিমানক ঋণৰ বাবে অনুমোদন জনোৱা হৈছে?

(ঘ) এনেদৰে অনুমোদন জনোৱা কিমান প্ৰাৰ্থীয়ে এতিয়ালৈকে সংশ্লিষ্ট বেংক সমূহৰ পৰা ঋণ লাভ কৰিছে?

**শ্ৰী তৰুণ গগৈ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) ৰিলায়েন্স গেছ ক্ৰেকাৰ প্ৰজেক্টৰ কাম নিৰ্মাণ কাৰ্য্য আৰম্ভ হোৱাৰ পূৰ্বৰ পৰ্য্যায়ত আছে। এই প্ৰজেক্টৰ কাম ONGC ৰ লগত গেছ চুক্তি সম্পাদন আৰু অধিগৃহিত মাটিৰ দখল চমজি লোৱাৰ লগে লগে আৰম্ভ হ'ব।

(খ) যোৱা আঠ মাহত নিম্নলিখিত ব্যৱস্থা সমূহ গ্ৰহণ কৰা হৈছে।

১) মুখ্যমন্ত্ৰীৰ স্বনিয়োজন আঁচনিৰ অধীনত যুৱক-যুৱতীৰ প্ৰশিক্ষণ।

২) Community Information Centre (CIC) আঁচনিৰ অধীনত ১৫ টা কেন্দ্ৰ সম্পূৰ্ণ কৰি তোলা হৈছে আৰু ৫০ টা সম্পূৰ্ণ হোৱাৰ পথত।

৩) উদ্যোগী যুৱক-যুৱতীৰ বাবে তথ্যভিত্তিক কৰ্মশালা।

৪) কেন্দ্ৰীয় চৰকাৰৰ ঘোষিত উত্তৰ পূৰ্ব উদ্যোগিক নীতিৰ আধাৰত অধিক উদ্যোগীক অঞ্চল সামৰি কেন্দ্ৰীয় চৰকাৰে অধিসূচনা জাৰি কৰিছে।

৫) আন্তঃগাঁথনি উন্নয়নৰ অৰ্থে হাতত লোৱা আঁচনি যেনে Growth Centre, IID Centre আৰ্ন্তজাতিক বাণিজ্য কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য্য ক্ষিপ্ৰতৰ কৰা হৈছে।

৬) ৰুগ্ন উদ্যোগ সমূহ পুনৰুজীৱিত কৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

৭) বাহিৰৰ পৰা আহি অসমৰ মাটিত উৎপাদন গোট খুলিব খোজা ব্যক্তিগত খণ্ডৰ কোম্পানীবিলাকক কোনো ৰঙাফিটাৰ মেৰপাক নোহোৱাকৈ যাতে তেওঁলোকে বিনিয়োগ ঘটাব পাৰে তাৰবাবে তৎপৰতাৰে সকলো ব্যৱস্থা হাতত লোৱা হৈছে।

(ঘ) এনেদৰে অনুমোদন জনোৱা ৭৯ জন প্ৰাৰ্থীয়ে এতিয়ালৈকে সংশ্লিষ্ট বেংক সমূহৰ পৰা ঋণ লাভ কৰিছে।

## Re : Criminal Activities.

**Shri Monilal Goala asked :**

* 251. Will the Minister of Home be pleased to state :

(a) Whether the Government knows that criminal activities are increasing in and around Bazaricherra Police Petrol Post under the District of Karimganj and situated at junction point of Tripura and Mizoram?

(b) If so, whether the Government will up-grade the said P.P. in to full-fledged Police Station as the existing Patharkandi P.S. is far off?

**Shri Tarun Gogoi (Chief Minister) replied :**

(a) Yes.

(b) There is no proposal for upgradation of Bazaricherra Police Petrol Post into a full-fledged Police Station. A proposal for establishment of an out post at Bazaricherra is, however, under consideration of the Govt.

## Re : Waterfall at Tegheria.

**Shri Robin Bordoloi asked :**

* 252. Will the Minister of Tourism be pleased to state :

(a) Is the Government aware of the fact that there is a small and beautiful waterfall at Tegheria near Khetri at a distance of about 35 K.M. from Guwahati, which has tremendous potentiality to be developed as a Tourist Spot?

(b) Whether the said spot can be a source of revenue for the Tourism Department by developing infrastructures, landscape of the said spot?

(c) Apart from Kaziranga and extremist prone Manas, Orang and other tourists spots, what are other steps taken by the Government to attract tourists from outside, especially when Lokapriya Gopinath

Bordoloi International Airport will start operating International flights from April, 2002?

**Shri Tarun Gogoi (Chief Minister & Minister of Tourism In-charge) replied :**

(a) & (b) The potentiality of Tegheria waterfall in forms of tourist attraction and revenue generation is yet to be assessed.

(c) Currently the Tourism Department is implementing 77 schemes throughout the State under both Central and State sectors for development of Tourism in Assam. In order to attract international Tourists, the Assam Tourism is developing specialised Tourist Circuits which includes Golf- Tourism, Eco-tourism, River tourism, Wildlife tourism, Tea tourism and various pilgrimage circuits.

## Re : Fire Brigade Sub-Station.

**Dr. Ananda Kr. Baruah asked :**

*253. Will the Minister of Home be pleased to state :

(a) Whether the Government is aware about the fact that Raha, Chaparmukh, Barapujia, Phulâguri are the semi Urban Areas of raha L.A.C. of Nagaon District which are very thickly populated and where, there are hundreds of shops and Government establishments situated and there is no existence of a fire brigade substation within a radius of twenty five K.M.?

(b) Considering the urgent need for a fire brigade sub-station, whether Government would be pleased to establish a fire brigade sub-station at Raha which is the central place of Raha circle?

**Shri Tarun Gogoi (Chief Minister) replied :**

(a) Yes, There is however a Fire Service Station at Nagaon town which is within a radius of 25 K.M. of Raha.

(b) Govt. will consider to set up a fire brigade Sub-Station at Raha subject to availability of fund.

## বিষয় ঃ চাহ জনজাতিৰ আসন সংৰক্ষণ।

**শ্ৰী ৰামেশ্বৰ তেলিয়ে সুধিছে ঃ**

* ২৫৪। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসম চাহ জনজাতি ছাত্ৰ সন্থাই চৰকাৰৰ ওচৰত কটন মহাবিদ্যালয়কে ধৰি চৰকাৰী মহাবিদ্যালয় সমূহত চাহ জনজাতিৰ বাবে আসন সংৰক্ষণৰ দাবী তুলিছে নেকি আৰু যদি তুলিছে এনে কোনো ব্যৱস্থা ল'ব নেকি?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসম চাহ জনজাতি ছাত্ৰ সন্থাই চৰকাৰৰ ওচৰত কটন মহ্যবিদ্যালয়কে ধৰি চৰকাৰী মহাবিদ্যালয় সমূহত চাহ জনজাতিৰ বাবে আসন সংৰক্ষণৰ কোনো দাবী তোলা এই বিভাগৰ জ্ঞাত নহয়, গতিকে তেনে কোনো ব্যৱস্থা লোৱাৰ প্ৰশ্ন নুঠে।

## বিষয় ঃ গৱেষণামূলক কাৰ্য্য।

**শ্ৰী মদন কলিতাই সুধিছে ঃ**

* ২৫৫। মাননীয় বিজ্ঞান পৰিবেশ প্ৰযুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসম চৰকাৰৰ বিজ্ঞান ও প্ৰযুক্তি (Science & Technology etc.) বিভাগৰ তৰফৰ পৰা নিজাববীয়াকৈ কি কি গৱেষণামূলক কাৰ্য্য জানুৱাৰী ২০০১ চনৰ পৰা ৩১ জানুৱাৰী ২০০২ চনলৈকে কৰিছে?

(খ) ভৱিষ্যত বিজ্ঞান আৰু প্ৰযুক্তি বিভাগে কি কি গৱেষণামূলক কাৰ্য্যৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) এই বিভাগৰ নিজাববীয়াকৈ কি কি অনুষ্ঠান/প্ৰতিষ্ঠান আছে আৰু উক্ত অনুষ্ঠান/প্ৰতিষ্ঠানত বিজ্ঞানৰ কেনে ধৰণৰ প্ৰযুক্তি পৰিৱেশ সম্পৰ্কীয় কাৰ্য্য সম্পাদন কৰা হয়?

(ঘ) ভূগৰ্ভ আৰু মহাকাশ সম্পৰ্কীয় কাৰ্য্যৰ গৱেষণাৰ কাৰণে এই চৰকাৰে বিভাগটোৰ জৰিয়তে কিবা পৰিকল্পনা লৈছে নেকি?

(ঙ) যদি লোৱা নাই, লোৱাৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী প্ৰদ্যুৎ বৰদলৈ (বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) অসম বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ বিভাগৰ নিজাববীয়াকৈ কোনো গৱেষণা কেন্দ্ৰ নাই যদিও নিম্নলিখিত গৱেষণা প্ৰতিষ্ঠান কেইটাই গৱেষণা কৰি আছে।

(১) অসম বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ পৰিষদ।

(২) প্লাজমা ফিজিক্স কেন্দ্ৰ।

(৩) বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উচ্চ স্তৰৰ গৱেষণা প্ৰতিষ্ঠান।

গৱেষণামূলক কাম সমূহৰ বিতং তথ্য সংলগ্ন 'ক' প্ৰত্ৰত গাঁঠি দিয়া হ'ল। **(See the Annexure-I)**

অসম বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা ও পৰিৱেশ বিভাগৰ অধীনত থকা অনুষ্ঠান সমূহৰ জৰিয়তে নিম্নলিখিত গৱেষণাৰ আঁচনি লোৱা হৈছে।

(১) প্লাজমা পদাৰ্থ বিজ্ঞানত গৱেষণা কৰি স্থানীয় ক্ষুদ্ৰ উদ্যোগৰ পৰা উৎপাদিত হোৱা কাঁহৰ বাচনত ৰঙীন ৰহন চৰাবলৈ দিহা কৰা হৈছে।

(২) ঔষধিযুক্ত গছ-গছনি আৰু ইহঁতক জৈৱিক বিভিন্নতা আৰু জৈৱ সম্ভাৱনাৰ অধ্যয়ন।

(৩) মুগা আৰু পাটপলুৰ ওপৰত অধ্যয়ন।

(৪) মেলেৰিয়া আৰু যাড় বেমাৰৰ প্ৰতি শোধক হিচাপে বন ঔষধৰ ওপৰত গৱেষণা কৰা।

(৫) ধ্বংসৰ গৰাহৰ পৰা আৰু লুপ্ত প্ৰায় গছ-গছনিৰ সংৰক্ষণৰ বাবে টিচু কালচাৰ উদ্ভাৱন কৰা আঁচনি।

বিতং তথ্য সংলগ্ন পত্ৰ 'খ' ত গাঁঠি দিয়া হৈছে। **(See the Annexure-II)**

(গ) বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ বিভাগৰ অধীনত তলত দিয়া চৰকাৰী আৰু অৰ্ধ চৰকাৰী অনুষ্ঠান সমূহ আছে।

(১) চৰকাৰী অনুষ্ঠান ঃ-

(ক) বিজ্ঞান, প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ সঞ্চালকালয়।

(খ) গুৱাহাটী তাৰকা গৃহ।

(২) অৰ্ধ চৰকাৰী অনুষ্ঠান ঃ-

(ক) অসম বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ পৰিষদ।

(খ) অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ।

(গ) প্লাজমা ফিজিক্স কেন্দ্ৰ।

(ঘ) বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উচ্চ স্তৰৰ গৱেষণা প্ৰতিষ্ঠান।

উক্ত অনুষ্ঠান প্ৰতিষ্ঠান সমূহে নিম্নলিখিত কাৰ্য্য সম্পাদন কৰে।

(১) গ্ৰামীন প্ৰযুক্তি বিদ্যা কেন্দ্ৰৰ জৰিয়তে গ্ৰাম্য অঞ্চলত খাপ খোৱাকৈ প্ৰযুক্তিৰ বিকাশ কৰা হয়।

(২) চৰ্ম সামগ্ৰী প্ৰস্তুত কৰণ প্ৰশিক্ষণ কেন্দ্ৰৰ যোগেদি নিৰনুৱা যুৱক-যুৱতীক চামৰাৰ বস্তু আৰু সাজ-পোছাক আদি তৈয়াৰ কৰাৰ প্ৰশিক্ষণ দিয়া হয়।

(৩) যন্ত্ৰ উন্নয়ন আৰু সেৱা কেন্দ্ৰৰ যোগেদি ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠান সমূহত গৱেষণা সমূহত বেয়া হৈ থকা যন্ত্ৰ সমূহ মেৰামতি কৰি সেইবোৰ কাৰ্য্যক্ষম কৰা হয়।

(৪) ৰেডিঅ' জ্যোতিৰ্বিজ্ঞান কেন্দ্ৰ।

(৫) কাঠফুলা প্ৰশিক্ষণ কেন্দ্ৰ।

(৬) আধুনিক ধানৱনা কলৰ আঞ্চলিক সম্প্ৰসাৰণ ও সেৱা কেন্দ্ৰ।

(৭) স্কুল বিজ্ঞান কেন্দ্ৰৰ যোগেদি সমগ্ৰ ৰাজ্যত স্থাপন কৰা ২৮ টা স্কুল বিজ্ঞান কেন্দ্ৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক আৰু জনসাধাৰণক বিজ্ঞান আৰু পৰিৱেশ সম্পৰ্কে জ্ঞান আহৰণৰ সুবিধা দিয়া।

(৮) এই বিভাগৰ অধীনত থকা অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা ও পৰিৱেশ পৰিষদৰ তৰফৰ পৰা গুৱাহাটীৰ কটন মহাবিদ্যালয়ত এটি ৰেডিঅ' জ্যোতিবিজ্ঞান কেন্দ্ৰ স্থাপন কৰি সূৰ্য্যত ঘটি থকা বিশেষ কিছুমান পৰিঘটনা আৰু এই ৰেডিঅ' তৰংগই আমাৰ বায়ুমণ্ডলত কেনেধৰণে প্ৰভাৱ পেলাব পাৰে ইয়াৰ বিষয়ে অধ্যয়ন কৰি থকা হৈছে।

(৯) বিভাগৰ যোগেদি বৰ্ত্তমানলৈকে ভূগৰ্ভ সম্পৰ্কীয় কাৰ্য্যৰ গৱেষণাৰ ব্যৱস্থা লোৱা হোৱা নাই।

**বিষয় ঃ কৰ্মচাৰীৰ সংখ্যা।**

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

* ২৫৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰ্ত্তমান অসমত চতুৰ্থ, তৃতীয় আৰু ১ ম শ্ৰেণীৰ কৰ্মচাৰীৰ সংখ্যা কিমান?

**শ্ৰী যুত তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

বিত্ত বিভাগৰ তথ্য মতে অসমত ১-৫-৯৮ তাৰিখত চৰকাৰী কৰ্মচাৰীৰৰ সংখ্যা তলত দিয়া হ'ল।

| | | |
|---|---|---|
| ১ ম শ্ৰেণী | - | ১৯,৫৩৩ জন। |
| তৃতীয় শ্ৰেণী | - | ৩,৩৩,০৮৫ জন। |
| চতুৰ্থ শ্ৰেণী | - | ৭৭,৯১০ জন। |

**বিষয় ঃ অসম আৰক্ষীৰ আধুনিকীকৰণ।**

**শ্ৰী জগদীশ ভূঞাই সুধিছে ঃ**

* ২৫৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ২০০১ চনৰ মাৰ্চ মাহৰ পৰা ২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈ অসম আৰক্ষীক আধুনিকীকৰণ কৰিবৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) উল্লেখিত সময়ছোৱাত উক্ত কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰ্থিক সাহাৰ্য্য আহিছে নেকি?

(গ) যদি আহিছে কিমান আহিছে?

(ঘ) উক্ত টকা কি কি কামত ব্যয় কৰা হৈছে?

(ঙ) উল্লেখিত সময়ছোৱাত অসম আৰক্ষীৰ বাবে কিমান গাড়ী ক্ৰয় কৰা হৈছে?

(চ) উক্ত সময়ছোৱাত অসম আৰক্ষীৰ আধুনিকীকৰণৰ নামত ৰাজপত্ৰীত বিষয়া সকলৰ বাবে কিমান টকা ব্যয় হৈছে আৰু অ-ৰাজপত্ৰীত বিষয়াৰ বাবে কিমান টকা ব্যয় কৰা হৈছে?

**শ্ৰী যুত তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) ২০০১-২০০২ চনত কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা আৰ্থিক সাহাৰ্য্যৰে বিভিন্ন

প্ৰকাৰৰ ঘৰ, নিয়ন্ত্ৰণ কক্ষ নিৰ্মাণ, গাড়ী, সা-সজুলী ও বিভিন্ন সামগ্ৰী, অসম আৰক্ষী অনাতাঁৰ সংগঠনৰ বাবে যোগাযোগ সামগ্ৰী, ফৰেনচিক বিজ্ঞানাগাৰৰ বাবে সা-সজুঁলি কিমান আদি আঁচনিৰ কাৰ্য্যকৰীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(খ) হয়, আহিছে।

(গ) সহায়ক অনুদান আৰু ঋণ শিতানত মুঠ ৩৮,৫৯,০০.০০০/- টকা কেন্দ্ৰীয় চৰকাৰে মোকলাই দিছে।

(ঘ) এতিয়ালৈকে ব্যয় কৰা হোৱা নাই।

(ঙ) কোনো গাড়ী ক্ৰয় কৰা হোৱা নাই।

(চ) কোনো টকা ব্যয় কৰা হোৱা নাই।

**বিষয় ঃ গৰম পানী স্থান।**

**শ্ৰী মতী অজন্তা নেওগে সুধিছে ঃ**

* ২৫৮। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ এক উল্লেখযোগ্য পৰ্য্যটকৰ আকৰ্ষণৰ স্থল বৰ্ত্তমান কাৰ্বি আংলং জিলাৰ অন্তৰ্গত 'গৰমপানী' স্থান ডোখৰ সম্পূৰ্ণভাৱে অনাদৃত আৰু অপৰিকল্পিত হৈ থকাৰ কথা চৰকাৰৰ অৱগতনে?

(খ) যদি অৱগত উক্ত স্থানৰ উন্নতি কৰি পৰ্য্যটকৰ আকৰ্ষণ বৃদ্ধি কৰাৰ বাবে চৰকাৰে প্ৰচেষ্টা হাতত ল'বনে?

(গ) এক পৰিকল্পিত আঁচনিৰ যোগেদি ৰাজহ বৃদ্ধিৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী যুত তৰুণ গগৈ (পৰ্য্যটন বিভাগৰ দায়িত্বত থকা) য়ে, উত্তৰ দিছে ঃ**

(ক) পৰ্য্যটকৰ আকৰ্ষণ বৃদ্ধি কৰাৰ বাবে গৰম পানী স্থানটোৰ উন্নতিকল্পে কেন্দ্ৰীয় চৰকাৰে ১৯৯০-৯১ বৰ্ষত মুঠ ২৪ লাখ ২ হেজাৰ টকাৰ এখন আঁচনিৰ অনুমোদন জনাইছিল। কিন্তু বন বিভাগে উক্ত স্থানত কোনো ধৰণৰ স্থায়ী নিৰ্মাণ কাৰ্য্য সংৰক্ষিত বনাঞ্চল এলেকাত সম্পূৰ্ণ কৰাৰ অনুমতি নিদিয়াৰ বাবে উক্ত আঁচনিখন ৰূপায়ন কৰিব পৰা নগ'ল।

(খ) আঁচনি ৰূপায়ন কৰিলেহে ৰাজহ বৃদ্ধিৰ ব্যৱস্থা ল'ব পৰা যাব।

**বিষয় ঃ কাতিমাৰি বয়ন প্ৰকল্প।**

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ২৫৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) নগাওঁ জিলাৰ কাতিমাৰি বয়ন প্ৰকল্প উদ্যোগটি বৰ্ত্তমান বন্ধ হৈ থকাটো সচাঁনে?

(খ) যদিহে বন্ধ হৈ আছে বন্ধ হৈ থকাৰ কাৰণ কি?

(গ) উক্ত প্ৰতিষ্ঠানটিত সৰ্বমুঠ কিমানজন বিষয়া কৰ্মচাৰী আছে?

(ঘ) কৰ্মচাৰীসকলে নিয়মীয়াভাবে দৰ্মহা পাই আছেনে?

(ঙ) যদিহে দৰ্মহা পোৱা নাই আদায় দিয়াৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী তৰুণ গগৈ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) হয়, সচাঁ।

(খ) ১) বেংকৰ পৰা কাৰ্য্যকৰী মূলধন পোৱা নগল।

২) পৰ্য্যাপ্ত কেচাঁমালৰ অভাৱ।

(গ) ১) বিষয়া ২ জন।

২) কৰ্মচাৰী ৭৬ জন।

(ঘ) পোৱা নাই।

(ঙ) কৰ্মচাৰী সকলক নিয়মীয়া ভাবে দৰ্মহা আদায় দিয়াৰ ব্যৱস্থা হিচাপে উদ্যোগটো ব্যক্তিগত খণ্ডৰ সহযোগত পুনৰ উৎপাদনক্ষম কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

**বিষয় ঃ আমেৰিকাৰ ৰাষ্ট্ৰদূতৰ অসম ভ্ৰমণ।**

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী আৰু সৰ্বানন্দ সোণোৱাল য়ে সুধিছে ঃ**

* ২৬০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ২০০২ চনৰ মাৰ্চ মাহত ভাৰতত থকা আমেৰিকাৰ ৰাষ্ট্ৰদূতজনে কৰা অসম ভ্ৰমণ চৰকাৰী কাৰ্য্যসূচীৰ অৰ্ন্তগত আছিল নেকি?

(খ) যদি আছিল, এই ভ্ৰমণৰ সময়ছোৱাত চৰকাৰৰ লগত ৰাজ্যখনৰ কি বিষয়ৰ স্বাৰ্থত

তেখেতৰ আলোচনা হৈছিল?

(গ) যদি নাছিল, এই ভ্ৰমণ কি সংক্ৰান্তীয় আছিল সেই সম্পৰ্কে চৰকাৰে অৱগত কৰিব আৰু অসমত থকা কালছোৱাত তেওঁ কাৰ আতিথ্যত আছিল?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) নাছিল।

(খ) প্ৰশ্ন নুঠে।

(গ) সৌজন্যমূলক আৰু অসমত থকা কালছোৱাত তেওঁ চৰকাৰৰ আতিথ্যত নাছিল। এই কালছোৱাত তেখেতে মাননীয় ৰাজ্যপাল আৰু মাননীয় মুখ্যমন্ত্ৰীক সৌজন্যমূলক সাক্ষাৎ কৰিছিল।

## UNSTARRED
## QUESTIONS & ANSWERS

**বিষয় ঃ ওমনি বাছৰ পাৰমিট।**

**শ্ৰী চন্দন কুমাৰ সৰকাৰে সুধিছে ঃ**

৪৬০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ওমনি বাছৰ পাৰমিট কেতিয়াৰ পৰা নতুনকৈ দিয়াৰ ব্যৱস্থা কৰিব?

(খ) ১৯৯৭ চনৰ পৰা ২০০১ চনলৈকে উক্ত বিভাগত কিমান টকা ঘাটি হৈছে আৰু ২০০১ মাৰ্চৰ পৰা ২০০২ চনৰ ১৫-২-২০০২ লৈকে বিভাগৰ কিমান টকা লাভ আৰু লোকচান হৈছে?

**শ্ৰী অঞ্জন দত্ত (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) ১৯৮৮ চনৰ ভাৰতীয় মটৰ গাড়ী আইন (M.V. Act) অনুসৰি সকলো ধৰণৰ যাত্ৰীবাহী বাছৰ অনুজ্ঞা পত্ৰ দিয়াৰ ব্যৱস্থাটো সৰলীকৰণ কৰাৰ পিছত ১৯৮৯ চনৰ পৰা অন্যান্য যাত্ৰীবাহী বাছৰ লগতে ওমনি বাছৰ পাৰমিট দিয়াৰ ব্যৱস্থা অব্যাহত আছে।

(খ) পৰিবহন বিভাগৰ ৰাজহ আদায় কৰাটো মটৰ গাড়ীৰ সংখ্যা বৃদ্ধি বা হ্ৰাসৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে লাভ বা লোকচানৰ কথাটো আহি নপৰে। তথাপিও বিভাগে

মটৰ গাড়ীৰ সম্ভাব্য বৃদ্ধি/হ্ৰাসৰ ওপৰত নিৰ্ভৰ কৰি বছৰি ৰাজহ আয়ৰ এটা অনুমানিক লক্ষ্য নিৰ্দ্ধাৰণ কৰে। সেই অনুসৰি ১৯৯৭ চনৰ পৰা ২০০১ চনলৈ বিভাগৰ মুঠ আয় ঃ-

| বছৰ | লক্ষ্য | (টকা কোটি হিচাবত) |
|---|---|---|
| ১৯৯৭-৯৮ | ৮০.০০ | ৬৪.৯৫ |
| ১৯৯৮-৯৯ | ৭৩.০০ | ৬০.০৯ |
| ১৯৯৯-২০০০ | ৭৩.০০ | ৭৫.৯৯ |
| ২০০০-২০০১ | ৯৬.৯৯ | ৮৪.২৬ |

আৰু ২০০১ মাৰ্চৰ পৰা ১৫-২-২০০২ লৈকে মুঠ ৯১.১১ টকা ৰাজহ সংগ্ৰহ কৰা হয়।

## Re : Fire Brigade Sub-Stations

**Shri Kali Ranjan Deb asked :**

461. Will the Minister of Home be pleased to state :

(a) In reply to unstarred question No.118, Dt.13.3.2002, the Hon'ble Chief Minister had replied that Govt. is examining such proposals for establishment of Fire Brigade Sub-Stations including Kalain?

(b) Whether Govt. have by now decided to establish a Fire Brigade Sub-Stations at Kalain, which is vary thickly populated and very important commercial place and near International Border?

(c) Is it a fact that very recently Govt. have one Fire Brigade Sub-Station at Badarpur, where there are two more Fire Service Stations in nearby area?

**Shri Tarun Gogoi (Chief Minister) replied :**

(a) Yes.

(b) No.

(c) Yes.

## বিষয় ঃ নগৰ সমিতি সমূহৰ বাবে আৱন্টিত ধন।

**শ্ৰী সৰ্বানন্দ সোণোৱালে সুধিছে ঃ**

৪৬২। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

বিগত বিত্তীয় বছৰটোত অসমৰ নগৰ সমিতি সমূহলৈ চৰকাৰে কিমান পৰিমাণৰ ধন আৱন্টন দিছে আৰু নগৰ সমিতি সমূহে নিজাববীয়াকৈ কিমান ৰাজহ আহৰণ কৰিছে?

**শ্ৰী অঞ্জন দত্ত (পৌৰ প্ৰশাসন মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

বিগত বিত্তীয় বছৰত অসমৰ পৌৰ সভা আৰু নগৰ সমিতি সমূহলৈ চৰকাৰে মুঠ ৩,২২,২১,০০০.০০ (তিনি কোটি বাইশ লাখ একৈশ হাজাৰ) টকা আৱন্টন দিছে আৰু পৌৰ সভা আৰু নগৰ সমিতি সমূহে নিজাববীয়াকৈ মুঠ ২৬,৭১,০৮,৫৫৩.০০ (ছাব্বিশ কোটি এসত্তৰ লাখ আঠ হাজাৰ পাচঁশ তেৱন্ন) টকা আহৰণ কৰিছে।

## Re : Sibpur Dighar Khall M.V.I. Gate.

**Shri Parimal Suklabaidya asked :**

463. Will the Minister of Transport be pleased to state :

(a) How many M.V.I. Gate like Sibpur, Dighar Khall Gate in Cachar entry point are there in Assam?

(b) At what entry point or places?

(c) What is the rate of taxation or fine and how it is determined?

(d) How the money so collected and accounted in Govt. Treasuries?

(e) Whether the Government have any record of daily movement of such vehicles through Dighar Khall Gate?

**Shri Anjan Dutta (Minister of State (Ind.) Transport) replied :**

(a) There are 5 M.V. Checkgates other than Digharkhal are functioning in the State of Assam.

(b) Name of the M.V. Checkgate Location Entry point

| | | | |
|---|---|---|---|
| (i) | Digharkhal M.V. Checkgate- | Cachar Dist. | For Entry point of Manipur and Tripura. |
| (ii) | Srirampur M.V. Checkgate - | Kokrajhar Dist. | Entry point of West Bengal |
| (iii) | Boxirhat M.V. Checkgate - | Dhubri Dist. | -Do- |
| (iv) | Khanaparta M.V. Checkgate | Kamrup Dist. | Meghalaya. |
| (v) | Solmari M.V. Checkgate | Goalpara Dist. | Meghalaya |
| (vi) | Juria Dolong M.V. Checkgate | Golaghat Dist. | Nagaland. |

(c) The rate of fine fixed by the Govt. vide Notification No. TWV. 293/99/15 dtd. 26-5-2000. For determining the offence of over loading the weighment slip of the weigh bridge can detect the quantum of overloading.

(d) The revenue so collected at the M.V. Checkgate are deposited into Govt. exchequer through S.B.I.

(e) Yes, the checkgate official at Digharkhal maintain records of daily movements of vehicles, both incoming and outgoing.

## Re : Police Station Building at R.K. Nagar.

**Shri Rathish Ranjan Choudhury asked :**

464. Will the Minister of Home be pleased to state :

(a) Whether the Government sanctioned any fund for construction of Police Station Building at R.K. Nagar PS since it has already been upgrade to a P.S. from Police Outpost?

(b) Will the Govt. instruct the concerned authority of Assam Police Housing Corporation to prepare and submit necessary plan and estimate to the Home Department for placing necessary fund?

(c) Whether the Govt. is aware of the fact that the R.K. Nagar P.S. is functioning from a narrow and inauspicious building without proper facility?

(d) If so, what step is initiating by the Govt. to solve the problem?

**Shri Tarun Gogoi (Chief Minister) replied :**

(a) No fund has yet been sanctioned.

(b) Government have already received the plan and estimate for construction of the R.K. Nagar P.S. building.

(c) Yes, aware of it.

(d) The Scheme has already been approved. The works of construction will be initiated during the year 2003-2004 under award of 11th Finance Commission, if the necessary fund is provided by the Commission in time.

**বিষয় ঃ স্থায়ী গৃহ নিৰ্মাণ।**

**শ্ৰী আকছিয়াচ তিৰ্কীয়ে সুধিছে ঃ**

৪৬৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গোলাঘাট জিলাৰ ধনশিৰি মহকুমাটো গঠন কৰা ইতিমধ্যে ১২ বছৰো অতিক্ৰম কৰি গ'ল যদিও অদ্যপৰিমিত মহকুমাধিপতিৰ কাৰ্য্যালয়গৃহকে ধৰি বহুকেইটা অত্যাৱশ্যকীয় বিভাগৰ কাৰ্য্যালয় ভাড়াঘৰতে চলি থকাটো চৰকাৰে অৱগতনে?

(খ) যদি অৱগত, চৰকাৰে এই কাৰ্য্যালয়সমূহৰ স্থায়ী গৃহ নিৰ্মাণৰ প্ৰস্তাৱ ৰাখিছে নেকি?

(গ) যদি ৰাখিছে, তেন্তে কিমান দিনৰ ভিতৰত সেই প্ৰস্তাৱ সমূহৰ সম্পূৰ্ণ কাৰ্য্যকৰী ব্যৱস্থা সম্পন্ন কৰিব?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) হয়, ৰাখিছে।

(গ) পৰ্য্যাপ্ত পৰিমাণে ধন পোৱাৰ সাপেক্ষে গৃগ নিৰ্মাণৰ কাম খৰটকীয়া কৰিব পৰা যাব।

**বিষয় ঃ জেলৰ বন্দী।**

**শ্ৰী নীলমণি সেন ডেকাই সুধিছে ঃ**

৪৬৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) জেল সমূহৰ কয়দী সকলৰ থকা খোৱাৰ উন্নতিকৰণৰ বাবে কি কি ব্যৱস্থা জেইল মেনুৱেল মতে কৰা হৈছে?

(খ) জেলৰ কয়দী সকলৰ মানসিক সংস্কাৰ সাধনৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) গুৱাহাটী জেলত বাৰিষা হোৱা অস্বাস্থ্যকৰ আৰু কদৰ্য্য ৰূপৰ পৰিবৰ্ত্তনৰ কাৰণে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) ১৯৮৫ চনত সংশোধিত জেল মেনুৱেল মতে কয়দীসকলে থকা খোৱাৰ ক্ষেত্ৰত পাবলগীয়া সকলোবোৰ ব্যৱস্থাৰে উন্নতিকৰণ কৰা হৈছে।

(খ) কয়দী সকলৰ মানসিক সংস্কাৰ সাধনৰ বাবে বাতৰি কাকত, কিতাপ পত্ৰ, খেলাৰ সামগ্ৰী- টেলিভিছন আদি যোগান ধৰাৰ বাহিৰেও প্ৰাথমিক শিক্ষা, যোগাভ্যাস, সাক্ষৰতা অভিযান আদিৰো সুবিধা প্ৰদান কৰা হৈছে।

(গ) কয়দী সকলক ৰখা বেৰেকৰ আশে-পাশে থকা 'দ' অংশবোৰত মাটি পূৰণ কৰাৰ ওপৰিও জেলৰ ভিতৰৰ পৰা পানী নিষ্কাশনৰ ব্যৱস্থা লোৱা হৈছে।

**বিষয় ঃ হোজাই চাব ৰেজিষ্টাৰ কাৰ্য্যালয়।**

**শ্ৰী খলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছে ঃ**

৪৬৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) হোজাই চাব ৰেজিষ্টাৰ কাৰ্য্যালয়ৰ বৰ্ত্তমান চাবৰেজিষ্টাৰ শ্ৰী গজেন পাঠক কেতিয়াৰ পৰা হোজাইত কাৰ্য্যনিৰ্বাহ কৰি আছে?

(খ) বহু বছৰ একেটা কাৰ্য্যালয়ত কাম কৰি শ্ৰী পাঠকৰ বিৰুদ্ধে ৰাইজক হাৰাশাস্তি কৰা সৰ্ম্পকে চৰকাৰ অৱগত নে?

(গ) শ্ৰী পাঠকে কাৰ্য্যভাৰ লোৱা দিনাৰ পৰা আজিলৈকে মাটি বেছা কিনা সৰ্ম্পকে কিমানখন দলিল পঞ্জীয়ন কৰিছে? (তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

**শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) ১০-১-১৯৯৫ তাৰিখৰ পৰা কাৰ্য্যনিৰ্বাহি কৰি আছে।

(খ) ৰাজহুৱা অভিযোগ পোৱা গৈছে।

(গ) ২৩৭৮৫ খন। (তালিকা সংগ্ৰহ কৰি থকা হৈছে।)

## বিষয় ঃ প্ৰশাসনীয় সংস্কাৰ।

**ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ**

৪৬৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

বৰ্ত্তমানৰ চৰকাৰে প্ৰশাসনীয় সংস্কাৰ সম্পৰ্কে কি ব্যৱস্থা হাতত লৈছে?

**শ্ৰী যুত তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

প্ৰশাসনীয় সংস্কাৰ বিষয়টোৰ পৰিসৰ অতি ব্যাপক। প্ৰশাসনীয় তথা সেৱা সমূহৰ ব্যাপক পৰ্য্যালোচনা আৰু এই সকলোবোৰৰ ৰূপান্তৰ ঘটাই চৰকাৰী ব্যৱস্থাত ৰাইজৰ প্ৰত্যক্ষ সহযোগ স্থাপন কৰাটো এটা অতি প্ৰয়োজনীয় ব্যৱস্থা। এই সন্দৰ্ভত ৰাইজৰ ওচৰ চপাই নিয়াৰ পথত। "ৰাইজৰ পদুলিত ৰাইজৰ চৰকাৰ" এক গুৰুত্বপূৰ্ণ পদক্ষেপ। প্ৰশাসনীয় সংস্কাৰৰ দিশত, চৰকাৰৰ বিভিন্ন আঁচনি তথা কামকাজৰ বিষয়ে সজাগতা আনি তথ্য সমূহৰ পৰ্য্যাপ্ত আদান-প্ৰদান আৰু চৰকাৰ আৰু ৰাইজৰ মাজত যোগাযোগৰ যথাৰ্থ ব্যৱহাৰোপযোগী ব্যৱস্থা প্ৰৱৰ্ত্তনৰ কাম দ্ৰুতগতিত আৰম্ভ কৰা হৈছে।

১৯৯৭ চনৰ মুখ্যমন্ত্ৰী সকলৰ সন্মিলনত গৃহিত কৰ্মসূচীক আধাৰ হিচাপে লৈ অসমতো (মুখ্যমন্ত্ৰীয়ে) নিজস্ব কৰ্মসূচী যুগুতাই ইয়াৰ ব্যাপক কাৰ্য্যকাৰীতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। আৰু ইতিমধ্যে চৰকাৰৰ সৈতে ৰাইজৰ যোগাযোগৰ ক্ষেত্ৰত সহায় কৰিবৰ বাবে প্ৰতিখন জিলাতে (বিশেষ) জিলা সহায়ক কেন্দ্ৰ স্থাপন কৰি চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ বিষয়ে ৰাইজক অৱগত কৰাবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

অসমৰ ২৩ খন জিলাতেই "বেব চাইট" আৰম্ভ কৰি এইবোৰত নিয়মীয়াকৈ নিত্য নতুন তথ্যৰ সংযোজন ঘটোৱা হৈছে। এই ক্ষেত্ৰত নেচনেল ইনফৰমেটিকচ চেন্টাৰৰ আন্তঃগাঠনিৰ সা-সুবিধা আৰু সামৰ্থতাৰ পৰ্য্যাপ্ত ব্যৱহাৰৰ ওপৰটো গুৰুত্ব আৰোপ কৰা হৈছে। জিলা প্ৰশাসনে আগবঢ়োৱা সা-সুবিধা তথা আঁচনি

সমূহৰ বিস্তৃত তালিকা 'চিহ্নফলক' ৰ জৰিয়তে ৰাইজক অৱগত কৰিবলৈ ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰা হৈছে আৰু ইয়াৰপৰা সৰ্বসাধাৰণ ৰাইজ বিপুলভাবে উপকৃত হ'ব।

তথ্য সমূহৰ আদান-প্ৰদানৰ ক্ষেত্ৰত ৰাইজক অধিক সুবিধা প্ৰদানৰ লক্ষ্য আগত ৰাখিয়ে "তথ্য জনাৰ অধিকাৰ" শীৰ্ষক বিল ইতিমধ্যে বিধানসভাৰ মজিয়াত উত্থাপন কৰা হৈছে।

ইয়াৰোপৰি চৰকাৰী কৰ্মচাৰীয়ে বাধ্যতামূলক ভাবে মানিচলিবলগীয়া "১২ দফীয়া কৰ্মনীতি" নিৰ্দেশনা ইতিমধ্যে জাৰী কৰা হৈছে আৰু ইয়াৰ জৰিয়তে কৰ্মচাৰী সকলৰ দায়িত্ব সম্পাদন কৰিবলৈ যাওঁতে মানি চলিবলগীয়া আচৰণবিধিও সন্নিৱিষ্ট কৰা হৈছে।

## বিষয় ঃ পুলিচ থানা স্থাপন।

### শ্ৰী বিশ্বজিৎ দৈমাৰীয়ে সুধিছে ঃ

৪৬৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কামৰূপ জিলাৰ তামুলপুৰ সমষ্টিৰ অৰ্ন্তগত নাওকাটাত আজি বহু বছৰ আগৰ পৰাই স্থানীয় ৰাইজে পুলিচ থানা এখন স্থাপন কৰাৰ কাৰণে দাবী জনাই অহাটো চৰকাৰৰ অৱগত নে?

(খ) চৰকাৰে বিষয়টো গুৰুত্ব সহকাৰে লৈ নাওকাটাত এখন পুলিচ থানা স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে?

(গ) যদি কৰে, কেতিয়া কৰিব?

### শ্ৰী যুত তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) (গ) বৰ্ত্তমানলৈকে চৰকাৰে কোনো প্ৰস্তাৱ লোৱা নাই। আৰু প্ৰস্তাৱ পালে বিত্তীয় অৱস্থা সাপেক্ষে বিবেচনা কৰি চোৱা হ'ব।

## বিষয় ঃ বিধায়ক ও সাংসদ পুঁজি।

### শ্ৰী জিতেন গগৈয়ে সুধিছে ঃ

৪৭০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বোকাখাত সমষ্টিত যোৱা ৫ টা বছৰত বিধায়ক ও সাংসদ পুঁজিৰ টকা কিমান

অনুষ্ঠান/প্ৰতিষ্ঠানক দিলে আৰু আঁচনিৰ কাম সম্পূৰ্ণ হৈছেনে?

(খ) যিবোৰ অনুষ্ঠান/প্ৰতিষ্ঠানে ভূৱা কমিটি গঠন কৰি বিধায়ক ও সাংসদ পুঁজিৰ ধন আত্মসাৎ কৰিলে সেই ব্যক্তিসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে :**

(ক) বোকাখাত সমষ্টিত যোৱা ৫ টা বছৰত বিধায়ক ও সাংসদ পুঁজিৰ অৰ্ন্তগত টকা দিয়া অনুষ্ঠান/প্ৰতিষ্ঠান সমূহৰ খতিয়ান এনে ধৰণৰ :-

| | বিধায়ক পুঁজি | সাংসদ পুঁজি |
|---|---|---|
| ১) অনুষ্ঠান/প্ৰতিষ্ঠানৰ মুঠ সংখ্যা | ১৯৯ | ১৪৯ |
| ২) কাম সম্পূৰ্ণ কৰা অনুষ্ঠান প্ৰতিষ্ঠানৰ মুঠ সংখ্যা | ১৯৯ | ১৪৯ |

(খ) কোনো অনুষ্ঠান/প্ৰতিষ্ঠানে ভূৱা কমিটি গঠন কৰি টকা আত্মসাৎ কৰাৰ কোনো প্ৰমাণ এতিয়ালৈকে নাই। তেনেকুৱা কোনো প্ৰমাণ পালে আইনমতে উপযুক্ত পদক্ষেপ লোৱা হ'ব।

## বিষয় : উগ্ৰপন্থীয়ে হত্যাকৰা পৰিয়ালৰ সংস্থাপন।

**শ্ৰী বসন্ত দাসে সুধিছে :**

৪৭১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

দৰং জিলাৰ ওদালগুৰি মহকুমাত ২১-১-২০০২ তাৰিখে উগ্ৰপন্থীয়ে হত্যা কৰা পৰিয়াল কেইটাৰ সংস্থাপনৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে :**

উগ্ৰপন্থীয়ে হত্যা কৰা লোক কেইজনৰ পৰিয়াল কেইটালৈ তৎকালীন সাহাৰ্য্য হিচাবে জনে প্ৰতি ৫০০০ টকাকৈ মুঠ ৯০,০০০ হেজাৰ টকাৰ সাহাৰ্য্য দিয়া হৈছে। লগতে নিহত লোক কেইজনৰ নিকটতম আত্মীয়লৈ চৰকাৰী নিয়ম অনুযায়ী ১,০০,০০০ টকাকৈ এককালীন সাহাৰ্য্য দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে।

## Re : Upgradation of Sarupeta Out Post to P.S.

**Shri Sarbananda Choudhury asked :**

472. Will the Minister of Home be pleased to state :

What achievements have been made for the upgradation of Sarupeta Out Post to Police Station?

**Shri Tarun Gogoi (Chief Minister) replied :**

Depending on fund position steps will be taken for up-gradation of the Sarupeta Out Post to full-fledged Police Station as per assurance made in the Assembly during September, 2000 session.

## বিষয় ঃ কাৰাগাৰ নিৰ্মাণ।

**শ্ৰী ৰিহন দৈমাৰীয়ে সুধিছে ঃ**

৪৭৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ওদালগুৰি মহকুমা কাৰাগাৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱাটো চৰকাৰ অৱগতনে?

(খ) যদি হয়, কোন চনত হৈছিল?

(গ) কাৰাগাৰটো মুকলি কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছেনে, যদি লৈছে কেতিয়া কৰিব?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী তথা গৃহ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) ওদালগুৰি মহকুমা কাৰাগাৰৰ নিৰ্মাণ কাৰ্য্য এতিয়াও সম্পূৰ্ণ হোৱা নাই।

(খ) (গ) কাৰাগাৰখনৰ নিৰ্মাণ কাৰ্য্য ১৯৮৬-৮৭ চনত আৰম্ভ কৰা হৈছিল যদিও পুঁজিৰ অভাৱত ১৯৯৩ চনৰ পৰাই নিৰ্মাণ কাৰ্য্য বৰ্ত্তমানলৈ বন্ধ হৈ আছে।

## বিষয় ঃ বিদেশী পৰ্য্যটক।

**শ্ৰী ৰূপন ছিং ৰংহাংয়ে সুধিছে ঃ**

৪৭৪। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা ৬ বছৰে অৰ্থাৎ ১৯৯৫ চনৰ পৰা ২০০১ চনলৈ অসমলৈ কিমানজন বিদেশী পৰ্য্যটক আহিছে?

(খ) পৰ্য্যটক আগমনৰ পৰা চৰকাৰৰ যোৱা ৫ বছৰত কিমান আয় হৈছে?

(গ) Kaziranga, Manas Sanctuary আদি Tourist spot টোৰ উন্নয়ণৰ বাবে চৰকাৰে চিন্তা চৰ্চা কৰিছে নেকি?

(ঘ) যদি কৰিছে, তেতিয়াহ'লে Tourist attraction ৰ বাবে কি কি প্ৰকল্প হাতত লৈছে?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী তথা পৰ্য্যটন বিভাগৰ দায়িত্বত থকা) য়ে, উত্তৰ দিছে ঃ**

(ক) পৰ্য্যটন বিভাগৰ পৰিসংখ্যা কোষৰ পঞ্জীয়ন বহী মতে ১৯৯৫ চনৰ জানুৱাৰী মাহৰ পৰা ২০০১ চনৰ ডিচেম্বৰ মাহলৈ মুঠ ৩৩,৮৪৫ জন বিদেশী পৰ্য্যটকে অসম ভ্ৰমণ কৰিছে।

(খ) পৰিসংখ্যা কোষৰ পঞ্জীয়ন মতে অসম চৰকাৰৰ পৰ্য্যটন নিবাস সমূহৰ পৰা আৰু অসম পৰ্য্যটন নিগমৰ তত্বাবধানত থকা পৰ্য্যটক নিবাস আৰু আন আন সা-সা-সুবিধাৰ পৰা যোৱা ৫ বছৰত মুঠ ১,০৪,৪৩,২৫২ টকা আয় হৈছে।

(গ) হয়।

(ঘ) পৰ্য্যটকৰ আকৰ্ষণৰ বাবে অসম চৰকাৰ কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহায্যত তলত উল্লেখিত আঁচনি সমূহ হাতত লৈছে ঃ

(১) কাজিৰঙাত পৰ্য্যটকৰ অভ্যৰ্থনা কেন্দ্ৰ সম্পূৰ্ণ কৰা হৈছে।

(২) কাজিৰঙা, মানস, ওৰাং আৰু পবিতৰাৰ বাবে হাতী ক্ৰয়ৰ ব্যৱস্থা।

(৩) পৰ্য্যটকৰ বাবে ৬ টা কুটীৰ নিৰ্মাণ।

(৪) অৰণ্য পৰ্য্যটন নিবাসটিৰ আধুনিক সা-সুবিধা কৰা।

(৫) কাজিৰঙা পৰ্য্যটক এলেকাৰ উন্নতিকৰণ।

(৬) কাজিৰঙাৰ বাবে Master Plan তৈয়াৰ কৰা।

## বিষয় ঃ বিভিন্ন স্থানত স্থাপন কৰা উদ্যোগ।

**শ্ৰী হেমন্ত তালুকদাৰে সুধিছে ঃ**

৪৭৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) পশ্চিম গুৱাহাটী সমষ্টিৰ বিভিন্ন স্থানত স্থাপন কৰা উদ্যোগ সমূহৰ পৰা নিৰ্গত দূষিত পানী আৰু ধোৱা ছাই ও বাসিন্দা সকলৰ যথেষ্ট ক্ষতি কৰিছে, এই বিষয়টো

চৰকাৰৰ অৱগতনে?

(খ) যদি অৱগত, এই বিষয়ে চৰকাৰে কিয় উপযুক্ত ব্যৱস্থা লোৱা নাই?

(গ) উক্ত বিষয়ত চৰকাৰে জৰুৰীভাৱে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) ব্যৱস্থা লৈ থকা হৈছে।

(গ) চৰকাৰে মাননীয় বিধায়ক গৰাকীৰ পৰা যোৱা বছৰ জুলাই মাহত অঞ্চলটোৰ উদ্যোগবোৰৰ বিৰুদ্ধে অভিযোগ পোৱাৰ পিছতে বিহীত ব্যৱস্থা ল'বলৈ অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদক কাম-কাজ অধিক ক্ষীপ্ৰতাৰে সমাপন কৰিবলৈ সকিয়াই দিয়া হৈছিল। সেইমতে পৰিষদে জৰীপ কৰি প্ৰদূষণকাৰী উদ্যোগবোৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব বুলি জনাইছিল। জানিব পৰা মতে সেই মৰ্মে পৰিষদে কাম-কাজ কৰি আছে।

## Re : Kidnapping Cases.

**Shri Pramila Rani Brahma asked :**

476. Will the Minister of Home be pleased to state :

(a) How many police cases have been registered for girl's kidnapping cases in Assam since 1996 to 2001?

(b) How many rape cases have been registered in the Police Stations of the State since 1996 to 2001?

(c) How many culprits have been arrested and punished since 1996?

(d) How many married women were being killed for dowry by their husbands and in laws since 1996-2001?

(e) How many girls were killed after being raped since 1996-2001?

(f) How many rape victims were provided ex-gratia grant for their rehabilitation since 1996 to 2001?

**Shri Tarun Gogoi (Chief Minister) replied :**

(a) 5094.

(b) 3161.

(c) Culprits arrested 6668 and culprits punished convicted 100.

(d) 244.

(e) 27

(f) 16.

**বিষয় ঃ ছত্ৰশালত Tourist Spot তৈয়াৰী।**

**শ্ৰী দীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

৪৭৭। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ধুবুৰী জিলাৰ দৰ্শনীয় ঐতিহাসিক ঠাইবোৰৰ প্ৰতি ভ্ৰমণকাৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ Tourism বিভাগে কিবা প্ৰচেষ্টা হাতত লৈছেনে?

(খ) যদি লৈছে, কেনে ধৰণৰ আৰু যদি লোৱা নাই, কিয় লোৱা নাই?

(গ) কোচ সেনাপতি যুৱৰাজ চিলাৰায়ৰ বিবাহ কাৰ্য্য সম্পন্ন হোৱা আৰু অসমীয়া সংস্কৃতিৰ ধাৰক বাহক হিচাপে ৫০০ বছৰৰ পুৰণা সত্ৰ থকা ইতিহাস প্ৰসিদ্ধ ঠাই ছত্ৰশালত তৈয়াৰী কৰাৰ কোনো পৰিকল্পনা অসম চৰকাৰৰ আছেনে?

(ঘ) যদি আছে, এই কাম কেতিয়াকৈ আৰম্ভ কৰিব আৰু যদি নাই, কিয় নাই?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী তথা পৰ্য্যটন বিভাগৰ দায়িত্বত থকা) য়ে, উত্তৰ দিছে ঃ**

(ক) হয়, লোৱা হৈছে।

(খ) ধুবুৰী জিলাৰ চাপৰ অঞ্চলত এটি পৰ্য্যটকৰ আপ্যায়ন কেন্দ্ৰ নিৰ্মাণৰ আঁচনি লোৱা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা এই কেন্দ্ৰটোৰ বাবে মঞ্জুৰীও পোৱা হৈছিল। কিন্তু পুঁজিৰ নাটনিৰ বাবে অসম চৰকাৰৰ অংশৰ ধন দিব নোৱাৰাত উক্ত আঁচনিৰ ধন কেন্দ্ৰীয় চৰকাৰে অন্য আঁচনিলৈ খৰচ কৰাৰ বাবে অনুমোদন দিছে।

(গ) ২০০১–২০০২ বিত্তীয় বৰ্ষত এনে কোনো আঁচনি নাছিল আৰু ২০০২–২০০৩ বিত্তীয় বৰ্ষৰ আঁচনি সমূহ এতিয়াও প্ৰস্তুত কৰা হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

## বিষয় ঃ MLA ৰ খৰচ নোহোৱাকৈ পৰি থকা টকা।

**শ্ৰী আলি আকবৰ মিঞাই সুধিছে ঃ**

* ৪৭৮। মাননীয় পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ কোন কোন জিলাত MLA Fund ৰ কিমানকৈ টকা খৰচ নোহোৱাকৈ পৰি আছে? (জিলাৰ বিপৰীতে সমষ্টি ভিত্তিত তালিকা প্ৰস্তুত কৰি উত্তৰ দিব)

(খ) উক্ত টকাবোৰ সময়মতে খৰছ নকৰাৰ বাবে দায়ী কোন?

(গ) উক্ত ফান্দৰ অধীনৰ কোনো কামৰ বিপৰীতে Monitoring ৰ প্ৰয়োজন হলে সেয়া সাধাৰণতে কিমান দিনৰ ভিতৰত সমাধান কৰাৰ নিয়ম পূৰ্বৰ পৰা চলি আহিছে?

(ঘ) ধুবুৰী জিলাত খৰছ নোহোৱাকৈ পৰি থকা টকাৰ বিপৰীতে কোনো কামৰ বিলৰ টকা আদায় দিব লগীয়া আছে নেকি?

(ঙ) যদি আছে, তেন্তে উক্ত কামবোৰ কেতিয়া শেষ হৈছে আৰু তাৰ বিপৰীতে টকা আদায় পাবলৈ executing agency য়ে কোন কোন তাৰিখত requirement submit কৰিছে?

(ধুবুৰী জিলাৰ সমষ্টি ভিত্তিত কামৰ নামৰ বিপৰীতে আদায় পাবলগীয়া টকাৰ পৰিমাণ আৰু requirement submit কৰাৰ তাৰিখ উল্লেখ কৰি তথ্য দাখিল কৰিব)

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী তথা পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী), য়ে উত্তৰ দিছে ঃ**

(ক) অসমত এতিয়ালৈকে MLA Fund ৰ মুঠ ১৯২১.৪৩ লাখ টকা খৰছ নোহোৱাকৈ আছে, তাৰ তথ্য জিলাৰ বিপৰীতে সমষ্টি ভিত্তিত তালিকা 'ক' ত উল্লেখ কৰা হ'ল) (See the Annexure-III)

(খ) উক্ত টকাবোৰ সময়মতে খৰছ কৰিব নোৱাৰাৰ প্ৰধান কাৰণ সমূহ হ'ল - বিধায়ক সলনি, বিধায়ক সকলৰ দ্বাৰা সঘনাই আঁচনিৰ সাল-সলনি, বানপানী, ৰূপায়ণকাৰী বিভাগ/সমিতি সমূহে ৰূপায়ণৰ অগ্ৰগতি আৰু খৰচৰ খতিয়ান সময়মতে দাখিল নকৰা আৰু নিৰ্বাচনৰ আচৰণ বিধি প্ৰয়োগ ইত্যাদি।

(গ) তেনে কোনো ধৰা-বন্ধা নিয়ম নাই।

(ঘ) আছে।

(ঙ) ধুবুৰী জিলাৰ সমষ্টি ভিত্তিত কামৰ নামৰ বিপৰীতে আদায় পাবলগীয়া টকাৰ পৰিমান আৰু requirement কৰাৰ তাৰিখ উল্লেখ কৰি তথ্য তালিকা 'খ' ত গাঁঠি দিয়া হ'ল। (See the Annexure-IV)

## বিষয় ঃ মহকুমা পৰ্য্যায়ৰ আদালত।

**শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্মাই সুধিছে ঃ**

৪৭৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গোঁসাইগাঁও মহকুমাৰ পৰ্য্যায়ৰ আদালত কেতিয়া মুকলি কৰা হ'ব?

(খ) উক্ত আদালত সোনকালে মুকলি কৰাৰ ব্যৱস্থা ল'ব নেকি?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) গোঁসাইগাঁও মহকুমাৰ ন্যায়িক আদালত মুকলি কৰাৰ দিন মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে ধাৰ্য্য কৰা নাই।

(খ) মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰস্তাৱ পালেই আদালত মুকলি কৰাৰ ব্যৱস্থা ল'ব পৰা যাব। ইতিমধ্যে ৰাজ্য চৰকাৰে আদালতৰ বাবে আৱশ্যকীয় এজলাচ (Ejlash) চকী টেবুলকে ধৰি যাৱতীয় বস্তু যোগাৰ কৰিবলৈ সংশ্লিষ্ট ন্যায়িক বিষয়াৰ অনুৰোধ মৰ্মে পুঁজি আৱন্টন দিছে।

## বিষয় ঃ নতুনকৈ মহকুমা স্থাপন।

**শ্ৰী মদন কলিতাই সুধিছে ঃ**

৪৮০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ বিভিন্ন জিলাত আইন শৃংখলাৰ কথা বিবেচনা কৰি চৰকাৰে নতুনকৈ মহকুমা স্থাপন কৰাৰ সম্পৰ্কত ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

(খ) যদি বিবেচনা গ্ৰহণ কৰে আইন শৃংখলা তথা জনসাধাৰণক প্ৰশাসনৰ ওচৰ চপোৱাৰ স্বাৰ্থত নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰু ইয়াৰে বিস্তীৰ্ণ অঞ্চল সামৰি ঘগ্ৰাপাৰত নতুনকৈ মহকুমা এটা স্থাপন কৰাৰ কথা চৰকাৰে বিবেচনা কৰিবনে?

(গ) যদি কৰে, কেতিয়াকৈ কৰিব?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) চৰকাৰে এই বিষয়ত কোনো বিবেচনা কৰা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

## বিষয় ঃ Reliance Assam Gas Cracker.

**শ্ৰী ৰামেশ্বৰ তেলিয়ে সুধিছে ঃ**

৪৮১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) Reliance Assam Gas Cracker Project at লেপেটকতা অইল ইণ্ডিয়া লিমিটেডে ৬০০ টকাত ১০০০ S.M.qmt. গেচ যোগান ধৰাটো চৰকাৰ অৱগতনে?

(খ) অতি পুৰণি অসম পেট্ৰকেমিকেল লিমিটেড় নামৰূপ 1750.00 টকাত কৰ সহ গেচ দিয়া হয় যাৰ ফলত বৃহৎ অনুষ্ঠানটো বন্ধপ্ৰায় অৱস্থাৰ বিষয়েও চৰকাৰ অৱগতনে?

(গ) অসম চৰকাৰৰ ৮৮% চেয়াৰ আৰু জনসাধাৰণৰ ১২% চেয়াৰ থকা (খ) ত উল্লেখিত অনুষ্ঠানটোক জীয়াই ৰখাত কি ব্যৱস্থা কৰিছে আৰু যদি নাই কৰা কিয়?

**শ্ৰী তৰুণ গগৈ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) হয়, অৱগত।

(গ) অসম চৰকাৰে অনুষ্ঠানটো জীয়াই ৰখাৰ বাবে গেছৰ মূল্য প্ৰতি ঘন মিটাৰত ৬০০ টকা ধাৰ্য্য কৰাৰ বাবে ভাৰত চৰকাৰক অনুৰোধ জনাইছে। ইয়াৰ উপৰি ভাৰতবৰ্ষৰ বিভিন্ন স্থানত চলি থকা এই উদ্যোগ বিলাকক জীয়াই ৰখাৰ বাবে বিভিন্ন ব্যৱস্থা ল'বলৈ অনুৰোধ জনাই আহিছে। লগতে এই উদ্যোগটোৱে যাতে NE Industrial Policy ৰ অৰ্ন্তগত সকলো বিলাক সা-সুবিধা পায় তাৰ বাবে ভাৰত চৰকাৰক অনুৰোধ জনাইছে।

## Re : Tourism resort at Sonbil Kalibari Bazar in Karimganj District.

**Shri Ratish Ranjan Choudhury asked :**

* 482. Will the Minister of Tourism be pleased to state :

(a) Whether State Govt. will resubmit the proposal of developing Tourism resort at Sonbil Kalibari Bazar alongwith other schemes to the Union Ministry of Tourism, Govt. of India for prioritization for the year 2002-2003, since it has not been considered in 2001-2002?

(b) Whether any cost appraisal report has been prepared relating to the proposed Tourist report at Sonbil Kalibari Bazar?

(c) If so, what is the probable cost earmarked?

**Shri Tarun Gogoi (Chief Minister and Minister of Tourism in-charge) replied :**

(a) The list of schemes for prioritization for the year 2002-2003 has not yet been finalised.

(b) & (c) Does not arise in view of reply at 'A' above.

## বিষয় ঃ সৰ্থেবাৰীৰ কাঁহ শিল্পৰ বিকাশ।

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

৪৮৩। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) সৰ্থেবাৰীৰ কাঁহ শিল্প ভাৰতৰ কুটীৰ শিল্প সমূহৰ ভিতৰত অন্যতম শিল্প হিচাপে অভিহিত হৈ আহিছে। এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই কুটীৰ শিল্পটো বিকাশৰ বাবে বৰ্ত্তমান চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি?

**শ্ৰী তৰুণ গগৈ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) চৰকাৰৰ ফালৰ পৰা কাঁহ শিল্পৰ উন্নতিৰ বাবে স্বাধীনতাৰ দিনৰে পৰা ঋণ আদিৰ

ব্যৱস্থা শিল্পী সকললৈ আগবঢ়াই অহা হৈছে। বৰপেটা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ জৰিয়েত শিল্পীসকলক উদ্যোগ গোট বিলাকৰ পঞ্জীয়ন, বীজ ধন, উদ্যোগিক ঋণ, প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ যোজনা আৰু শিক্ষিত নিবনুৱাৰ স্ব-নিয়োজন আঁচনিৰ জৰিয়তে বিভিন্ন বেংক, বিত্তীয় প্ৰতিষ্ঠানৰ যোগেদি ঋণ আদি দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। কেইজনমান শিল্পীক যোৱা বছৰ কাঁহ শিল্পৰ ওপৰত বিদেশী নিপুণ ফাৰ্মত প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ দি উন্নত ধৰণৰ কাঁহ শিল্প গঢ়াৰ চেষ্টা কৰা হৈছে। তাৰোপৰি শিল্পী সকলৰ সুবিধাৰ্থে এটি ৰোলিং মিল কাৰ্য্যক্ষম কৰাৰ বাবে চৰকাৰে চেষ্টা চলাই আছে। কাঁহ শিল্পৰ ওপৰত কেইজনমান শিল্পীয়ে ৰাষ্ট্ৰীয় পুৰস্কাৰ আদি পাবলৈ সক্ষম হৈছে।

## বিষয় ঃ আৰক্ষী চকী।

**শ্ৰী আকলিয়াছ তিৰ্কীয়ে সুধিছে ঃ**

৪৮৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) সৰুপথাৰ বিধানসভা সমষ্টিৰ নিকটবৰ্ত্তী চুঙাজান আৰু মৰঙ্গী মৌজাৰ অসম নগালেণ্ডৰ সীমান্তৰ নিকটৱৰ্ত্তী চুঙাজান আৰু মৰঙ্গী মৌজাৰ কাৰ্বিআংলং সীমামূৰীয়া বগীজান অঞ্চলৰ ৰাইজে উক্ত দুয়ো স্থানতে দুটা আৰক্ষী চকী বহুৱাবলৈ দাবী জনাই অহা বিষয়ত চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে উক্ত স্থানত আৰক্ষী চকী স্থাপন কৰাৰ ব্যৱস্থা কৰিছে নেকি?

(গ) যদি কৰা নাই, তেন্তে শীঘ্ৰে এই বিষয়ত বিহিত ব্যৱস্থা ল'বনে?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) চুঙাজানত আৰক্ষী চকী স্থাপনৰ বাবে প্ৰস্তাৱ পেৱা হৈছে আৰু ই চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(গ) বগীজানত আৰক্ষী চকী স্থাপনৰ বাবে চৰকাৰে কোনো প্ৰস্তাৱ এতিয়ালৈকে পোৱা নাই।

## বিষয় ঃ আই, পি, এচ আৰু এ, পি, এচ বিষয়াৰ সংখ্যা।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৪৮৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজ্যখনত সৰ্বমুঠ কিমান আই, পি, এচ আৰু এ, পি, এচৰ পুলিছ বিষয়া আছে?

(খ) উক্ত বিষয়া সকলৰ বৰ্ত্তমানৰ পদ সমূহ কি?

**শ্ৰী যুত তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান ৰাজ্যখনত সৰ্বমুঠ ৯৩ জন আই, পি, এচ বিষয়া আৰু ২৯৯ জন এ, পি, এচ বিষয়া আছে।

(খ) উক্ত বিষয়া সকলৰ পদ সমূহ এনে ধৰণৰ ঃ আৰক্ষী সঞ্চালক প্ৰধান আৰু মহানিৰ্দেশক, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান, আৰক্ষী মহাপৰিষদ, আৰক্ষী উপ-মহা পৰিদৰ্শক, আৰক্ষী সহঃ মহা পৰিদৰ্শক, আৰক্ষী অধীক্ষক, বিশেষ আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক, অধ্যক্ষ (আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়), অধিনায়ক, দ্বিতীয় অধিনায়ক, মহকুমা আৰক্ষী বিষয়া, উপ-আৰক্ষী অধীক্ষক, সহ-অধিনায়ক।

## Re : Re-opening of the Plywood Industries.

**Shri Rajendra Prasad Singh asked :**

486. Will the Minister of Industries be pleased to state :

(a) What steps the Govt. has taken to re-open the Plywood Industries as because the economic of Assam had been afected due to closure of these Industries.

**Shri Tarun Gogoi (Minister, Industries & Commerce) replied :**

(a) The Plywood Industries which were cleared by the High Power Committee constituted by the Hon'ble Supreme Court in relation to the W.P.(C) No.202/95, have already been allowed to open and run provided they are either located in or shifted to Industrial Estates notified by the State Govt. in concurrence with the Ministry of Environment & Forests, Govt. of India. But most of such mills have not been able to function due to non-availability of the required quantity of raw materials (timber).

## Re : MLA Fund.

**Shri Bimolangshu Roy asked :**

487. Will the Minister of Planning & Development be pleased to state:

(a) Is it a fact that Govt. has not yet released the balance ten Lakh of rupees towards MLA fund for the year 2001-02?

(b) If so, when the Govt. will release the fund?

(c) Why the money under MLA's fund is not kept in account to accure Bank interest like MP's area development fund and instructed to be kept under "8443 civil deposit-800 other deposit"?

(d) Will the Government issue revised instruction for the benefit of the people & MLA's area development programme?

**Shri Tarun Gogoi (Chief Minister & Minister of Planning & Development) replied :**

(a) No. Sir.

(b) Ceiling for release of 2nd instalment of MLAADF has been issued by the Department of Finance in March, 2002.

(c) The money allocated to MLA's Fund is under annual plan budget and therfore, as per the Treasury Rules, the State Finance Department has directed to keep MLA fund under "8443-civil deposit". This also helps to improve the ways and means position of the State while the fund is not utilised.

(d) Does not arise.

## বিষয় ঃ জিলা উদ্যোগিক পাম।

**শ্ৰী ৰিপুণ বৰাই সুধিছে ঃ**

৪৮৮। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ কিমান জিলাত Industrial Estate (জিলা উদ্যোগিক পাম) আছে আৰু এইবোৰ বৰ্ত্তমান কাৰ্য্যক্ষম হৈ আছেনে?

(খ) জিলা আৰু মহকুমা সদৰত থকা উদ্যোগ বিষয়া যেনে General Manager,

DIC, Industrial Extension officer, Asstt. Director of Industries আদি বিষয়া সকলে বৰ্ত্তমান ৰাজ্যখনত উদ্যোগিক বিকাশৰ বাবে কি কি কাম কৰি আছে?

শ্ৰী তৰুণ গগৈ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ

(ক) অসমৰ ১৪ খন জিলাত ১৬ খন উদ্যোগীক পাম Industrial Estate আছে আৰু এই আটাইকেইখন বৰ্ত্তমান কাৰ্য্যক্ষম হৈ আছে।

(খ) বৰ্ত্তমান অসমত উদ্যোগিক বিকাশৰ বাবে অসম চৰকাৰৰ নিজস্ব আৰু ভাৰত চৰকাৰৰ সহযোগত বহুতো আঁচনি ৰূপায়ন কৰি থকা হৈছে। জিলা আৰু মহকুমা সদৰত থকা উদ্যোগ বিভাগৰ বিষয়া সকলে অসম চৰকাৰৰ উদ্যোগিক নীতি ৰূপায়ন কৰি উদ্যোগিক বিকাশৰ বাবে কাম কৰি আছে। ইয়াৰ উপৰিও ভাৰত চৰকাৰৰ উত্তৰপূৰ্ব্ব উদ্যোগনীতিৰ (NE Industrial Policy) ৰূপায়ন, প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ যোজনা, মুখ্যমন্ত্ৰীৰ স্বনিয়োজন যোজনা ৰূপায়ন, নতুন উদ্যোগীৰ প্ৰশিক্ষণ আদি বিভিন্ন ধৰণৰ কাম কৰি আছে। তাৰ উপৰি Community Information Centre (CIC) প্ৰতিষ্ঠাপনো এই বিভাগৰ এটা প্ৰধান কাম বৰ্ত্তমানে ৰূপায়ন কৰি থকা হৈছে।

## Re : Freedom Fighters Pension.

**Shri Monilal Gowala asked :**

489. Will the Chief Minister be pleased to state :

(a) Whether it is a fact that certain Freedom Fighters are getting Freedom Fighters Pension from the state Government but deprived of the Central Government Freedom Fighters Pension?

(b) If so, the reason of non-recommending the cases by the State Government to the Central Government?

**Shri Tarun Gogoi (Chief Minister) replied :**

(a) Yes.

(b) State Government recommends application for Central Freedom Fighter Pension from the Freedom Fighters who fulfil the elibility criteria laid down under the Swatantrata Sainik Sanman Pension

Scheme, 1980.

Eligibility criteria for granting the central Freedom Fighters Pension and State Freedom Fighters Pension are different.

## বিষয় ঃ মুৰব্বী বিষয়াৰ পদ।

**শ্ৰী জগদীশ ভূঞাই সুধিছে ঃ**

৪৯০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) শদিয়া মহকুমাত ৰাজ্য চৰকাৰৰ কি কি বিভাগৰ মুৰব্বী বিষয়া নাই? (বিভাগ অনুযায়ী জনাব)

(খ) উক্ত পদ সমূহলৈ বিষয়া প্ৰেৰণৰ সিদ্ধান্ত চৰকাৰে ল'বনে?

(গ) বদলিৰ চৰকাৰী নিৰ্দেশনাৰ পিছতো যদি কোনো বিষয়াই উক্ত স্থানত যোগদান নকৰে, ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সংশ্লিষ্ট বিভাগ সমূহৰ অধীনস্থ বিভাগীয় খালি পদৰ সংখ্যাৰ তথ্য বিভাগ সমূহৰ পৰা সংগ্ৰহ কৰি থকা হৈছে। অৱশ্যে মহকুমাধিপতিৰ পদটো বৰ্ত্তমান খালি হৈ থকা নাই।

(খ) প্ৰয়োজন সাপেক্ষে সিদ্ধান্ত লোৱা হ'ব।

(গ) চৰকাৰী বিধি অনুযায়ী বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## বিষয় ঃ বিষয়া কৰ্মচাৰী নিয়োগ।

**শ্ৰী নীলমণি সেন ডেকাই সুধিছে ঃ**

৪৯১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বোম্বাইস্থ অসম ভৱনটো বৰ্তমান কি পৰ্য্যায়ত আছে?

(খ) এই ভৱনত কিমানজন বিষয়া কৰ্মচাৰীক নিয়োগ কৰা হৈছে?

(তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

(গ) বৰ্ত্তমান অৱস্থাত ভৱনত অতিথি থকাৰ সম্পূৰ্ণ ব্যৱস্থা পূৰ্ণ হৈছে নেকি?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ভৱনটোৰ নিমার্ণ কার্য্য সম্পূর্ণ হৈছে।

(খ) কোনো বিষয়া কর্মচাৰীক নিয়োগ কৰা হোৱা নাই।

(গ) হোৱা নাই।

## বিষয় ঃ ব্যয় কৰা টকাৰ পৰিমাণ।

**ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ**

৪৯২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) তথ্য আৰু জনসংযোগ বিভাগে এতিয়ালৈকে বৰ্ত্তমানৰ চৰকাৰৰ দিনত কিমান টকা বিজ্ঞাপনৰ বাবদ ব্যয় কৰিছে?

(খ) এই বিভাগে বিজ্ঞাপনৰ বাবদ বৰ্ত্তমান চৰকাৰৰ দিনত কাক কিমান টকা আদায় দিছে?

(গ) বৰ্ত্তমান চৰকাৰে প্ৰচাৰ কৰা পত্ৰিকা, প্ৰেছ বিজ্ঞপ্তি আৰু বিজ্ঞাপনৰ প্ৰতিলিপি সদনৰ মজিয়াত দিব নে?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান চৰকাৰৰ দিনত বিজ্ঞাপনৰ বাবদ তথা আৰু জন সংযোগ বিভাগে মুঠ ১,১৮,০৯,২১৮.০০ টকা ব্যয় কৰা হয়।

(খ) আদায় দিয়া টকাৰ তালিকা পৰিশিষ্ট গাঁঠি দিয়া হ'ল।

(See the Annexure-V)

(গ) বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালত তথ্য আৰু জন সংযোগ বিভাগে প্ৰচাৰ কৰা পত্ৰিকা, প্ৰেছ বিজ্ঞপ্তি আৰু বিজ্ঞাপনৰ প্ৰতিলিপি সদনৰ মজিয়াত দাখিল কৰা হ'ল।

## বিষয় ঃ অৰ্থ মঞ্জুৰী।

**শ্ৰী জিতেন গগৈয়ে সুধিছে ঃ**

৪৯৩। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বোকাখাত সমষ্টিৰ বাবে যোৱা ৫ টা বছৰত পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ

পৰা কি কি আঁচনি ধাৰ্য্য কৰা হৈছিল আৰু কি উন্নতি কৰিলে?

(খ) যদি কৰিছিলে কোন শিতানত আৰু কিমান অৰ্থ মঞ্জুৰী দিছিল?

(গ) ভৱিষ্যতে কিবা পৰিকল্পনা লৈছে নেকি?

**শ্ৰী তৰুণ গগৈ (পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী) য়ে অনুগ্ৰহ কৰি জনাবনে?**

(ক) আৰু (খ) উন্নয়ণমূলক আঁচনিসমূহ মহকুমা ভিত্তিতহে লোৱা হয়, সমষ্টি ভিত্তিত লোৱা নহয়। পৰিকল্পনা বিভাগে বিভিন্ন উন্নয়ন বিভাগক দিয়া আৱন্টিত ধন অনুযায়ী বিভাগসমূহে নিজা নিজা আঁচনি ৰূপায়ন কৰে। সেই অনুযায়ী বোকাখাত মহকুমাৰ বাবে বিভিন্ন ৰূপায়ন কৰা আঁচনিসমূহ ও আঁচনিৰ বিপৰীত আৱন্টিত ধনৰ পৰিমাণৰ তথ্য তালিকা 'ক' ত উল্লেখ কৰা হ'ল।

(খ) উন্নয়ণ এটি ধাৰাবাহিক প্ৰচেষ্টা। ২০০২-২০০৩ চনৰ বাবে ল'বলগীয়া উন্নয়নমূলক আঁচনিসমূহ এতিয়াও নিশ্চিত কৰা হোৱা নাই।

## বিষয় ঃ জিলা প্ৰাথমিক শিক্ষা বিষয়া শ্ৰী যোগেন বড়া।

**শ্ৰী বসন্ত দাসে সুধিছে ঃ**

৪৯৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) দৰং জিলাৰ নিলম্বিত জিলা প্ৰাথমিক শিক্ষা বিষয়া শ্ৰী যোগেন বড়াক আজিলৈ আৰক্ষী বিভাগে আটক কৰিব নোৱাৰাৰ কাৰণ কি?

(খ) তেওঁক চলিত বাজেট অধিবেশনৰ মাজতে আটক কৰাৰ ব্যৱস্থা ল'বনে?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) পলাতক অৱস্থাত থকাৰ বাবে আটক কৰিব পৰা নাই।

(খ) আটক কৰাৰ বাবে তদন্ত অব্যাহত ৰখা হৈছে।

## Re : Construction of Police Out Post at Salbari.

**Shri Sarbananda Choudhury asked :**

495. Will the Minister of Home be pleased to state :

(a) The actual step taken for the construction of Police Out Post at Salbari under 41 Bhawanipur L.A.C. and how many days will it take

for the completion of the same?

(b) Is it a fact that a good number of Police personnel have already been retired during the last couple of the days and if so, will the Government advertise for the filling up the said posts immediately?

**Shri Tarun Gogoi (Chief Minister) replied :**

(a) There is no sanctioned Police Out Post at salbari under 41 Bhawanipur L.A.C. So, question of construction of the Police Out Post building does not arise.

(b) Yes. Subject to observance of required formalities appropriate steps will be taken for filling up of vacant sanctioned posts early.

**বিষয় ঃ পঞ্চম দলং।**

**শ্ৰী সৰ্বানন্দ সোণোৱালে সুধিছে ঃ**

৪৯৬। মাননীয় গুৱাহাটী উন্নয়ণ নিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গুৱাহাটী উন্নয়নৰ বাবে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত পঞ্চমখন দলং নিৰ্মাণৰ বাবে ৰাইজে কৰি অহা দাবীৰ প্ৰতি চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই ক্ষেত্ৰত চৰকাৰে কিবা পদক্ষেপ লৈছেনে?

(গ) যদি লৈছে, কি পদক্ষেপ লৈছে?

**শ্ৰী যুত অঞ্জন দত্ত (গুৱাহাটী উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী, স্বতন্ত্ৰ) য়ে, উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) হয়, পদক্ষেপ লোৱা হৈছে।

(গ) উক্ত দলংখন নিমাৰ্ণৰ বাবে অৰ্থ সাহায্য পুঁজিৰ অধীনত মুঠ ৮১৮.৫৬ কোটি টকাৰ ২ (দুটা) পৃথক প্ৰাক্ কলন ৰাজ্য চৰকাৰৰ গড়কাপ্তনী বিভাগৰ দ্বাৰা প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ বাবে পঠোৱাৰ ব্যৱস্থা কৰা হৈছে।

**বিষয় ঃ কাৰাগাৰ স্থাপন।**

**শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্মই সুধিছে ঃ**

৪৯৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ জনাবনে?

(ক) গোসাইগাঁও মহকুমাত কাৰাগাৰ স্থাপন কৰাৰ প্ৰস্তাৱ আছেনে?

(খ) যদি আছে তেন্তে সেই কাৰাগাৰখন সম্পূৰ্ণৰূপে কেতিয়া কাৰ্য্যকৰী হ'ব আৰু সন্দৰ্ভত প্ৰস্তুতি এতিয়ালৈ কি পৰ্য্যায়ত আছে?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) নাই।

(খ) ওপৰৰ (ক) প্ৰশ্নোত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## Re : Reliance Assam Gas Cracker Project.

**Shri Rameshwar Teli asked :**

498. Will the Minister of Industry be pleased to state :

(a) The present status of the Reliance Assam Gas Cracker Project.

(b) What is the present position of the affected people in this contest?

(c) what step Government has taken for the affected people?

**Shri Tarun Gogoi (Ministers of Industries & Commerce) replied :**

(a) The Reliance Asssam Petrochemicals Ltd. (RAPL) has assured to complete the Assam Gas Cracker Project within 44 months time after finalisation of Gas supply Agreement with OIL & ONGC and handling over possession of land at Lepetkata to RAPL which ever is later. The project activities as site and initiation of the related activities of the project could not be started due to the non-finalisation of Gas supply Agreement with ONGC.

The following are the present status of the Gas Supply Agreement and land matters :-

1. Gas supply Agreement with Oil India. The Gas Supply Agreement between OIL & RAPL had already been signed on 19th October,

2000.

2. RAPL and ONGCL are holding discussion to sort out the issues relating to the Gas Supply Agreement.

(b) No one has been affected so far as the land has not yet been handed over to the Reliance Assam Petrochemicals Ltd. for the Gas Cracker Project.

(c) The Govt. of Assam has drafted a Rehabilitation Package for those people who would be ousted by the establishement of the Craker project.

**বিষয় ঃ অৰ্ধ চৰকাৰী কৰ্মচাৰীৰ মুঠ সংখ্যা।**

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৪৯৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ৰাজ্যখনত অৰ্ধ চৰকাৰী কৰ্মচাৰীৰ সংখ্যা কিমান?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ পৰা পোৱা তথ্যমতে ৰাজ্যখনত বৰ্ত্তমান আনুমানিক ৭৫,১৫৬ জন অৰ্ধ চৰকাৰী কৰ্মচাৰী আছে।

**বিষয় ঃ বালাপাৰা আউট পোষ্ট।**

**ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ**

৫০০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) সৰুক্ষেত্ৰী সমষ্টিৰ বালাপাৰা আৰক্ষী আউট পোষ্টটো অজ্ঞাত কাৰণত উঠাই নিব লগা হ'ল, তাৰ কাৰণে পাকা মৌজাৰ ৰাইজে যি কোনো গোচৰৰ বাবে ২০ কিঃমিঃ দুৰত্বৰ সৰ্থেবাৰী থানালৈ যাব লগা হয়, য'ত যাতায়তৰ কোনো সু-ব্যৱস্থা নাই। বালাপাৰাৰ আউট পোষ্টটো উঠাই অনাৰ কাৰণটো কি?

(খ) কেতিয়াকৈ আউট পোষ্টটো পুনৰ তাত স্থাপন কৰিব?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বালাপাৰাত আৰক্ষী চকী নাছিল। ইয়াত একেবাৰে অস্থায়ী নিৰীক্ষণ চকী আছিল

আৰু সেয়ে তাক উঠাই অনা হ'ল।

(খ) প্ৰস্তাৱ পালে বিত্তীয় অৱস্থা সাপেক্ষে বিবেচনা কৰি চোৱা হ'ব।

## Re : Choto Dudhpatil Area.

**Shri Bimolangshu Roy asked :**

501. Will the Minister of Transport be pleased to state :

(a) Is the Govt. aware that people living in Choto Dudhpatil Area belonging to Ex-Tea community and Scheduled Caste under Borkhola Constituency for Cachar have been agitating since long for shifting the Ferryghat managed by lessee under supervision of IWT Deptt. to its original site at Godamghat under Choto Dudhpatil Mouza?

(b) Is the Govt. aware that the present site known as Choudhury Para falls under Mouza Dudhpatil Pt-VI and to reach the Ferryghat people are to move through private land of some antisocial people and very often they are subjected to cruelty and harasment and numbers of criminal cases are also pending regarding the same?

(c) Is the Govt. aware that Godamghat has been in existence since the British regime for loading and unloading of cargoes but of late the vested interest group managed to shift it to Choudhury Para most illegaly as willbe appeared from tender notice of the Ferryghat?

(d) Will the Govt. urgently take a decision for shifting the ghat?

(e) If so, when and if not, why?

**Shri Anjan dutta (Minister of State (Independent) Transport) replied:**

(a) Govt. is not aware about any agitation.

(b) Yes, it is running at choudhury Para. The Government is not aware about any anti-social activities in the said Ferry Service.

(c) There is no record in the Department regarding existence of Godamghat since British regime.

(d) At present, there is no proposal for shifting of ghat to Godamghat as the Godamghat is not technically feasible.

(e) As stated at (d) above.

**বিষয় ঃ চিগাৰেট উদ্যোগৰ পৰা পোৱা ৰাজহ।**

**শ্ৰী মদন কলিতাই সুধিছে ঃ**

৫০২। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ২০০১ চিগাৰেট উদ্যোগৰ পৰা অসম চৰকাৰে কিমান টকা ৰাজহ কৰ পাইছে?

(খ) ১৯৯৬ চনৰ পৰা ২০০১ চনৰ জুলাই মাহলৈকে অসমত কিমান উদ্যোগ বন্ধ হৈছে?

(গ) চিগাৰেটৰ উদ্যোগৰ বাহিৰে লাভ দেখুৱা অন্য উদ্যোগবোৰৰ নাম কি কি?

(ঘ) ১৯৯৬ চনৰ পৰা ২০০১ চনৰ জুলাই মাহলৈকে ৰাজ্য চৰকাৰে কিমানটা বৃহৎ উদ্যোগ স্থাপন কৰি চালু কৰিছে?

(ঙ) অসমৰ জনসাধাৰণৰ বাবে চিগাৰেট উদ্যোগৰ উপকাৰিতা আৰু অপকাৰিতা সম্পৰ্কে বিশদ ভাবে জনাব?

(চ) বৰ্ত্তমান চৰকাৰৰ উদ্যোগ নীতি কি কি আৰু কেনেদৰে ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰিছে?

**শ্ৰী তৰুণ গগৈ (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ২০০১ চনত চিগাৰেট উদ্যোগৰ পৰা ১৪.২২ কোটি টকা ৰাজহ কৰ পাইছে।

(খ) ১৯৯৬ চনৰ পৰা ২০০১ চনৰ জুলাই মাহলৈকে অসমত ৩৬৮ টা ক্ষুদ্ৰ উদ্যোগ বন্ধ হৈছে।

(গ) চিগাৰেট উদ্যোগৰ বাহিৰে লাভ দেখুৱাব পৰা অন্য উদ্যোগবোৰ গেছ ভিত্তিক উদ্যোগ, চাহ প্ৰস্তুতকাৰী উদ্যোগ, ৰোলাৰ ফ্লৱ মিল, ৰি-ৰোলিং মিল, অক্সিজেন জুলীয়া নাইট্ৰজেন প্ৰস্তুতকাৰী গোট, কাৰ্বন সামগ্ৰী প্ৰস্তুতকাৰী গোট, বিস্কুট আৰু অন্যান্য খাদ্য সামগ্ৰী সংশোধন উদ্যোগ, ঔষধ প্ৰস্তুতকাৰী গোট, কাঠ আৰু তীখাৰ আচবাব নিৰ্মাণ গোট আৰু গৃহ নিৰ্মাণ সামগ্ৰী প্ৰস্তুতকৰণ গোট ইত্যাদি।

(ঘ) ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ যুটীয়া উদ্যোগত নুমলীগড়ত এটা তেল শোধানাগাৰ স্থাপন কৰি চালু কৰা হৈছে।

(ঙ) জনাব পৰা হ'ব।

(চ) বৰ্ত্তমান চৰকাৰে অসম উদ্যোগিক নীতি ১৯৯৭ আৰু ভাৰত চৰকাৰৰ দ্বাৰা ঘোষিত উত্তৰ পূৰ্বাঞ্চলৰ উদ্যোগিক নীতিৰ আধাৰত অসমত উদ্যোগৰ স্থাপন, উন্নয়ন আৰু সম্প্ৰসাৰণৰ ব্যৱস্থা হাতত লৈছে। এই উদ্যোগ নীতি ৰূপায়ণ কৰাৰ কাৰণে আবকাৰী শুল্ক মুক্ত অঞ্চল হিচাবে অসমৰ বিভিন্ন উদ্যোগিক অঞ্চল উদ্যান আৰু উদ্যোগ ঘণীভূত হৈ থকা অঞ্চল ঘোষণা কৰা হৈছে। লগতো কিছুমান বিশেষ উদ্যোগকো আবকাৰী শুল্ক মুক্ত উদ্যোগ হিচাবে ভাৰত চৰকাৰে ঘোষণা কৰিছে। এই উদ্যোগ নীতি সমূহৰ প্ৰতি আকৰ্ষিত কৰিবৰ অৰ্থে বাণিজ্যিক মেলাত অংশ গ্ৰহণ কৰি বাহিৰৰ উদ্যোগী সকলকো উৎসাহিত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

## বিষয় ঃ শদিয়া জলপথ।

**শ্ৰী জগদীশ ভূঞাই সুধিছে ঃ**

৫০৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) সমগ্ৰ শদিয়া মহকুমাৰ লগতে অৰুণাচল প্ৰদেশৰ এটা বৃহৎ অংশৰ একমাত্ৰ যোগাযোগ ব্যৱস্থা ছৈ-খোৱা শদিয়া জলপথ বুলি চৰকাৰ জ্ঞাতনে?

(খ) বৰ্ত্তমান ছৈ-খোৱা শদিয়াৰ মাজত আভ্যন্তৰিণ জল পৰিবহন বিভাগৰ কিমানখন ফেৰী চলাচল কৰি আছে?

(গ) চৰকাৰী ফেৰীৰ সংখ্যা বৃদ্ধিৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী অঞ্জন দত্ত (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, জ্ঞাত।

(খ) বৰ্ত্তমান আভ্যন্তৰিণ জল পৰিবহন বিভাগৰ এখন ফেৰী চলাচল কৰি আছে।

(গ) বৰ্ত্তমান চৰকাৰৰ হাতত তেনেধৰণৰ প্ৰস্তাৱ নাই।

## বিষয় ঃ ভিজিলেন্স চেলৰ মুৰব্বী।

**শ্ৰী নীলমণি সেন ডেকাই সুধিছে ঃ**

৫০৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ভিজিলেন্স চেলৰ মুৰব্বী কামিল্লাই অৱসৰ লেৱাৰ পিছত চৰকাৰে কোনো বিষয়াক উক্ত পদৰ স্থলাভিষিক্ত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে নেকি?

(খ) অৱসৰৰ আগতে কামিল্লাই কোনো বিভাগীয় দুৰ্নীতি সম্পৰ্কে তদন্তৰ ৰিপোৰ্ট দাখিল কৰিছে নেকি?

(গ) যদি কৰিছে কোন বিভাগৰ কোন বিষয়াৰ বিৰুদ্ধে ৰিপোৰ্ট দাখিল কৰিছে?

(ঘ) ৰিপোৰ্টৰ ভিত্তিত অভিযুক্ত সকলৰ বিৰুদ্ধে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) মুখ্য তদাৰকী আয়ুক্ত, অসম শ্ৰী কামিল্লাৰ অৱসৰৰ পিছত কোনো বিষয়াক তেওঁৰ স্থলাভিষিক্ত কৰাৰ সিদ্ধান্ত লোৱা হোৱা নাই।

(খ) অৱসৰৰ আগতে শ্ৰী কামিল্লাই বিভাগীয় দুৰ্নীতি সম্পৰ্কে তেওঁৰ সিদ্ধান্তমূলক পৰামৰ্শ দাখিল কৰিছে।

(গ) (ঘ) এই পৰ্য্যন্ত পোৱা তথ্য অনুসৰি বিভাগ আৰু বিষয়া কৰ্মচাৰী আৰু তেওঁলোকৰ বিৰুদ্ধে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ তালিকা মেজত দাখিল কৰা হ'ল। (See the Annexure-VI)

## বিষয় ঃ পৰিৱেশ নিয়ন্ত্ৰণ।

**ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ**

৫০৫। মাননীয় বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) এই চৰকাৰে বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ বিকাশৰ বাবে কি কি কাম কৰিছে?

(খ) গুৱাহাটীৰ পৰিৱেশ নিয়ন্ত্ৰণৰ বাবে চৰকাৰে কি কি ব্যৱস্থা লৈছে?

(গ) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত বৰ্ত্তমান চৰকাৰৰ সফলতা কি?

**শ্ৰীযুত প্ৰদ্যুৎ বৰদলৈ (বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) (১) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা সৰ্ম্পকে গাঁৱৰ ৰাইজক অৱগত কৰিবৰ বাবে বিভিন্ন ঠাইত প্ৰশিক্ষণ দিয়াৰ দিহা কৰা হৈছে।

(২) বিভিন্ন শৈক্ষিক অনুষ্ঠান আৰু গৱেষণাগাৰৰ জৰিয়েত গৱেষণামূলক প্ৰকল্পৰ কাম চলাই থকা হৈছে।

(৩) দূৰসংবেদন প্ৰযুক্তিৰ জৰিয়তে অসমৰ প্ৰাকৃতিক সম্পদৰাজিৰ সুস্থ পৰিচালনাৰ দিশত কাম কৰি থকা হৈছে। এই দিশত ৭ টা প্ৰকল্প বৰ্ত্তমানে চলাই থকা হৈছে।

(৪) প্লাজমা পদাৰ্থবিজ্ঞানৰ যোগেদি ঔদোগিক দিশত ব্যৱহাৰোপযোগী উপায় উদ্ভাৱন কৰা হ'ব ধৰিছে।

(৫) গুৱাহাটীৰ তৰাঘৰত জ্ঞান আৰু বিনোদন একেলগে দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(খ) (১) প্ৰদূষণ সৃষ্টিকাৰী ঔদ্যোগিক গোটৰ পৰা ময়লা পানীৰ নমুনা নিয়ন্ত্ৰিতভাৱে সংগ্ৰহ কৰি সেইবোৰ প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ পৰীক্ষাগাৰত বিশ্লেষণ কৰা আৰু নিৰ্দ্ধাৰিত প্ৰদূষণকাৰী উদ্যোগক জাননী দিয়া, কাৰণ দৰ্শোৱা জাননী দিয়া আৰু বন্ধৰ জাননী দিয়াৰ উপৰিও বৰ্ত্তমান ক্ষুদ্ৰ উদ্যোগসমূহকে ৰি প্ৰায় ৬৫০০ টা উদ্যোগক বছেৰেকীয়া ভিত্তিত ময়লা পানী আৱৰ্জনা নিষ্কাষণ কৰিবলৈ **'সন্মতি পত্ৰ'** (Consent to Operate) দিয়া হয়। তদুপৰি নতুন উদ্যোগ স্থাপনৰ আগতে ঔদোগিক লাইচেন্স পাবলৈ **'স্থাপনৰ বাবে সন্মতি'** (Consent to Establish দিয়া হয়।

(২) বিভিন্ন উদ্যোগ আৰু নাৰ্ছিংহোমবিলাকক প্ৰদূষণ সম্পৰ্কীয় জাননী দি তেখেতসকলৰ কৰ্ত্তব্য সোঁৱৰাই দিয়া হৈছে।

(গ) (১) কাছাৰ জিলাৰ ৩৬ খন গাঁৱৰ ৬০০ ঘৰত আৰু শোণিতপুৰ জিলাৰ গহপুৰ অঞ্চলৰ ১০০ ঘৰত সৌৰশক্তিৰ সহায়েৰে বিজুলী যোগান ধৰা কাম সম্পূৰ্ণ কৰা হৈছে।

(২) চামৰাৰ সামগ্ৰী আৰু সাজ-পোছাক তৈয়াৰ কৰা প্ৰশিক্ষণ কেন্দ্ৰ এটা গুৱাহাটীৰ **ঔদোগিক প্ৰতিষ্ঠানত** (I.T.I) স্থাপন কৰি নিৱনুৱা যুৱক-যুৱতীক কৰ্ম সংস্থাপনৰ সুবিধা দিয়া হৈছে।

(৩) সোণাপুৰৰ ওচৰৰ নাজিৰাখাটত ১০ কিলোৱাট শক্তিসম্পন্ন ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰি সমীপস্থ জনজাতিলোকলৈ বিজুলী যোগানৰ আঁচনি এখন সম্পূৰ্ণ হোৱাৰ পথত।

(৪) **অসম দূৰ-সংবেদন প্ৰয়োগ কেন্দ্ৰ** ই (ARSAC) প্ৰাকৃতিক সম্পদ,

বানপানীৰ ক্ষয়ক্ষতিৰ খবৰ, মাটিৰ ব্যৱহাৰ, মাটিৰ মানচিত্ৰ প্ৰস্তুতকৰণ, নৈ, বিল আদিৰ মানচিত্ৰ, অফলপ্ৰসূ মাটিৰ মানচিত্ৰ, শস্যৰ আৰু উৎপাদনৰ হিচাব আদি প্ৰস্তুত কৰি কৃষি, মীন, ৰাজহ, বন আৰু ভূসংৰক্ষণ বিভাগক সহায় কৰা হৈছে।

(৫) ৰাজ্যখনৰ ১৩ টা উন্নয়নখণ্ডত **বায়মাছ এছেছমেন্ট ষ্টাদি (Biomass Assessment study)** ৰ কাম সম্পূৰ্ণ কৰা হৈছে।

(৬) ভাৰত চৰকাৰৰ পৰিৱেশ আৰু বন মন্ত্ৰালয়ৰ দ্বাৰা অনুমোদিত ৰাষ্ট্ৰীয় **সেউজবাহিনী (National Green Crops)** আঁচনিৰ অধীনত ৰাজ্যখনৰ ২৩০০ খন বিদ্যালয়ত **পাৰিপাৰ্শ্বিক সংঘ (Eco Club)** গঠন কৰাৰ কাম আৰম্ভ হৈছে।

## বিষয় ঃ অসম পৰ্য্যটন উন্নয়ন নিগম।

### শ্ৰী সৰ্বানন্দ সোণোৱালে সুধিছে ঃ

৫০৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসম পৰ্য্যটন উন্নয়ন নিগমৰ নিয়ন্ত্ৰণত থকা গুৱাহাটী পৰ্য্যটন নিগমৰ নিবাসৰ বাৰ (BAR) আৰু ভোজনালয় (Restuarant) ব্যক্তিগত খণ্ডত চলোৱাটো সত্য নেকি?

(খ) যদি সত্য, কোন ব্যক্তি বা ব্যৱসায়ীক প্ৰতিষ্ঠানক উক্ত ভোজনালয় (Restuarant) আৰু বাৰ (BAR) চলাবলৈ দিয়া হৈছে?

(গ) ২০০১-২০০২ বিত্তীয় বৰ্ষত অসম পৰ্য্যটন উন্নয়ন নিগমে বিভিন্ন ছপা কাম আৰু প্ৰচাৰৰ নামত কিমান টকা ব্যয় কৰিছে?

(ঘ) উক্ত টকা কি কি আঁচনিৰ বিপৰীতে ব্যয় হৈছে?

(ঙ) উক্ত কামৰ ঠিকা কোন কোন ব্যক্তি বা ব্যৱসায়ীক প্ৰতিষ্ঠানক দিয়া হৈছে? (নাম ঠিকনা জনাব)।

### শ্ৰী তৰুণ গগৈ (পৰ্যটন বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) সত্য।

(খ) গুৱাহাটী পৰ্য্যটন নিবাসৰ বাৰ আৰু ভোজনালয় **"সৃষ্টি ট্ৰেড এণ্ড কনষ্ট্ৰাকশ্যন**

প্ৰাঃ লিঃ" গুৱাহাটী-৬ নামৰ প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী শ্ৰীমতী সুস্মিতা গোস্বামীক চলাবলৈ দিয়া হৈছে।

(গ) ২০০১-২০০২ বিত্তীয় বৰ্ষত অসম পৰ্য্যটন উন্নয়ন নিগমে বিভিন্ন চপা কামৰ বাবে মুঠ ৩,৭২,৪৫০/- (তিনিলাখ বাসত্তৰ হাজাৰ চাৰিশ পঞ্চাশ) টকা আৰু প্ৰচাৰৰ বাবে মুঠ ৬৯,০৯৯/- (উনসত্তৰ হাজাৰ নিৰানব্বৈ) টকা ব্যয় কৰিছে।

(ঘ) উক্ত টকা লণ্ডনত (London) অনুষ্ঠিত '২০০১ আন্তৰ্জাতিক মেলা ও দিহিং পাটকাই উৎসৱ' ০২ আঁচনিৰ বিপৰীতে ব্যয় হৈছে।

(ঙ) উক্ত কামৰ বাবে ঠিকা নিয়া ব্যক্তি আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ নাম আৰু ঠিকনা সংলগ্ন 'ক' ত দিয়া হ'ল। (See the Annexure-VII)

## বিষয় ঃ অসম চাহ নিগম।

**শ্ৰী ৰামেশ্বৰ তেলিয়ে সুধিছে ঃ**

৫০৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসম চাহ নিগমৰ বাগিছা সমূহৰ পৰা পুৰণি লোহা আজি অলপ দিনৰ আগতে নিলামত দিয়াটো সচাঁনে?

(খ) এই লোহা সমূহ কোনে নিলামত লয় আৰু ইয়াৰ পৰা নিগমে কিমান টকা আয় কৰে?

**শ্ৰী তৰুণ গগৈ (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, সচাঁ।

(খ) এই লোহা সমূহ উক্ত ব্যক্তিকেইজনে লয়ঃ- (১) এম, কে এন্টাৰপ্ৰাইজ, যোৰহাট (২) কে, কে, ইণ্ডাষ্ট্ৰিজ, যোৰহাট (৩) এলেন পাটনায়ক আৰু ধীৰেণ নায়ক, যোৰহাট (৪) জয়দূৰ্গা হাৰ্ডৱেৰ, গোলাঘাট আৰু (৫) চন্দন টায়াৰচ, কৰিমগঞ্জ। ইয়াৰ পৰা নিগমে সৰ্বমুঠ ১,৩৩,৫৪২.৭৫ টকা আয় কৰে।

## বিষয় ঃ চাকৰি কৰ্ত্তনৰ বুজাবুজি।

**ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ**

৫০৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অ. গ. প. চৰকাৰৰ দিনত কেন্দ্ৰীয় চৰকাৰৰ সৈতে ৫০ শতাংশ চাকৰি কৰ্ত্তনৰ বুজাবুজি চুক্তি (MOU) খন কংগ্ৰেছ দলে চৰকাৰ গঠন কৰিলে, এই চুক্তিখন বাতিল কৰিম বুলি সাধাৰণ নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি কেতিয়া পূৰণ কৰিব?

(খ) বাতৰি কাকতত প্ৰকাশ পোৱা ধৰণে বৰ্ত্তমানৰ চৰকাৰখনে এই বুজাবুজিৰ চুক্তিৰ আধাৰত নতুনকৈ আৰু দহ হাজাৰ চাকৰিৰ পদ বিলুপ্তি সাধনৰ ব্যৱস্থা কৰিছে নেকি?

(গ) এই বুজাবুজিৰ চুক্তিৰ আধাৰত ইতিমধ্যে কিমান পদ বিলুপ্তি সাধন কৰা হ'ল?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বিত্তীয় সংস্কাৰ আঁচনিৰ বুজাবুজি চুক্তি খন বাতিল কৰণৰ প্ৰতিশ্ৰুতিৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) বিত্তীয় সংস্কাৰ আঁচনিৰ বুজাবুজি চুক্তি ৩১-০৩-২০০০ চনৰ ভিতৰত ৫০০০ অদৰকাৰী পদ আৰু ৩০-০৯-২০০০ চনৰ ভিতৰত আৰু ১০০০০ অদৰকাৰী পদ বিলুপ্তি কৰাৰ বাবে চুক্তি সম্পাদিত হৈছিল।

(গ) এতিয়ালৈকে ৪০৮০ টা পদ বিলুপ্ত কৰাৰ কাৰণে চিনাক্তকৰণ কৰা হৈছে।

## Re : Police Officer.

**Shri Bimolangshu Roy asked :**

509. Will the Minister of Home be pleased to state :

(a) Will the Govt. reshuffle/transfer the police officer working in home District for more than 20 years?

(b) Will the Govt. name the Sub-Inspector working in old Cachar District for more than 20 years and arrange for their transfer outside Barak Valley?

(c) If so, when and if not, why?

**Shri Tarun Gogoi (Chief Minister) replied :**

(a) Yes, subject to public interest and service requirement.

(b) (c) S.I(U/B) Monmill Ali, Depending upon service requirement transfer of the officer will be considered.

# POINT OF ORDER

* শ্ৰী জগদীশ ভূএগ্ৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১-৪-২০০২ তাৰিখত মই এটা প্ৰশ্ন দিছিলো। কিন্তু প্ৰশ্নটো তৰাৰ্বিহীন প্ৰশ্ন উত্তৰতহে আহিল। সেয়ে মই আপোনাৰ জৰিয়তে সদনত এতিয়া উত্থাপন কৰিব বিছাৰিছো। মন্ত্ৰী মহোদয়ৰ পৰা এই বিষয়ে উত্তৰ এটা জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ যিখিনি প্ৰশ্ন দিয়া হয় সেইখিনি প্ৰশ্ন চালিজাৰি চাই দিয়া হয়। গতিকে এতিয়া সেই প্ৰশ্নটো নাহে।

* শ্ৰী জগদীশ ভূএগ্ৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি আমাক ক'ব দিয়ক। শদিয়া মহকুমাত ৰাজ্য চৰকাৰৰ কি কি বিভাগৰ মুৰব্বী বিষয়া নাই বুলি সোধাত উত্তৰত ক'লে যে মহকুমা অধিপতিৰ পদটো বৰ্ত্তমান খালি হৈ থকা নাই। আৰু সংশ্লিষ্ট বিভাগ সমূহৰ অধীনস্থ বিভাগীয় খালি পদৰ সংখ্যাৰ তথ্য বিভাগ সমূহৰ পৰা সংগ্ৰহ কৰি থকা হৈছে। এচ, ডি, অ ৰ পদটো খালি হৈ নথকা স্বত্বেও আজি ১৫/২০ দিনে ভেকেনচী পজিচনটো জনাব পৰা নাই।

মাননীয় অধ্যক্ষ ঃ এইটো ইয়াত নাহে।

(সদনত হুলস্থূলীয়া পৰিৱেশ, কেইবাজনো সদস্যই ক'ব বিছাৰিছিল কিন্তু কাৰো কথা স্পষ্ট নহয়।)

আপোনালোকে মোৰ ওচৰলৈ আহিব কি ব্যৱস্থা ল'ব লাগে আমি লম।

# ZERO HOUR

Now, Zero hour.

I have received as many as 9 Zero Hour Notices for to-day from the Hon. Members :

1. Shri Jagadish Bhuyan.
2. Shri Rajib Lochan Pegu.
3. Shri Ripun Bora.
4. Shri Ripun Bora.

---

* Speech not corrected

5. Shri Dilip Kumar Saikia.
6. Dr. Haren Das.
7. Dr. Haren Das.
8. Shri Pabindra Deka.
9. Shri Rupon Sing Ronghang.

As per rules, I have selected only 3 Zero Hours for raising before the House to-day.

1. Now, I call upon the Hon. member Shri Rajib Lochan Pegu to raise his Zero Hour Motion which was published in 'Amar Asom' dated 15.3.2002 under the caption-

"প্ৰকৃতাৰ্থত মিচিং স্বায়ত্ত পৰিষদ এতিয়াও গঠন হোৱা নাই।"

He is absent.

2. Now, I call upon the Hon. Member Shri Ripun Bora to raise his Zero Hour Motion which was published in 'Aji' dated 24.3.2002 under the caption-

"ভোটাধিকাৰ নথকা ছাত্ৰীক কৰ্মী শিক্ষকৰ পত্নীক অংগণবাদী কৰ্মী নিযুক্তিত লেতেৰা খেল।"

* **শ্ৰীৰিপুন বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই বিধান সভাৰ শূণ্য কালত এটা গুৰুত্বপূৰ্ণ কথা আপোনাৰ যোগেদি সংশ্লিষ্ট মন্ত্ৰী মহোদয় তথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ২৪-৩-২০০২ তাৰিখৰ আজিৰ বাতৰি কাততত এই বাতৰি প্ৰকাশ পাইছে যে "বিহপুৰীয়া সমষ্টিৰ নাৰায়ণপুৰ ব্লকৰ অঙ্গণবাদী সহায়িকাৰ নিযুক্তিৰ খেলিমেলি।" এই নিযুক্তিৰ সময়ত হোৱা পৰিচালনাৰ খেলিমেলি আৰু দূৰ্নীতি এই বাতৰিত পৰিৱেশন হৈছে। গোটেই বাতৰিটো সময়লৈ লক্ষ্য ৰাখি পঢ়ি দিব খোজা নাই। মোৰ বৰ্ত্তমান চৰকাৰ বা মন্ত্ৰীৰ ওপৰত কোনো ক্ষোভ নাই। একো নাই। এই দূৰ্নীতিটো বিষয়া পৰ্য্যায়তহে হৈছে। এই সদনত এই কাৰণে আনিছো যে মন্ত্ৰী মহোদয়ে এই দূৰ্নীতি ৰোধ কৰিব বুলি প্ৰতিশ্ৰুতি দিব লাগে। নহ'লে আমাৰ চৰকাৰৰ যিটো প্ৰতিশ্ৰুতি ৰাইজৰ ওচৰত নিকা প্ৰশাসন, ট্ৰেন্সপাৰেন্ট চৰকাৰ এই সকলো বিলাক বিফল হ'ব। মোৰ হাতত অভিযোগ পত্ৰ আছে। নামেৰে সৈতে মই দিব পাৰো কিন্তু এতিয়া

* Speech not corrected

মই নাম বিলাক প্ৰকাশ কৰিব বিচৰা নাই। এজন অঙ্গনবাদী সহায়িকা নিয়োগ কৰিবলৈ ৩,৪,৭ হাজাৰ টকালৈ লৈছে। নিয়োগৰ সময়ত এই টকাটো তেওঁলোকৰ পৰা বিচৰা হৈছে। অঙ্গনবাদী সহায়িকা এজনে ৫০০ টকা দৰমহা পায় আৰু ওৱাৰ্কাৰ এজনে ২৫০ পৰা ৩০০ টকা। ইমান কম দৰমহাৰ সামান্য এটা চৰকাৰী চাকৰিৰ কাৰণে ৮ হাজাৰ বা ১০ হাজাৰ টকা দিবলগীয়া হ'লে কি হ'ব আপোনালোকে বিবেচনা কৰক। এইটো বৰ গুৰুত্বপূৰ্ণ কথা। নাৰায়ণপুৰ ব্লকৰৰ যি গৰাকী চি, ডি, পিও তেওঁৰ স্বামী এজন জিলা পৰ্য্যয়িৰ সমাজ কল্যাণ বিষয়া। গহপুৰ নাৰায়ণপুৰ ব্লকৰ নিচেই ওচৰৰ ঠাই। আৰু আমাৰ চাৰক সকলোৱে জানে। এই অঞ্চলত কংগ্ৰেছ বিধেয়ক নাই। সেইকাৰণে ওচৰ পাজৰৰ লোক মোৰ ওচৰলৈ আহে। এই সমগ্ৰ নিযুক্তিৰ প্ৰক্ৰিয়াটো চলালে সমাজ কল্যাণ বিষয়া জনে। চি, ডি পিও নামতহে আছিল। এই সকলো বিলাক কথাই বাতৰি কাকতত লিখা আছে। গোটেই বিষয়টো মই ফাদিল কৰিম। অধ্যক্ষ মহোদয়, মই আপোনাক দিম কাৰ কাৰ পৰা কিমান টকা লৈছে। আনকি টকা দিব নোৱাৰা সকলৰ চাইকেল পৰ্য্যন্ত গ্ৰেপ্তাৰ কৰিছে। নিযুক্তিৰ সকলো নৰ্মচ ভঙ্গ কৰি নিযুক্তি দিছে। ভাৰত চৰকাৰৰ নিৰ্দেশনা আছে যে অঙ্গনবাদী সহায়িকা হ'বলৈ হ'লে গৰীব দুখীয়া পৰিয়ালৰ ছোৱালী বা বিধৱা হ'ব লাগিব। কিন্তু নিযুক্তি প্ৰায় বিলাকেই কোনোবা ধনী মানুহৰ পত্নী বা বোৱাৰী। এই কাৰণে মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এইটো গুৰুতৰ অভিযোগ। ইয়াৰ তদন্ত কৰা নহ'লে চৰকাৰৰ প্ৰতি ৰাইজৰ আস্থা নোহোৱা হ'ব। গতিকে তেখেতে বিষয়টোৰ ওপৰত তদন্ত কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিব লাগে। এই বাতৰিত চিলেকচন কমিটিৰ এজন সদস্যৰ নামো উল্লেখ কৰা হৈছে। তেওঁ দুৰ্নীতিত লিপ্ত হোৱা বুলি কৈছে। গতিকে আমি মন্ত্ৰী মহোদয়ৰ পৰা এটা উচ্চ পৰ্য্যায়িৰ তদন্ত আশা কৰিছো। এই তদন্তত যদি আমাৰ দলৰ কোনোবা কৰ্মীও যদি জড়িত হৈছে তেন্তে তেওঁক শাস্তি দিয়া ব্যৱস্থা কৰিব লাগে। যাতে কোনেও সাৰি যাব নোৱাৰে। গতিকে উচ্চ পৰ্য্যায়িৰ তদন্ত কৰি যি সকল দোষী বিষয়া বা সদস্য তেওঁলোকক শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু ইল্লিগেল এপইন্টমেন্ট বিলাক বাতিল কৰিব লাগে আৰু তাৰ এটা স্পষ্টিকৰণ বিচাৰিছো।

* **শ্ৰী প্ৰেমধৰ বৰা ঃ** অধ্যক্ষ মহোদয়, বিষয়টো মোৰ সমষ্টিৰ যেতিয়া মই এটা কথা এগু কৰিব বিচাৰিছো। এই বিষয়ত মই মাননীয় সমাজ কল্যাণ মন্ত্ৰী যুৱ নেতা গৌতম ৰয়ক লগ ধৰিছিলো আৰু তেখেতৰ পৰা জানিব বিচাৰিছিলো যে নিযুক্তি বিলাক ভাৰত চৰকাৰৰ গাইড লাইন মতে হ'ব নে চিলেক্ট কমিটিৰ ৰাজনৈতিক লাভালাভত হ'ব।

* Speech not corrected

তেখেতে কৈছিল যে ভাৰত চৰকাৰৰ গাইড লাইন মতে কৰা হয়। বিষয়টো গুৰুত্বপূৰ্ণ গতিকে তদন্ত কৰা ব্যৱস্থা কৰিব লাগে। অকল হাহিলে শেষ নহ'ব। গুৰু গুটি বেছি ডেইগুটিৰ ভৰতে গছ ডাল ভাঙি পৰে। বিষয়টো তদন্ত কৰি দোষীক শাস্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

* **শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতত পৰিৱেশিত বাতৰিটো আমাৰ দৃষ্টি গোচৰ হৈছে। এই বিষয়টো বিভাগীয়বাৱে তদন্ত কৰিছে বুলি বিভাগে মুখেৰে মোক জনাইছে। প্ৰতিখন জিলাতে একোখন নিৰ্বাচনী কমিটি কৰি দিয়া হৈছে। সেই কমিটি বিলাকে এই নিযুক্তি বিলাক দিয়ে। কিন্তু দুখৰ কথা যে এনেকুৱা খেলি মেলি হৈছে। এইবিলাক বিষয়ত আপোনালোকৰ সহযোগিতা পৰামৰ্শ কামনা কৰিছো। মই তেখেতৰ লগতো আলোচনা কৰিম। আন এজন মাননীয় সদস্য বিধান সভাৰ জ্যেষ্ঠ সদস্য মোৰ দেউতাৰ দিনতে সদস্য আছিল। তেখেতে উৎথাপন কৰিছে যেতিয়া বিষয়টো তদন্ত কৰা হ'ব।

* **শ্ৰী প্ৰেমধৰ বৰা ঃ** অধ্যক্ষ মহোদয়, বিধায়ক হিচাবে এই চিলেকচন কমিটিৰ সভাপতি আছিলো। কিন্তু আমি কৰা লিষ্টখন মাননীয় সংসদ মণিকুমাৰ চুব্বাই দিল্লীলৈ নি কাট কুট কৰি বেলেগ এখন তালিকাহে পঠাই দিলে।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ জ্যেষ্ঠ সদস্য জনে জানিব লাগে যি জন আমাৰ সদস্য নহয় তেওঁৰ নাম ল'ব নালাগে। মন্ত্ৰী মহোদয়ে তদন্ত কৰিম বুলি কৈছে গতিকে বিষয়টো ইমানতেই শেষ হ'ব লাগে।

* **ডঃ জয়নাথ শৰ্মা ঃ** বিষয়টো আমি উৎথাপন কৰা নহয়, শাসকীয় দলৰ এজনে উৎথাপন কৰিছে। সভাপতিৰ অলক্ষিতে তালিকা কেনেকৈ বদলি হ'ল?

* **শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ** যিহেতু মাননীয় সংসদ মণিকুমাৰ চুব্বা ইয়াত নাই তেওঁৰ নাম ল'ব নালাগে।

**Mr. Speaker : I now, call upon the Hon'ble Member Shri Rupan Sing Ranghang to raise his Zero Hour Motion which was published in "Amar Asom" dated 1.4.2002 under the caption- "পেটৰ জ্বালাত আত্মহত্যাৰ পথ বাছি লৈছে নিগম কৰ্মীয়ে।"**

* **শ্ৰী ৰূপন সিং ৰংহাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এক এপ্ৰিল তাৰিখৰ আমাৰ অসম কাকতত এটা কথা প্ৰকাশ পাইছে। পেটৰ জ্বালাত আত্মহত্যাৰ পথ বাছি লৈছে

* Speach not corrected

নিগম কৰ্মীয়ে। এইটো বৰ সাংঘাতিক কথা। আগতে আমি অসমত কৰ্মচাৰীয়ে আত্মহত্যাৰ কথা শুনা নাছিলো। গুজৰাট, অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ আদি দেশত কপাহ খেতিৰ দাম কমোৱা কাৰণে আত্মহত্যা কৰা শুনিছিলো, কিন্তু অসমত আত্মহত্যা কৰাৰ কথা শুনা নাছিলো। চাকৰী সাধাৰণ মানুহৰ জীৱিকা নিৰ্বাহৰ উপায় বুলি কয়, জীৱন নিৰ্বাহৰ উপায় এই কাৰণেই যে একোজন চাকৰিয়ালৰ লগত ৪/৫ জন লোকে জীৱন নিৰ্বাহ কৰে অৰ্থাৎ একোজন চাকৰিয়ালৰ লগত একোটা ৪/৫ জনীয়া পৰিয়ালে জীৱন নিৰ্বাহ কৰে। গতিকে আজিৰ দিনত চাকৰী কৰি দৰমহাৰ কাৰণে আত্মহত্যা কৰিবলগীয়া হোৱাটো অত্যন্ত দুখৰ বিষয়। অসমত আজি নিৱনুৱা সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। তাৰ মাজতে এই নিগম সমূহত কিছুমান লোক নিযুক্ত হৈ পৰিয়ালৰ লোকক পোহপাল দিছিল। কিন্তু এইটো অত্যন্ত দুখৰ বিষয় এই নিগম বিলাকৰ কৰ্মচাৰী সকলে ৩৬ মাহৰ পৰা ৭২ মাহ পৰ্য্যন্ত দৰমহা পোৱা নাই আৰু তেওঁলোকে দৰমহা নোপোৱাৰ বাবদ পৰিয়ালক ভৰণ-পোষণ দিব নোৱাৰি আত্মহত্যা কৰিবলৈ বাধ্য হৈছে। একোজন চাকৰিয়ালৰ লগত ৫/৬ জন লোক বাচি থাকে। তাত লিখিছে যে মাহৰ পিছত মাহ ধৰি দৰমহা নাপাই খাদ্য আৰু চিকিৎসাৰ অভাৱত বিগত কেইমাহ মানৰ ভিতৰতে চৰকাৰী নিগমৰ শতাধিক কৰ্মচাৰীয়ে কৰুণ ভাৱে মৃত্যুক সাৱটি ল'ব লগা হৈছে। ইয়াত আৰু লিখিছে যোৱা ৩৬ মাহৰ দৰমহাৰ পৰা বঞ্চিত হৈ আছে। ক্ষুদ্ৰ উন্নয়ন নিগমৰ কৰ্মচাৰী, চিকৎসা খাদ্যৰ অভাৱত মৃত্যু ঘটিছে নিগমটোৰ তিনিজন কৰ্মচাৰীৰ। অকালত মৃত্যু ঘটিছে অসম ৰাজ্যিক সাৰ আৰু ৰসায়ণ প্ৰকল্পৰ এজন, কাছাৰ পেপাৰ মিলৰ এজন, জাগীৰোডৰ অসম চিল্ক মিলৰ এজন কৰ্মীৰ। অসম চাহ নিগমৰ অধীনস্থ বাগিছা সমূহৰ অনেক শ্ৰমিকেও দৰমহাৰ অভাৱত অৰ্দ্ধহাৰে অনাহাৰে দিন কটাবলগীয়া হৈছে। অসম সমবায়, চেনীকলৰ কৰ্মীয়ে ৭২ মাহে দৰমহা পোৱা নাই। ১৯৯৬ চনৰ পৰা এই অনিয়ম চলি আছে। ষ্টেটফেদৰ কৰ্মচাৰীয়ে এতিয়াও দৰমহা পোৱা নাই। শাখাবিলাকে ৩০ মাহ পৰ্য্যন্ত দৰমহা পোৱা নাই। ৭২ মাহে দৰমহা দিব পৰা নাই। আমাৰ চৰকাৰৰ মাত্ৰ ৯ মাহহে হ'ল, ৭২ মানে প্ৰায় ৬ বছৰ অৰ্থাৎ আগৰ চৰকাৰৰ গাফিলতিৰ কাৰণে দৰমহা দিব পৰা নাই। গতিকে এই নিগম বিলাক জীয়াই থকাৰ ব্যৱস্থা কৰক। বিষয়টো তদন্ত কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু যি সকল ইতিমধ্যে মৰিল বা আত্মহত্যা কৰিলে ক্ষতিপূৰণ হিচাৱে তেওঁলোকৰ পৰিয়ালৰ একোজনক চাকৰী দিয়াৰ ব্যৱস্থা কৰক। এইখিনিকে কৈ বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আৰ্কষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি খন জাননী দিছে, সেই জাননীখন ৰাতিপুৱা ৯ বজাত সদনত মোৰ হাতত দিছে। সেই ফালৰ পৰা বিতং তথ্য পাতি আজি দিব নোৱাৰিলো।

অধ্যক্ষ মহোদয়, ৰাজহুৱা নিগম বিলাক উদ্যোগ বিভাগৰ নহয়, কিছুমান উদ্যোগ বিভাগৰ, কিছুমান সমবায় বিভাগৰ, কিছুমান কৃষি বিভাগৰ অধীনত থাকে। ৪৯ টা নিগম আছে। এই নিগম বিলাকৰ দুটা এটাৰ বাহিৰে বাকী বিলাক নিগমে লোকচান ভৰি আছে। যোৱা চাৰি বছৰে কৰ্মচাৰীয়ে দৰমহা পোৱা নাই, এই বিষয়ে উদ্বীগ্ন। পাবলিক এন্টাৰপ্ৰাইজ ডিপাৰ্টমেন্টক নিৰ্দেশ দিয়া হৈছে যে লোকচান ভৰি থকা উদ্যোগ চলাই থাকিব নোৱাৰে। এই বিলাকৰ পৰা লাভৰ মুখ দেখিবলৈ পোৱা নাই। সেয়ে কোনটো উদ্যোগ কেনেকৈ কৰিব পৰা যায় সেই সম্পৰ্কে নিৰ্দেশ দিয়া হৈছে। উদ্যোগ বিভাগৰ ৰাজহুৱা নিগমৰ কৰ্মচাৰীয়ে আত্মহত্যা কৰিছে, এই সম্পৰ্কে আমি উদ্বিগ্ন। গতিকে এই বিষয়টো সদনত ভালকৈ আলোচনা কৰিবৰ বাবে আপুনি যদি অনুমতি দিয়ে, তেতিয়া হ'লে সেইটো নিশ্চয় কৰা হ'ব।

## CALL ATTENTION NOTICE

**Mr. Speaker :** Now, item No.2. Shri Dilip Kumar Saikia to call the attention of the Minister, Home under rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in "The Sentinel" dt. 25.2.2002 under the caption "Extortion regime plays havoc with Assam economy."

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, তাৰ আগতে মই ক'বলৈ বিচাৰিছো যে যোৱা কালি মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ সাংবাদিকক মাতি উগ্ৰপন্থী সমস্যাৰ বিষয়ে আলোচনা কৰিছিল। আমি ভাল পাইছো। টাইমচ অব ইণ্ডিয়া বাতৰি কাকতত ওলাইছে।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ যিটো কথা উৎথাপন কৰিছে পইন্ট অব অৰ্ডাৰ নিয়মৰ ভিতৰতহে হয়। কিন্তু এই কথাটো নিয়মৰ বাহিৰত, ইন্টাৰোপচন কৰা হৈছে।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, শাসক দলে সদনত বিবৃতি

---

* Speach not corrected

দাখিল কৰিব নেকি? মেটাৰটো চিৰিয়াচ। যোৱা ২৬ তাৰিখে বাংলাদেশৰ কৃষি মন্ত্ৰীৰ ঘৰত অসমৰ আলফাই আলোচনা কৰিছে বুলি কৈছে। এই কথাটো টাইমচ্ অব ইণ্ডিয়া কাকতত ওলাইছে। ৰাজ্যিক গৃহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে সদনত বিবৃতি দিব নেকি?

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান মুখ্যমন্ত্ৰী ডাঙৰীয়া নাই। এই বিষয়ে পিচত বিবৃতি দিয়া হ'ব।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২৫-২-২০০২ তাৰিখৰ 'দি চেন্টিনেল' কাকতত প্ৰকাশিত "Extortion regime plays havoc with Assam economy." শীৰ্ষক বাতৰিটোৰ প্ৰতি গৃহ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, বৰ্ত্তমান অসমৰ বৈদেশিক, অৰ্থনৈতিক পৰিস্থিতি একেবাৰে বেয়া। এই পৰিস্থিতিৰ কাৰণ কিছুমান সংগঠন জৰিত বুলি বাতৰি কাকতত উল্লেখ কৰিছে। অসমৰ বাহিৰৰ পৰা উত্তৰ পূৰ্ব্বাঞ্চললৈ লোডেড ট্ৰাক আহে। উগ্ৰপন্থী সংগঠনে হওঁক বা অসম চৰকাৰৰ কৰ্মচাৰীয়েই হওঁক বেচৰকাৰীভাবে বিভিন্ন সময়ত বিভিন্ন ধৰণে টকা পইচা দাবী কৰে। উদাহৰণস্বৰূপে এখন ট্ৰাকত ৯ টন বস্তু কঢ়িয়াই কলিকতাৰ পৰা গুৱাহাটীলৈ আহে। এক হাজাৰ এক শ কিঃমিঃত ২০ হেজাৰ ভাৰা দিব লাগে। কলিকতাৰ পৰা চেন্নাইলৈ এক হাজাৰ ৬ শ কিঃ মিঃত ১৬ হাজাৰ টকা দিব লাগে। বিভিন্ন চেক্ গেটৰ কাৰণে এইটো হয়।

অধ্যক্ষ মহোদয়, যোৱা পৰহি দিনা ৰুলিং পাৰ্টিৰ বিধায়কে অনসনত বহিছিল। চেক্ গেটত যি বিলাক বাছ আহে, সেই বাছ বিলাকৰ পৰা প্ৰতিদিনে বহুত টকা সংগ্ৰহ কৰে। ৰাইজৰ প্ৰতিবাদত শাসক দলৰ জেষ্ঠ বিধায়ক কলিতা ডাঙৰীয়াই অনসনত বহিছিল। অ.গ.প দিনৰ চেক গেটৰ বিষয়ে গালি পাৰি তেওঁলোকে অনশনত বহিছে, ভাল পাইছো। এখন চেক্ গেটত শদিয়াৰ পৰা ধুবুৰীলৈ দুশ টকাৰ ঠাইত ছয়শ টকা লয়, বাকী চাৰিশ টকা ক'লৈ যায়। এইটো ডাঙৰ প্ৰশ্ন তাৰ কাৰণে গৃহমন্ত্ৰী ডাঙৰীয়াই বিভিন্ন ধৰণৰ ষ্টেটমেন্ট দিছে। এই দুশ টকাৰ ঠাইত ছয়শ টকা দিয়া হৈছে। এই বিষয়ত চৰকাৰে বিবেচনা কৰিব লাগে, বিহিত ব্যৱস্থা ল'ব লাগে। প্ৰতিখন বাতৰি কাকতত হেড লাইন আহিছে, কিবা এটা হৈছে। কি কিবা এটা হৈছে, গৃহমন্ত্ৰী ডাঙৰীয়াই বিহীত

* Speach not corrected

ব্যৱস্থা লওঁক। পৰহি দিনাখন মাছ্ৰ ওপৰত টেক্স ল'ব বিচাৰিছিল। এই ক্ষেত্ৰত চেক্ গেটত ব্যৱস্থা ল'ব লাগিছিল, কিন্তু লোৱা নাই। বৰদলৈ ডাঙৰীয়াই কাৰ ওচৰত মুৰ দোৱালে, অদৃশ্য শক্তিৰ ওচৰত মুৰ দোৱালে নেকি? শতকৰা দুই ভাগ বৃদ্ধি কৰা হৈছে, এই টেক্স মাছ্ৰ ওপৰত, কণীৰ ওপৰত হ'ব। তেওঁলোকে ভৰিব লাগিব। অসমত ইকোনমি শেষ হৈ গৈছে। উদ্যোগৰ ট্ৰাকবিলাক অসমলৈ আহিবলৈ নিৰিচাৰে, ড্ৰাইভাৰ সকলে টকা নিদিয়ে, যদি নিদিয়ে লাইচেন্স, টকা-পইচা কাঢ়ি লৈ যায়। ছয়শ টকা দিব লাগিব। যিবিলাক চেক গেট হৈছে, কংগ্ৰেছৰ ভায়েক বা চালফাকে দিয়ক, তাত আপত্তি নাই। অসম চৰকাৰৰ বাছ ৰাতি চলোৱা হয়, এই কথাটো চিন্তা কৰিব লাগিব। দুশ টকাৰ ঠাইত চাৰিশ কৰিছে, সেইখিনি দিব লাগিব। চৰকাৰে ব্যৱস্থা ল'ব লাগে।

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (বাণিজ্যিক মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি কথাৰ অৱতাৰণা কৰিছে, এইটোত নিসন্দেহে দুৰুত্ব আছে। আমি সকলোৱে গুৰুত্বপূৰ্ণ বিষয় বিলাক আলোচনা কৰিব লাগিব আৰু ব্যৱস্থা ল'ব লাগিব। আমাৰ চৰকাৰে যেতিয়া শাসনভাৰ লৈছিল, তেতিয়া গৃহ বিভাগৰ ফালৰ পৰা সমীক্ষা চলোৱা হৈছিল।

মাননীয় অধ্যক্ষ মহোদয়, গৃহ বিভাগৰ সমীক্ষাত এইটো প্ৰতিভাত হৈছে যে শ্ৰীৰামপুৰৰ পৰা শদিয়ালৈ মুঠতে ১৮৪ টা চেকগেট আছিল। এইবিলাক বিভিন্ন ঠাইত আছিল। আমাৰ চৰকাৰ অহাৰ পৰা স্পষ্ট নিৰ্দেশ দিয়া হৈছে যে পুলিচৰ কোনো চেকগেট ৰাষ্ট্ৰীয় ঘাই পথত থাকিব নোৱাৰে। ডি-জি-পি পৰ্য্যায়ৰ পৰা সকলো আৰক্ষী অধীক্ষক লৈ ওৱাৰলেচ বাৰ্ত্তা যোগে এই নিৰ্দেশ দিয়া হৈছে। সেই কাৰণে ৰাষ্ট্ৰীয় ঘাই পথত আমাৰ পুলিচ বিভাগৰ কোনো চেক গেট নাই। পুলিচৰ অস্ত্ৰ-শস্ত্ৰ আদি নিলে সেইটো বিশেষ তথ্যৰ পেৰত বিশেষ ব্যৱস্থা লোৱা হয়। কিন্তু শ্ৰীৰামপুৰ গেটত পাঁচটা বিভাগৰ চেকগেট আছে। এগ্ৰিকালচাৰ মাৰ্কেটিং, ফৰেষ্ট পৰিবহন, চেলচ্ টেক্স আদি বিভাগৰ একোখনকৈ চেক্গট আছে। এইটো বোধহয় সময়োচিত কথা কোৱা হ'ব যে কলিকতাৰ পৰা বোম্বাইৰ পৰা মাদ্ৰাজৰ পৰা পৰিবহন কৰি অহা ট্ৰাক বোৰ আহি শ্ৰীৰামপুৰ গেটত বহুত সময় ডিটেইন হৈ থাকিব লাগে। অসম আহি পোৱাৰ পিচতে বাধাৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে এক্সচাইজ বা মাৰ্কেটিং বোৰ্ডে সেই বিষয়ক সামগ্ৰীৰ ওপৰত টেক্স ল'ব পাৰে কিন্তু লো লক্কৰৰ কাৰণেও টেক্স লৈ থাকে। জি, এম, চিৰ পৰা টেক্স কালেকশ্বন কৰাত গৃহ বিভাগৰো কোনো দায়িত্ব নাই। গৃহ বিভাগৰ কৰিবলগীয়া একো নাই। নিজ নিজ বিভাগৰ বিধি নিয়ম আছে। উলংঘা কৰিলেহে ব্যৱস্থা ল'বলগীয়া হয়। এতিয়া

* Speach not corrected

গোটেই বিলাক নীতি নিয়মৰ মাজেদি হৈ আছে। যদি কৰবাত ধন দিয়া বা লোৱাৰ কথা আমাৰ মাজত প্ৰমাণিত হয় তেন্তে সেই বিষয়া বা কৰ্মচাৰীৰ বিৰুদ্ধে তৎকালে ব্যৱস্থা লোৱা হ'ব। মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়াই সকলো বিলাক ধোৱা তুলসীপাত নহয় বুলি কৈছিল সেইটো হয়। সকলো বিলাক একো নহয়। কিন্তু ব্যৱস্থা গ্ৰহণৰ কাৰণে আমাৰ প্ৰমাণৰ আৱশ্যক হয়। কিন্তু আমাৰ গৃহ বিভাগৰ তৰফৰ পৰা তেনে অসাধু লোকৰ বিপৰীতে ব্যৱস্থা লোৱাৰ কাৰণে গৃহ বিভাগৰ পৰা নিৰ্দেশ জাৰি কৰা আছে। ইয়াৰ লগতে পুলিচৰ লোকে যাতে ট্ৰাকৰ পৰা টকা সংগ্ৰহ কৰিব নোৱাৰে তাৰ বাবে ব্যৱস্থা লোৱা হৈছে। পুলিচৰ মানুহৰ বিৰুদ্ধে তেনে ক্ষেত্ৰত ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে। গোলোকগঞ্জ থানা, পাগলাহাট, ৰঙিয়া, বশিষ্ঠ থানাৰ পুলিচ বিষয়া কেইজনমানৰ বিৰুদ্ধে ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে। এতিয়া ১১ টা গোচৰ চলি আছে। চাপৰ থানাৰ উপ-আৰক্ষী অধীক্ষকৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হৈছে। ৰঙিয়া, হেলেম আৰু ডিব্ৰুগড়তো আৰক্ষী অধীক্ষকৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হৈছে। ইয়াৰ উপৰিও বাৰে বাৰে সকীয়াই থকা হৈছে। জিলা আৰক্ষী অধীক্ষক সকলক কোৱা হৈছে। পুলিচ বিভাগৰ পৰাও যাতে অৱহেলা কৰিব নোৱাৰে তাৰ কাৰণে চাৰপ্ৰাইজ ভিজিট কৰাৰ ব্যৱস্থা ৰখা হৈছে। কথা হ'ল গুৱাহাটীত অন্যান্য বহু বিভাগৰ শুল্ক আদায়ৰ ঘাটি আছে। কাবইটাৰীত আছে, গুৱাহাটীৰ জালুকবাৰীত আছে। এইবিলাক উঠাই দিয়াটো সম্ভৱপৰ নহয়। আজিৰ মুক্ত অৰ্থনীতিৰ লগত উত্তৰ পূৰ্ব্বাঞ্চলকো অৰ্থনৈতিক পৰিসৰৰ আওতালৈ আনিবলৈ সকলো মিলি ব্যৱস্থা ল'বলগীয়া হৈছে। আমি সেই বিলাক কথালৈ চিন্তা কৰিব পাৰিছো।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা** ঃ ইয়াৰ লগত আমাৰ প্ৰবীন নাগৰিক কমিটিকো সামৰি ল'ব লাগে।

* **ডঃ জয়নাথ শৰ্মা** ঃ মই মাননীয় সদস্য গৰাকীৰ লগত একমত। আমাৰ চৰকাৰৰ দিনতো এই ব্যৱস্থাটোৱে অৰ্থনীতিত মাধমাৰ নিদিয়া নহয়। গুৱাহাটী পৌৰ নিগমৰ নিয়ম মতে য'ত এশ টকা দিব লাগে তাত পাঁচ ছয়শ টকা দিবলগীয়া হয়। গতিকে ইয়াৰ লগত নাগৰিক কমিটিক সাঙুৰি দিয়াত আপত্তি কি থাকিব পাৰে।

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী)** ঃ উপযুক্ত ভাৱে এই কথা বিবেচনা কৰা হ'ব।

* **শ্ৰী বলীন বৰদলৈ** ঃ কম্পিউটাৰাইজ কৰাৰ কথা আছিল। সেইটোৰ কি হ'ল।

* **শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী)** ঃ সেই বিষয়ে আমি মনত ৰাখিছো।

* Speach not corrected

**Mr. Speaker :** Now, item No.3. Shri Himanta Biswa Sarma to draw attention of the Minister, Labour & Employment by raising the matter under Rule 301.

## MATTER UNDER RULE 301

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি এটা বিষয়ৰ প্ৰতি চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছো। সেইটো হৈছে সাংবাদিক সকলৰ দৰমহা পেঞ্চন আদি সম্পৰ্কত। এই গণতান্ত্ৰিক পদ্ধতিৰ চতুৰ্থ স্তম্ভৰ প্ৰকাশ সমূহক আমি অতীজৰ পৰা স্মৰণ কৰি আহিছো। এইটো কোৱা হৈছিল যে যেতিয়াই অৰ্ধমৰ সৃষ্টি হয় তেতিয়াই মানুহক সত পথেৰে পৰিচালিত কৰি সমাজ জীৱন নিকা কৰিবলৈ ধৰ্মৰক্ষকে নিজে আহি অৱতাৰ ৰূপ উপস্থিত হয়। আমি আজি দেখা পাই আহিছো যে চৰকাৰ সলনি কৰাৰ ক্ষেত্ৰত বা সমাজৰ পৰিৱৰ্ত্তনৰ কাৰণে জনসাধাৰণৰ মুক্ত প্ৰকাশ বিলাকৰ কথা সাংবাদিক সকল মুৰ্ত্তমান হৈ আহিছে। তেওঁলোকে বিভিন্ন প্ৰকাৰে মাত মাতি আহিছে। তেওঁলোকৰ সকীয়নিয়ে আমাৰ মেচিউৰিটি অৰ্হতাত সহায়ক হয়। ইয়াত তেওঁলোকৰ প্ৰতি প্ৰতিহিংসাৰ কথা নাহে। আনকি মোকো কোনো কোনো ক্ষেত্ৰত সমালোচনা কৰিছে। তাত মই বেয়া পোৱা নাই। কিবা যদি ভূল হৈ গৈছে তাক শুধৰাব পাৰিম। আমি যেতিয়া বিৰোধী পক্ষত থাকো তেতিয়া শাসনলৈ আহিলেই সাংবাদিক সকলৰ সাপেক্ষে মাত মাতো। কিন্তু শাসনলৈ অহাৰ পিচতে বাতৰি কাকতৰ মানুহ বিলাকে কাকতত দুই এটা কিবা লিখিলেই আমি তেওঁলোকক বেয়া পাবলৈ ধৰো আৰু তেওঁলোকৰ ভূমিকা অৱজ্ঞা কৰি চলিবলৈ চেষ্টা কৰো। আমি ৰাজনৈতিক মানুহ। আমাৰ সমালোচনা থাকিবই। আমি সেইটো স্বীকাৰ কৰি সহজ ভাবে ল'ব লাগিব। তেওঁবিলাকে প্ৰাপ্যখিনি পাইছে নে নাই সেইবিলাক চোৱাৰ আমাৰ সময় নাইকীয়া হয়। অসমত বিশেষ কৈ মণিসেনা আয়োগৰ পৰামৰ্শ কাৰ্য্যকৰী কৰা নাই। অৱশ্যে কৰাৰ ক্ষেত্ৰত অলপ অসুবিধা আছে। অসমৰ বাতৰি বিলাকৰ অৱস্থা ভাল নহয়। যিমানখিনি বিজ্ঞাপন আদি পাব লাগে সিমানখিনি অসম চৰকাৰে নিদিয়ে। বিজ্ঞাপনৰ কাৰণে অসম চৰকাৰে দিয়া দুই কোটি টকাও ঠিক মতে নাপায়। কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগীয়াখিনিও নাপায়। তাৰ ফলত মালিক পক্ষৰো সমস্যা আছে। আজি বহুতো শিক্ষিত নিবনুৱা যুৱকে বেলেগ চাকৰি বিচাৰি হাবাথুৰি নাখাই সাংবাদিকতাকে জীৱিকা হিচাপে লৈছে। তেওঁলোকক ৰক্ষণাবেক্ষণ দিয়াটো আমাৰ চৰকাৰৰ কৰ্ত্তব্য। সেয়েহে মই চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো যে এটা ত্ৰিপাক্ষিক সিদ্ধান্ত ল'ব লাগে। তাত সাংবাদিক, মালিক গোষ্ঠী আৰু

* Speach not corrected

চৰকাৰ উভয়খিনিয়ে আলোচনা কৰিব পৰা হ'ব। সাংবাদিক সকলৰ কোনো এজনৰ কিবা বেমাৰ হ'লে তেওঁলোকে মুখ্যমন্ত্ৰীৰ পুঁজিৰ পৰা সাহাৰ্য্য বিচাৰিব লাগে। তাৰ পিচত যদি সেই সাংবাদিকজনে চৰকাৰৰ বিৰুদ্ধে বা মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে লিখিছে বুলি কবলৈ থল থাকে। তেওঁলোক বিপদত পৰিলে চৰকাৰ বা মুখ্যমন্ত্ৰী ৰ ওচৰলৈ নগৈ কাৰ ওচৰলৈ যাব। অধ্যক্ষ মহোদয়, মই যদি মোৰ বেমাৰ বা মেডিকেল বিল পাছ কৰাৰ কাৰণে আপোনাৰ ওচৰলৈ যাব পাৰো তেতিয়াহ'লে তেওঁলোকো কাৰোবাৰ ওচৰলৈ যাব পৰা ব্যৱস্থা কৰিব লাগে। সেই কাৰণে মই এটা কৰপাচ কৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছো। মই শুনিবলৈ পাইছো দহ বছৰ মানৰ আগতে বেমাৰৰ চিকিৎসাৰ বাবে কোনো সাংবাদিকক মুখ্যমন্ত্ৰীৰ সাহাৰ্য্য পুঁজিৰ পৰা পচিশ হাজাৰ টকা দিছিল পিচত বাতৰি কাকতত কিবা কিবা লিখাৰ কাৰণে মুখ্যমন্ত্ৰীয়ে অমূকক চিকিৎসাৰ কাৰণে টকা দিলো কিন্তু বাতৰি কাকতত লিখিছে। মই অনুসন্ধান কৰি পাইছো তেখেতে প্ৰকৃততে বেমাৰী হৈছিল। সেই আজি মই কৰপাচ গঠন কৰাটো অতীব প্ৰয়োজন হোৱা বুলি অনুভৱ কৰি আজি ইয়াত উল্লেখ ৰাখিলোঁ।

সেয়ে সাংবাদিক সকলৰ বাবে তেওঁলোকৰ পেন্সনৰ বাবে বা বিপদ আদিত সহায় পাবৰ বাবে এটা কৰপাচ গঠন কৰিব লাগে। এইটো অতি প্ৰয়োজনীয় হৈ পৰিছে। তাৰোপৰি আমাৰ যি সকল প্ৰবীন সাংবাদিক আছে তেওঁলোককো এই আয়োগৰ আওতাৰ মাজলৈ আনিব পাৰিব লাগিব। কাৰণ তেওঁলোকৰো জীয়াই থকাৰ ইচ্ছা আছে, জীৱনৰ মূল্য আছে। বয়সৰ লগে লগে তেওঁলোকৰ ইউটিলিটি কমি যায়। যদিও তেওঁলোকৰ জীৱন ধাৰণৰ বাবে যি টকা প্ৰয়োজনীয় সেইটোৰ পৰিমাণ কমি নাযায়। সেয়ে মই কৈছো যে যি দৰে এল, আই, চিৰ পেন্সনৰ ব্যৱস্থা, পোষ্টেল বিভাগৰ আছে পেন্সনৰ ব্যৱস্থা, সেইদৰে সাংবাদিক সকলৰ বাবেও আমি সকলোৱে মিলি বা চৰকাৰৰ ফালৰ পৰাই হওঁক এটা ফান্দৰ ব্যৱস্থা কৰিলে ভাল হয় আৰু এইটো কৰিব লাগে। হয়তো এইটো এদিনতে নহ'ব সেইটো আমিও জানো। আমি বিৰোধী পক্ষত থাকোঁতেও সকলোৱে কয় সাংবাদিকসকলৰ কাৰণে কিবা এটা কৰিব লাগে। কিন্তু চৰকাৰী পক্ষত বহাৰ পিচত সকলোৱেই সেই বিষয়টো এৰাই চলে হয়তো কাগজত কিবা এটা বেয়া কথা বা বিৰুদ্ধে লিখে আৰু তেতিয়াই আমাৰ চৰকাৰী পক্ষই আমাৰ বিৰুদ্ধে লিখি থাকে বুলিয়েই বিষয়টো নেগ্‌লেট কৰে। কিন্তু সেইটো নহয়। গঠনমূলক সমালোচনা হ'ব লাগে আৰু কেতিয়াবা তেওঁলোকে লিখিবই লাগিব। আজি বাতৰি কাকতে মোৰ বিৰুদ্ধেও লিখিছে, মই আৰু পংকজদাই কিবা চেক্‌গেট আৱন্টনৰ পৰা পইচা পাম বোলে

আমিও এইবোৰ আৱন্টন দিয়াৰ ক্ষেত্ৰত আছো আদি নানা কথা লিখিছে। মই বেয়া পোৱা নাই। কিন্তু মই বিষয়টোৰ একো নজনা কাৰণেই মই অঞ্জনদাক সুধিছোহে কথাটো কি। মই বেয়া পোৱা নাই। আমাক গঠনমূলক সমালোচনা লাগে তেতিয়াহে আমি সাৱধান হ'ব পাৰিম। ভৱিষ্যতে নিকা হ'ব পাৰিম। এইটো অকল গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভইহে কৰিব পাৰে। আমাৰ মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছোঁ তেখেতে এখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰক। তাৰোপৰি তেখেতে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞাপন আদি আমাৰ বাতৰি কাকতৰ যোগে দিবলৈ অনুৰোধ জনালে ভাল হয়। কেন্দ্ৰই বহু কোটি টকা এই বিজ্ঞাপনৰ বাবে খৰচ কৰে। আমি জনাত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ত চিঠি পত্ৰ ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰলৈ লিখিছে। মই আজি এই প্ৰস্তাৱটো আনিছো কাকত গোষ্ঠীৰ সকলোৰে কাৰণেই। মই বিষয়টো এই কাৰণে অনা নাই যে কিয় মালিক পক্ষই মণিসেনা আয়োগৰ ৰিপৰ্ট কাৰ্য্যকৰী কৰা বুলি, মই অনা নাই কিয় মালিক পক্ষই প্ৰয়োজনীয় ব্যৱস্থা লোৱাই এইবিলাক কথা লৈ নহয়। মই এইটো আনিছো এই কাৰণেহে যে আমাৰ শ্ৰমমন্ত্ৰী মহোদয়ে যাতে এই ক্ষেত্ৰত এটা বিশেষ ব্যৱস্থা লৈ অসমৰ সাংবাদিক সকলক তেওঁলোকৰ জীৱনৰ নিৰাপত্তা আৰু চাকৰিৰ মৰ্য্যাদা আদি দিয়াৰ বাবে অসম চৰকাৰৰ যি কৰণীয় আছে সেইখিনি আন্তৰিকতাৰে কৰিবলৈ যাতে আগবাঢ়ি আহে তাৰ বাবে মই আকৌ এবাৰ অনুৰোধ জনাইছো।

অধ্যক্ষ মহোদয়, মই আপোনাকো অনুৰোধ জনাইছোঁ যাতে আজি যেনেকৈ আপুনি মোক এই বিধান সভাত এই বিষয়বস্তুটো অনাৰ কাৰণে সুবিধা দিলে সেই দৰেই অহা বিধান সভাতো এই বিষয়টো মোক উত্থাপন কৰিবলৈ সুবিধা দি আমাৰ শ্ৰম মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত কি কি কৰিলে বা কি ধৰণৰ ব্যৱস্থা কৰা হ'ল সেইটো জানিবৰ কাৰণে সুবিধা দিয়ে যেন। আমাৰ সাংবাদিক সকলে দেখিছো শ্ৰম মন্ত্ৰী মহোদয়ৰ বিষয়ে ভালেই লিখে। অৱশ্যে কেতিয়াবা যদি বেয়াও লিখে তেখেতে প্ৰবীন মানুহ তেখেতে বুজি পাব। সেয়ে আমি তেখেতৰ পৰা আশা কৰিছো যে তেখেতে এইটো এটা ব্যৱস্থা কৰি অসমৰ ইতিহাসত যুগমীয়া হৈ ৰওক কাৰণ অসমৰ কাৰণেই এইটো হ'ব এটা যুগমীয়া সৃষ্টি। মণিসেনা আয়োগৰ পৰমৰ্শৱলী গ্ৰহণ কৰি সাংবাদিক সকলৰ দৰমহা আৰু পেন্সন আদিৰ ব্যৱস্থা কৰিবৰ কাৰণে এটা ত্ৰিপাক্ষিক কপাৰ্চ গ্ৰহণ কৰক। এইটো গ্ৰহণ কৰিলোঁ। এইটো অকল মোৰেই মত নহয় সদনত যি সকল 'ৰাইট মাইণ্ডেড' বিধায়ক আছে সকলোৰেই একে ধৰণৰেই মত হ'ব।

সেয়ে মই আমাৰ শ্ৰম মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ তেখেতে অহা বিধান সভাত এই কথাটোৰ ওপৰত আৰু স্পষ্টভাৱে সকলো কথা জনাব। ইতিমধ্যে তেখেতে কি কি ব্যৱস্থা কৰিলে তাৰ উপৰত ব্যাখা কৰিব বুলি আশা কৰিলোঁ।

* **ডঃ জয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই মণি সেনা আয়োগৰ বস্তুটো বহুবাৰ আলোচনা কৰা হৈ গৈছে। কিন্তু ৰিকমেণ্ডেশ্যনবোৰ কিয় ল'ব পৰা হোৱা নাই। সেইটোৱে কথা। বাতৰি কাকতৰ মালিক সকলৰ ওপৰত কি আইন আছে। তেওঁলোকক এই আওতাৰ বিথৰথ পেলাব নোৱাৰি কাৰণ তেনে কোনো নিয়ম বা আইন এই ৰিকোমেণ্ডশ্যনৰ ভিতৰত নপৰে। মালিক পক্ষৰ ওপৰত কি আইন আছে? সেইটো আমি প্ৰথমতে চাই ল'ব লাগিব। আজি মই এটা প্ৰশ্নত দেখিছো এক কোটি ১৮ লাখ টকা বিজ্ঞাপনত দিয়া হৈছে। এই সা-সুবিধাখিনি মালিক গোষ্ঠীকহে দিয়া হৈছে। কিন্তু আয়োগৰ ৰিকোমেণ্ডশ্যনখিনি মানিবৰ কাৰণে চেষ্টা কৰিবলৈ কোনো প্ৰভিজন নাই। আমাৰ আজি 'ৰাইট অৱ ইনফৰমেশ্যন' যি আইন অনা হৈছে সেইবোৰ তেওঁলোকৰ ক্ষেত্ৰতো প্ৰয়োজন হ'লে এখন আইন আনক। তাৰোপৰি সাংবাদিক সকলৰ কথাই অকল চিন্তা কৰিলে নহ'ব। এই প্ৰেছত কাম কৰা সকলো ল'ৰা-ছোৱালী আনকি মেচিনমেনজনলৈকে আমি চিন্তা কৰিব লাগিব। তেওঁলোকৰ অসুবিধাসমূহ দূৰ কৰিভৰ কাৰণে আমি চিন্তা কৰিব লাগিব। আমি মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্মাই যি প্ৰস্তাৱ আনিছে সেই ক্ষেত্ৰত কওঁ হয়, মণি সেনা আয়োগৰ ৰিকোমেণ্ডশ্যন যিখিনি আছে সেইখিনি চৰকাৰে মালিক পক্ষক মানিবলৈ বাধ্য কৰিব পাৰিব লাগিব। তাৰ বাবে প্ৰয়োজন হ'লে এখন আইন আনক আমি সকলোৱে এই ক্ষেত্ৰত আপোনাক সহায় কৰিম।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আজি এই সদনৰ মজিয়াত সাংবাদিকৰ দৰমহা সংক্ৰান্তিয় কথাটো অতিকৈ গুৰুত্ব সহকাৰে ল'ব লাগে। আমাৰ মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সৈতে মই একমত। সাংবাদিক সকলক মালিক সকলে শোষণ কৰি আছে। সাংবাদিক সকলৰ লগতে তাত কাম কৰা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলকো মালিক সকলে শোষণ কৰি আছে। আজি যদি তেওঁলোকৰ কাৰণে চিন্তা নকৰো তেওঁলোকৰ কাৰণে কোনে চিন্তা কৰিব। প্ৰেছত কাম কৰা একোজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে মাহে মাত্ৰ ৯০০ টকাহে পায়। ৯০০ টকাৰে জানো এজন মানুহ চলিব পাৰে। আজি কাকত গোষ্ঠীৰ মালিক পক্ষই তেওঁলোকৰ কৰ্মচাৰীসকলক শোষণ কৰি আছে। অধ্যক্ষ মহোদয়, গতিকে আজিৰ এই সদনতে আপোনাৰ নেতৃত্বত

* Speach not corrected

এটা কমিটি গঠন কৰিব লাগে। আজি আমি বিৰোধী হিচাবেও এইটোত সমৰ্থন জনাম। আজি আমাৰ শ্ৰম মন্ত্ৰী মহাশয়ো সদনত আছে। তেখেতেও পৰমাৰ্শ আগবঢ়াওক। অধ্যক্ষ মহোদয়, আজি বিধান সভাত যি সকল সাংবাদিকে অংশ গ্ৰহণ কৰি আমাৰ এই বিধান সভাৰ কাম-কাজ বিলাক অসমৰ চুকে-কুণে পৰিৱেশন কৰি আছে সেই সকলৰ কাৰণে আমি চিন্তা কৰাটো নিতান্তই প্ৰয়োজন। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **ডঃ হৰেণ দাস :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আজি সদনত যি সাংবাদিকৰ দৰমহাৰ সংক্ৰান্তত কথা কৈছে তাত আমি একমত। আমাৰ বিৰোধী পক্ষৰ সদস্য সকলোও এই ক্ষেত্ৰত একমত হোৱা দেখা গৈছে। সাংবাদিক সকলক মালিক গোষ্ঠীয়ে শোষণ কৰি আছে। তেওঁলোকক শোষণ কৰি থকা কথাটো কিন্তু তেওঁলোকে সংবাদ পত্ৰত পৰিৱেশন কৰিব নোৱাৰে। আজি বিধান সভাত মাননীয় অধ্যক্ষৰ নেতৃত্বত যি কমিটিৰ কথা কৈছে তাত মই সমৰ্থন জনাইছো। মই নিজেও এসময়ত প্ৰেছ কাউন্সিলৰ সদস্য হৈ থাকোতে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত ভ্ৰমণ কৰোতে এই সাংবাদিক সকলৰ কাৰণে খবৰ পাইছিলো। আমাৰ অসম ৰাজ্যত ভ্ৰমণ কৰোতে এই সাংবাদিকৰ বাবে পেন্সনৰ ব্যৱস্থা আছে। সাংবাদিক সকলক দেশৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয়। গতিকে আজি আমি চিৰিয়াচলি বিষয়টো আলোচনা কৰা ভাল।

* **শ্ৰী পবিন্দ ডেকা :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শৰ্মা ডাঙৰীয়াৰ সৈতে মই একমত। মই ক'ব বিচাৰিছো যে আজি আমাৰ মাননীয় অধ্যক্ষৰ নেতৃত্বত এখন কমিটি গঠন হ'ব লাগে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী :** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যিটো সাংবাদিকৰ দৰমহাৰ সংক্ৰান্তিয় কথা কৈছে সেইটো আমি বিৰোধী দলত থাকিও সমৰ্থন আগবঢ়াইছো আৰু এই বিষয়টো চিৰিয়াচলি আলোচনা হ'ব লাগে।

* **শ্ৰী ৰণজিৎ দত্ত :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্মাই যিটো প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন কৰিছো। তেখেতে সাংবাদিক সকলৰ পেন্সন প্ৰভিডেন্ট ফান্দৰ কথা কৈছে এই ক্ষেত্ৰত মই একমত।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা :** মাননীয় অধ্যক্ষ মহোদয়, কমিটি এখন কৰি মনিটৰিঙৰ ব্যৱস্থা কৰিলে ভাল হয়।

* **শ্ৰী ৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মই এমাহৰ ভিতৰত

* Speach not corrected

ত্ৰিপাক্ষিক কমিটিখন গঠন কৰিম বুলি কৈছোঁৱেই।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শৰ্মা ডাঙৰীয়াই হাউচ কমিটি বুলি ক'ব খোজা নাই। তেখেতে কৈছে যে আপোনাৰ নেতৃত্বত শাসক আৰু বিৰোধী পক্ষই কেইজনমান সদস্যক লৈ এখন কমিটি গঠন কৰি দিলে সেই কমিটিয়ে শ্ৰম মন্ত্ৰীক এই বিষয়ে পৰামৰ্শ দিব পাৰিব।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিখন কমিটিৰ কথা কৈছে সেই কমিটিখনত মোৰো সমৰ্থন আছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি এখন সৰু কমিটি গঠন কৰি দিয়ক।

* **শ্ৰী ৰামেশ্বৰ ধানোৱাৰ (শ্ৰম মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ কৰ্মৰত বাৰ্ত্তাজীৱি আৰু অসাংবাদিক সকলৰ দৰমহাৰ নিৰিখ কেন্দ্ৰীয় চৰকাৰে ১৯৫৫ চনৰ কৰ্মৰত সাংবাদিক আৰু আন বাতৰি কাকত কৰ্মচাৰী (আচৰণ) আৰু অন্যান্য ব্যৱস্থা (The working journalists and other News Paper Employees (Condition of Service) and Misc. Provisions Act,1955) আইনৰ অধীনত সময়ে সময়ে নিৰ্দ্ধাৰিণ/পুনঃ নিৰ্দ্ধাৰিণ কৰি আহিছে।

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা গঠিত মণিসেনা আয়োগৰ পৰামৰ্শৱলী (Recommendations) কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰি ৫-১২-২০০০ তাৰিখে অধিসূচনা জাৰি কৰে।

অসম চৰকাৰৰ শ্ৰম বিভাগে মণিসেনা আয়োগৰ পৰামৰ্শাৱলী কাৰ্য্যত প্ৰয়োগ কৰাৰ অৰ্থে (To implement the Provision of the recommendations) শ্ৰম আয়ুক্তৰ যোগেদি যথাবিহিত ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰিছে। কিন্তু কাৰ্য্যতঃ অসমত বৰ্ত্তি থকা ৫১ খন বাতৰি কাকত প্ৰতিষ্ঠানৰ ভিতৰত মাত্ৰ ৮ খন বাতৰি কাকত গোষ্ঠীয়ে মণিসেনা আয়োগৰ প্ৰতিবেদন কাৰ্য্যকৰী কৰাৰ বাবে যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰিছে।

জাননীত উল্লেখ কৰা প্ৰসঙ্গত এইটো উল্লেখ্য যে শ্ৰম বিভাগত থকা তথ্য অনুসৰি অসমত বৰ্ত্তমান ৫১ খন বাতৰি কাকতহে কাৰ্য্যক্ষম হৈ বৰ্ত্তি আছে। সেই বাতৰি কাকত সমূহৰ ভিতৰত মুঠ ৮ খন বাতৰি কাকত গোষ্ঠীয়ে মণিসেনা আয়োগৰ অনুমোদন অনুসৰি কৰ্মচাৰীসকলক দৰমহা দিয়াৰ পদক্ষেপ গ্ৰহণ কৰিছে।

মাননীয় বিধায়ক গৰাকীয়ে জাননীত উল্লেখ কৰা ধৰণে কাৰ্য্যতঃ কেইবাটাও

---

* Speach not corrected

বাতৰি কাকত গোষ্ঠীয়ে বাৰ্ত্তাজীৱি আৰু কৰ্মচাৰীসকলক মণিসেনা আয়োগৰ অনুমোদনৰ ভিত্তিত দৰমহা আৰু আন আন বিধিগত প্ৰাপ্যসমূহ আদায় দিব পৰা নাই। এই দিশত বাতৰি কাকত সমূহৰ আৰ্থিক দিশটো বিবেচনা কৰাৰ প্ৰয়োজনো নথকা নহয়।

মণিসেনা আয়োগৰ অনুমোদনৰ ভিত্তিত বাৰ্ত্তজীৱি, অসাংবাদিক আৰু আন আন কৰ্মচাৰীসকলক প্ৰাপ্য মঞ্জুৰি আদায় দিয়াটো নিশ্চিত কৰিবলৈ এখন ত্ৰিপাক্ষিক কমিটি গঠন কৰাৰ বাবে বিবেচনা কৰা হৈছে আৰু এমাহৰ ভিতৰত এই ত্ৰিপাক্ষিক কমিটিখন গঠন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰৰ শ্ৰম মন্ত্ৰণালয়ৰ পৰাও প্ৰয়োজনীয় নিৰ্দেশনা পোৱা গৈছে।

ইয়াৰ উৰ্পৰিও শ্ৰম বিভাগৰ ক্ষেত্ৰ বিষয়াসকলৰ মাধ্যমেৰেও বাতৰি কাকত গোষ্ঠীসমূহক এই অনুমোদনাৱলীৰ বিষয়ে বিতংকৈ অৱগত কৰি কাৰ্য্যকৰি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

অধ্যক্ষ মহোদয়, ১৯৮৩ চনত আমি সাংবাদিক সকলৰ বাবে পেঞ্চনৰ ব্যৱস্থা কৰাৰ কাৰণে এখন বিধেয়ক আনিবৰ কাৰণে চেষ্টা চলাই আছিলো। কিন্তু এতিয়া কি পৰ্য্যায়ত আছে মই নাজানো। মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ দৰমহা বিষয়ে যিটো উত্থাপন কৰিছিল সেই সংক্ৰান্তত মই এই বিবৃত্তিটো সদনত দাঙি ধৰিলো।

## INTRODUCTION OF GOVERNMENT BILL

**Mr. Speaker : Now, item No.4, Hon'ble Minister, Panchayat & Rural Development to beg leave to introduce "The Assam Panchayat (No.II) (Amendment) Bill, 2002.**

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, মাননীয় পঞ্চায়ত মন্ত্ৰী মহোদয়ে যিখন বিল সদনত আনিব বিচাৰিছে এই সম্পৰ্কত মই দুটামান কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বিলখনৰ জৰিয়তে মন্ত্ৰী মহোদয়ে টু থাৰ্ড সলনি কৰি ফৰ বাই ফাইভ কৰিব বিচাৰিছে। অধ্যক্ষ মহোদয়, মই গোটেই বিলখন পঢ়ি চোৱা নাই যদিও উপৰে উপৰে চাইয়ে গম পাইছো যে মন্ত্ৰী মহোদয়ে কিহৰ বাবে টু থাৰ্ড সলনি কৰি ফৰ ফাইভ কৰিব বিচাৰিছে। ইয়াৰোপৰি এই বিলখনত আৰু এটা কথা দেখা পাইছো যে এচ, ডি, পি, চিৰ চেয়াৰমেন হিচাপে জিলা পৰিষদৰ চেয়াৰমেনজনকে ৰাখিব বিচাৰিছে। অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেখেতে

---

* Speach not corrected

কি সাংঘাটিক কথাৰ বাবে জিলা পৰিষদৰ চেয়াৰমেনজনকে এচ, ডি, পি, চিৰ চেয়াৰমেন কৰিব বিচাৰিছে। ১৯৯১-৯৪ চনতো এই সম্পৰ্কে বহু ডিবেট হৈছিল। সেই সময়তো আমি আইনখনত থকা ভুলবোৰ দেখুৱাই দিছিলো। অধ্যক্ষ মহোদয়, এচ, ডি, পি, চিৰ বৈঠক বছৰত এবাৰ বা দুবাৰহে বহে। তাৰোপৰি ইতিমধ্যে জিলা পৰিষদক যথেষ্ট ক্ষমতা দিয়া হৈছেই। সেয়েহে আমি ক'ব বিচাৰিছো যে সংশ্লিষ্ট জিলাৰ মন্ত্ৰী বা এম, এল, এ সকলক সেই জিলাৰ এচ, ডি, পি, চিৰ চেয়াৰমেন কৰি দিব লাগে। অধ্যক্ষ মহোদয়, মন্ত্ৰী সকল বা বিধায়ক সকলৰ ক্ষমতা থকাটো ভাল। সেয়েহে মন্ত্ৰী মহোদয়ে এই কথাটো অলপ চিন্তা কৰিলে ভাল হয়।

* **ডঃ জয়নাথ শৰ্মা ঃ** অধ্যক্ষ মহোদয়, এই বিলখনৰ জৰিয়তে মন্ত্ৰী মহোদয়ে টু থাৰ্ড ব্যৱস্থা সলনি কৰি ফৰ ফাইভৰ ব্যৱস্থা কৰিব বিচাৰিছে। অধ্যক্ষ মহোদয়, এইটো কৰিলে সংবিধানৰ বিৰুদ্ধে যোৱা হ'ব। সংবিধানৰ কতো ফৰ ফাইভৰ ব্যৱস্থা নাই। সকলোতে তিনি ভাগৰ দুই বুলিহে আছে। গতিকে অধ্যক্ষ মহোদয়, আপুনি সংবিধানৰ বিৰুদ্ধে কিয় যাব। অধ্যক্ষ মহোদয়, আপুনি সংবিধান ৰক্ষাহে কৰিব লাগে। গতিকে ষ্টেট এচেম্বলিৰ কোনো ৰাইট নাই যে তিনি ভাগৰ দুই সলনি কৰি পাঁচ ভাগৰ চাৰিৰ ব্যৱস্থা কৰিব। সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক এই কথাটো চিন্তা কৰি চোৱাৰ বাবে অনুৰোধ জনাইছো।

* **শ্ৰী টংক বাহাদুৰ ৰায় ঃ** অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য জনক সুধিব বিচাৰিছো যে সংবিধানৰ ক'ত ক'ত তিনি ভাগৰ দুই বুলি লিখা আছে?

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী বা বিধায়ক সকলৰ ভূমিকা থাকিলে ভাল হয়। যদি মাননীয় মন্ত্ৰী মহোদয়ে কিবা সাংঘাটিক ভাবি কিবা কৰিব বিচাৰিছে তেনেহ'লে বেলেগ কথা।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্লেনিং কমিটি সম্পৰ্কে যিখিনি কথা কৈছে, সেইখিনি একেবাৰে চিম্পল। আমি যিখন আইন কৰিছিলো, সেইমতে The president of the Zilla Parishad will be the Chairman of the District Planning Committee.

মাননীয় অধ্যক্ষ মহোদয়, প্লেনিংত দিয়া নিদিয়া কথা নহয়, প্ৰশ্ন হৈছে আমি এতিয়া জনতাক ক্ষমতা দিয়াৰ কথা। পঞ্চায়ত এতিয়া চেঞ্জ হৈছে- ক্ষমতা লৈ ৰাইজ এতিয়া পঞ্চায়তত। যদি আমি পঞ্চায়তকেই ক্ষমতা নিদিও তেন্তে এই গোটেই

---

* Speach not corrected

উদ্দেশ্যটো ব্যৰ্থ হ'ব। চৰকাৰে পঞ্চায়ত আইন সংশোধনী কৰিছে। ভাৰত চৰকাৰে এতিয়া বিচাৰিছে যে আমি পঞ্চায়তক ক্ষমতা দিব লাগে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আইনখনৰ ক্লজ থ্ৰীত যিটো আছে এইটো চেঞ্জ কৰিব লাগে। As per clause 3 (vii) of the Act District Planning Committee shall consolidate the plan prepared by the Zilla Parishad, Anchalik Parishad, Gaon Parishad, Town Committee, Municipals;Corporation and prepare the draft development plan as a whole. তলৰ লেভেলত সকলো প্লেনিং কৰিব – পৌৰ সভা, পশ্চায়ত, জিলা পৰিষদ এই গোটেইবোৰ কনচলিডেট কৰিব লাগিব। জিলা প্লেনিং কমিটিৰ তলত জিলা পৰিষদটো সদস্য থাকিব। কিন্তু জিলা পৰিষদৰ মানুহ থাকিও যদি ভুল কৰে তেন্তে কোনে ঠিক কৰিব। ডিষ্ট্ৰিক প্লেনিং কমিটিয়ে ড্ৰাফট প্লেন কৰিব – তাত চাৰিউখন কমিটিৰ মানুহে কাম কৰিলে তাত যদি কিবা ডাউট হয় অসুবিধা হ'ব। বিধায়ক বা মন্ত্ৰীয়ে তাত কোনো হস্তক্ষেপ কৰিব নোৱাৰিব – তেওঁলোকৰ ক্ষমতা নেথাকিব। অধ্যক্ষ মহোদয়, যি দেখা গৈছে এতিয়া আমাৰ পাৱাৰ কাটি কাটি শেষ কৰাৰ নিচিনা হৈছে। ব্ৰীটিছৰ দিনৰ উপায়ুক্ত সকলৰ ক্ষমতাৰ দৰে এতিয়াৰ উপায়ুক্ত সকলৰ ক্ষমতা হ'ব এতিয়া।

পশ্চায়তৰ সভাপতিৰ অধিক ক্ষমতা দি আমাৰ ক্ষমতা কমোৱা হৈছে। বিধায়ক হিচাবে আমাৰ ক্ষমতা কৰ্ত্তন কৰা হৈছে মই এই কথা অনুভৱ কৰিছো। প্লেনিং কমিটিত ক্ষমতা কনচলিডেটেড কৰাৰ কাৰণে বহু আঁচনিৰ সুফল পোৱা নেযাব, শেষত ই বুমেৰাং হ'ব।

* **শ্ৰী বিমলাংশু ৰয় ঃ** অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক সকলৰ ৰোল এতিয়া কি হ'ব? ৰাইজে এতিয়া আমাক কিহৰ কাৰণে ভোট দিব? আমাৰ অধিকাৰ আমি প্ৰয়োগ কৰিব নোৱাৰা হ'ম। মিউনিচিপাল কমিটি, ৰুৰেল এৰিয়াজ আৰু চৰ এৰিয়াক সামৰি প্লেনিং বোৰ্ড কৰিছে – এই আঁচনি সমূহ কি হ'বগৈ? আমাৰ বিধায়ক আৰু মন্ত্ৰী সকলৰ কৰ্ত্তৃত্ব কি হ'ব – এই বিষয়ে চৰকাৰে চিন্তা কৰিব লাগে।

* **ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বোৰ্ডত মিউনিচিপাল কমিটিৰ মানুহ সদস্য হিচাবে থাকিব। ভাৰত চৰকাৰে গাৱলৈ ক্ষমতা হস্তান্তৰ কৰিবলৈ নিৰ্দ্দেশ দিছে। গাঁৱৰ পৰা অহা এজন লোক চেয়াৰমেন হ'লেও বিধায়ক সকল সদস্য হৈ থাকিব।

* **ডঃ জয়নাথ শৰ্মা ঃ** অধ্যক্ষ মহোদয়, ডি, পি, চি হ'ব তাত ৰুৰেল এৰিয়া আৰু

---

* Speach not corrected

আৰবান এৰিয়া দুযোটা এৰিয়াৰেই কাম কৰিব লাগিব। কিন্তু প্ৰেচিডেণ্টজন ৰুৰেল এৰিয়াৰ পৰা দিয়া হ'ব – তেওঁ আৰবান এৰিয়াৰ কাম কেনেকৈ কৰিব? কেইজনমান সচিবে আপোনালৈ ফাইল পঠাই দিলে আৰু আপুনি তাত এগ্ৰি কৰিব এইটো কেনেকৈ হ'ব। গোটেই ইমপ্লিমেণ্ট দিশটো আপুনি চালি-জাৰি চাব লাগিব। ৰুৰেল আৰবান এৰিয়াৰ কাম কোনে কৰিব?

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, আজি এই বিলখন পাছ হৈ গলেও অচিৰেই ইয়াৰ সংশোধনী আনিব লাগিব। বৰুক্ৰেট লেভেলত এই প্ৰচেচটোত ভুল হৈছে। আজি উপায়ুক্ত সকলে মিউনিচিপেল কমিটিৰ চেয়াৰমেন জনে কোনো কামত দেখা কৰিবলৈ গ'লে তেওঁলোকে দেখা কৰিবলৈ নিদিয়ে। কিন্তু আমাক গ'লে দেখা কৰিবলৈ দিয়ে এই কাৰণেই যে আমি এই পৱিত্ৰ সদনৰ সদস্য হিচাবে কিছু ক্ষমতাৰ অধিকাৰী হোৱা বাবে। আমি আমাৰ ফালৰ পৰা এই সংশোধনী বিচাৰিছো আৰু চৰকাৰে এইটো কৰিব লাগে।

* **ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সংবিধানৰ ৭৩ নং সংশোধনীৰ মতে গোটেই ভাৰততে এই ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা হৈছে। ভাৰত চৰকাৰে আমাক এই আইন মতে কাম কৰিবলৈ তাগিদা দি আছে সেয়ে আমাৰ চৰকাৰে এই ব্যৱস্থা ল'বলগীয়া হৈছে। প্ৰেচিডেণ্টজন গাঁৱৰ পৰা যোৱা মানুহক নিদি প্লেনিং কমিটিৰ চিফক দিলেনো কি হ'ব? মিউনিচিপেল কমিটিৰ চেয়াৰমেন জনো তাৰ সদস্য হ'ব। আলটিমেটলি ভালেই হ'ব।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** টাউন কমিটি, মিউনিচিপাল বোৰ্ড ইনক্লুড হৈছে। ইয়াত পঞ্চায়তৰ কথা ক'ব নোৱাৰি। ইয়াত তিনিটা তিনিটাকৈ ৬ টা বডি কনচলিডেট কৰিব পাৰি। আপোনালোকে আইন ইনট্ৰডিউচ কৰিব বিচাৰিছে আমি বাধা দিয়া নাই। মই মন্ত্ৰী ডাঙৰীয়াক ক'ব খুজিছো যে মই আগতেও এই বিধান সভাৰ বিৰোধী দলৰ সদস্য থাকোতেও এই কথাখিনি কৈছিলো। তেতিয়া তেখেতে এ বিলখন ইমপ্লিমেণ্ট নকৰো বুলি আশ্বাস দিছিল। পঞ্চায়তৰ মেম্বাৰ, কাউন্সিলৰ আৰু প্ৰেচিডেণ্টক এই বিলখন পাচ হ'লে কেনেকৈ নচুৱাব সেই কথাটো মই পিচত বিশ্লেষণ কৰিম।

* **ডঃ জয়নাথ শৰ্মা ঃ** চাৰ, মই আমাৰ মন্ত্ৰী মহোদয়ক এটা কথা ক'ব খুজিছো। তেখেতে বাৰে বাৰে চেণ্ট্ৰেল গৰ্ভমেণ্টৰ পৰা চিঠি অহা বুলি কৈছে। কাগজখন দিয়কচোন। কাগজখন অহা নাই। ৬ টা বডিয়ে যেতিয়া ড্ৰাফ্‌টখন প্লেন কৰিবলৈ যায় তেতিয়া

* Speach not corrected

তাৰে সেই ৬ টা বডিৰ মাজত এজনক যেতিয়া সভাপতি দিব সেই কথাটো নহ'ব। আপুনি তাৰ এটা উত্তৰ দিব লাগে। অথৰিটি থকা মানুহক চেয়াৰমেনৰ চাৰ্জ দিব লাগিব। আপুনি এইটো প্ৰেষ্টিজ ইছ্যু কৰি নলব।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, চিঠিখন আহিছে, মই লগত অনা নাই। এই বিলাক চোৱাৰ কাৰণে কেবিনেট মেমোৰেণ্ডাম অনা হৈছিল। এই বিষয়ে কেবিনেটত আলোচনা কৰা হৈছিল আৰু কেবিনেটত পাচ কৰা হৈছিল। কেবিনেটত পাচ কৰাৰ পিচতহে ইয়াত পাচ কৰাৰ কাৰণে অনা হৈছে। গতিকে আপোনালোকক অনুৰোধ কৰিছো আপোনালোকে ধৰি নাথাকি আমাক এই বিলখন পাচ কৰিবলৈ দিয়ক।

* **ডঃ জয়নাথ শৰ্মা :** চাৰ, ইয়াৰ ওপৰত আপুনি কিবা এটা ৰুলিং দিব লাগিব নতুবা অন বিহাফ অৱ দি গভৰ্ণমেন্ট পাৰ্লিয়ামেন্টৰী এফেয়াৰচ্ মিনিষ্টাৰে ষ্টেটমেন্ট দিব লাগিব। তাৰ পিচত আপুনি কথাটো চাব লাগিব। গতিকে আপুনি কিবা এটা কওক।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) :** চাৰ, মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰীয়ে যিখিনি কথা ক'লে সেই মতে আমাৰ চৰকাৰ এই ক্ষেত্ৰত সিদ্ধান্ত লৈছে। যিহেতু মন্ত্ৰী সকল বহুত ব্যস্ত থাকে সেই কাৰণে এই সিদ্ধান্তটো লৈছে। গোটেই ভাৰতবৰ্ষত ডিষ্ট্ৰিক প্লেনিং কমিটিৰ চেয়াৰমেনজন জিলা পৰিষদৰ চেয়াৰমেনজনক দিছে। সেইটো কাৰণতেই কেবিনেটত আমাৰ এইটো সিদ্ধান্ত লোৱা হৈছে। আমাৰ মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই ভালকৈ আলোচনা কৰাৰ যিটো কথা কৈছে সেই সম্পৰ্কত মই ক'ব বিচাৰিছো যে বহুত বাৰ আলোচনা বিলোচনা কৰাৰ পিচতহে এই সিদ্ধান্তটো লোৱা হৈছে যে জিলা পৰিষদৰ চেয়াৰমেন জন ডিষ্ট্ৰিক প্লেনিং কমিটিৰ চেয়াৰমেন হ'ব লাগে। আৰু এটা কথা আছে। সেইটো হ'ল বিশেষকৈ মন্ত্ৰী সকল প্লেনিং কমিটিৰ চেয়াৰমেন হ'ব নোৱাৰে। বহুতো কথা চিন্তা কৰি আলোচনা কৰাৰ পিচতহে চৰকাৰে এইটো সিদ্ধান্ত লৈছে। জিলা পৰিষদৰ প্ৰেচিডেন্ট জন ডিষ্ট্ৰিক প্লেনিং কমিটিৰ চেয়াৰমেন হ'ব নোৱাৰে বুলি মাননীয় সদস্য সকলে যিটো ব্যাখ্যা ডাঙি ধৰিছে সেইটো গ্ৰহণযোগ্য নহয়।

* **ডঃ জয়নাথ শৰ্মা :** চাৰ, গোটেই ভাৰতবৰ্ষৰ ভিতৰত ডিচেন্ট্ৰেলাইজ প্লেনিংৰ ব্যৱস্থাটো কিমানখন ৰাজ্যত আছে। ইউনিফৰ্মৰ কথাটো আপুনি কৈ আছে। ডিচেন্ট্ৰলাইজ ফাণ্ডটো প্লেনৰ কথা আলোচনা কৰিব। এতিয়া গোটেই ইণ্ডিয়াত ডিচেন্ট্ৰলাইজ প্লেনিংৰ কি চিচটেম আছে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) :** চাৰ, ডি, আৰ, ডি, এৰ চেয়াৰমেন হ'ল ডি, চি।

---

* Speech not corrected

তাত এম, পি, মিনিষ্টাৰ, এম, এল, এ মেম্বাৰ হয়। ঠিক তেনেকৈ ডিষ্ট্ৰিক প্লেনিং কমিটিত এম, পি, এম, এল, এ মিনিষ্টাৰ থাকিব। সেইকাৰণে আমিও তাত পাৰ্টিচিপেট কৰিব পাৰিম। তেওঁলোকে গোটেই বস্তুটো নিজেই ড্ৰাফ্‌ট প্লেন বনাই গভৰ্ণমেন্টলৈ পঠিয়াব আৰু গভৰ্ণমেন্টে এইটো এপ্ৰোভ কৰিব। আলটিমেটলি ফাইনেল এপ্ৰোভটো গভৰ্ণমেন্টে কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দুয়োপক্ষৰ কথা শুনা হ'ল। যিহেতু কেবিনেটত ডিচিচন লৈছে আৰু মন্ত্ৰীয়ে উত্তৰ দিছে গতিকে এই বিলখন ইনট্ৰোডিউচ কৰাৰ কাৰণে অনুৰোধ জনালো। Now, I request Dr. Bhumidhar Barman, Minister, Panchayat & rural Development to beg leave to introduce "The Assam Panchat (No.II) (Amendment) Bill, 2002".

* **Dr. Bhumidhar Barman (Minister) :** Mr. Speaker Sir, I beg leave to introduce before the House- "The Assam Panchayat (No.II) (Amendment) Bill, 2002."

**Secretary :** "The Assam Panchayat (No.II) (Amendment) Bill, 2002."

**Mr. Speaker :** Now, item No.5(A)

* **Shri Pradyut Bordoloi (Minister of State) :** Sir, I beg to move that "The Assam Right to information Bill, 2001" as reported by the select Committee be taken into Consideration.

* **ডঃ জয়নাথ শৰ্মা ঃ** Point of Order Sir. চিলেক্ট কমিটি সম্পৰ্কত ৰুল ২৩৪ (১) ত আছে - The Minister In-charge and the Member who introduce the Bill shall be the Member of the Committee. This is the provision of the Rule. এতিয়া চিলেক্ট কমিটিত কোন আছে। বিল ইনট্ৰোডিউচ কৰিছে মাননীয় মুখ্যমন্ত্ৰীয়ে। চিলেক্ট কমিটিত আছে- চেয়াৰমেন, শ্ৰীভৰত চন্দ্ৰ নৰহ, সংসদী পৰিক্ৰমামন্ত্ৰী আৰু মেম্বাৰ সকল হ'ল - শ্ৰীহৰেণ দাস, এম, এল, এ, শ্ৰী ৰিপুণ বৰা, এম, এল, এ, শ্ৰী মিচ্‌বাহুল ইছলাম লস্কৰ, এম, এল, এ, শ্ৰীনিলমণি সেন ডেকা, এম, এল, এ, শ্ৰী হিমন্ত বিশ্ব শৰ্মা, এম, এল, এ, শ্ৰী নুৰজামাল চৰকাৰ, এম, এল, এ শ্ৰীটংক বাহাদুৰ ৰায়, এম, এল, এ, শ্ৰীমতী অজন্তা নেওগ, এম, এল, এ, শ্ৰীগুণিন হাজৰিকা, এম, এল, এ, শ্ৰী বিমলাংশু ৰয়, এম, এল, এ, শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, এম, এল,

* Speach not corrected

এ, শ্ৰীপ্ৰেমধৰ বৰা, এম, এল, এ, শ্ৰীপবিন্দ্ৰ ডেকা এম, এল, এ, আৰু শ্ৰী ধৰম সিং টেৰণ এম, এল, এ,। এতিয়া অধ্যক্ষ মহোদয়, মই নিজে এখন দৰ্খাস্ত দিছিলো। ইয়াত ৰুলত আছে যদি কোনোবা মেম্বাৰে ইচ্ছা কৰে তেতিয়াহ'লে দৰ্খাস্ত দিব পাৰে। টু থাৰটি ফাইভ ৰুলত আছে "Members who are not member of select Committee may, with the permission of the Chairman, be present during the deliberation of the Committee, but shall not address the Committee nor sit in the body of the Committee."...........মই দৰ্খাস্ত এখন দিছিলো, মই কমিটিত থাকি কথাটো ক'ম। কিন্তু মোক কি কাৰণে ডিপ্ৰাইভ কৰা হ'ল। ঠিক আছে ডেপ্ৰাইভ কৰা হ'ল। এই চিলেক্ট কমিটিত কথাটো কওক যে এজন মেম্বাৰৰ পৰা এখন দৰ্খাস্ত পাইছিল আৰু তেওঁ এইটো চাবমিচন দিছিল। এই কাৰণত তেওঁৰ চাবমিচন বন্ধ কৰা হৈছে। মই ব্যক্তিগত ভাবে চেয়াৰমেনৰ ওচৰলৈ গৈছিলো। টু থাৰটি ফাইভ ৰুল এইটো ভায়েলেট কৰিব খুজিছে। যি জন মিনিষ্টাৰে বিল মোভ কৰিব সেইজন মিনিষ্টাৰ চিলেক্ট কমিটিৰ মেম্বাৰ হ'ব লাগিব। চাৰ, মাননীয় মুখ্যমন্ত্ৰীৰ সলনি পাৰ্লিয়ামেন্টৰী এফেয়াৰচ্ মিনিষ্টাৰ থাকিব বুলি আপুনি ৰুলিং দিয়া নাই। যেতিয়া মই ৰাইটিং চাবমিচন দিয়াৰ কাৰণে এখন দৰ্খাস্ত দিছিলো কিন্তু কি গ্ৰাউণ্ডত মোৰ কথা শুনা নাই। গতিকে এইটো ৰিকনচিডাৰেচনৰ কাৰণে যাব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ এইটো কমিটি যেতিয়া ৰিকনষ্টিটিউট কৰা হৈছিল তেতিয়া সদনক জনোৱা হৈছিল আৰু অন বিহাফ অৱ এম পাৰ্লিয়ামেন্টৰী এফেয়াৰচ্ মিনিষ্টাৰক এই দায়িত্বটো দিয়া হৈছিল। কথাটো হ'ল ইয়াত এই ৰিপোৰ্টটো চাবমিট কৰা হৈছে, লে কৰা হৈছে। গতিকে মোৰ বোধেৰে ইয়াত আপত্তি থাকিব নালাগে। অলৰেডি এইটো হাউচক জনোৱা হৈছে। যেতিয় কমিটিতো কনষ্টিটিউট কৰে তেতিয়া হাউচক জনোৱা হৈছিল। তাৰ পিচত ইয়াত আপত্তি থাকিব নেলাগে।

* **ডঃ জয়নাথ শৰ্মা** ঃ চাৰ, টু থাৰটি ফোৰ প্ৰভিজনটো বাদ দি আপুনি কোন প্ৰভিজনত কৈ আছে। এইখিনি আমাৰ পাৱাৰ আছে। টু থাৰটি ফোৰ প্ৰভিজন বাদ দি ইয়াত কাম কৰাৰ কিবা প্ৰভিজন আছে নেকি? যদি আছে তেতিয়াহ'লে আমাৰ কথা নাই। মোৰ প্ৰথম কথা হ'ল মই যি খন ৰিপ্ৰেজেনটেচন দিছিলো সেই সম্পৰ্কত মই হাউচত উপস্থিত থাকি মোৰ কথাখিনি ক'ম। কিন্তু মোৰ দৰ্খাস্তৰ কথা ইয়াত উল্লেখ আছে নে নাই? মোৰ আন এটা কথা হ'ল হাউচত মই এমেণ্ডমেন্ট মোভ কৰিছো।

---

* Speach not corrected

অধ্যক্ষ মহোদয়, মোৰ আপত্তি সম্পৰ্কত কি ব্যৱস্থা ল'লে? মই তিনিটা সংশোধনী দিছিলো আৰু হাউচৰ মত হৈছিল। হাউচে ৰিজেক্ট কৰিছে নেকি?

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** চিলেক্ট কমিটিত আলোচনাৰ কাৰণে দিয়া হৈছিল। সংশোধনী বিলাকৰ সম্পৰ্কত আলোচনা হৈছিল। তাৰ ওপৰত ভিত্তি কৰিয়েই গোটেই বিষয়টো মুভ কৰিছে। যিখিনি উৎথাপন কৰিছে গোটেই কাগজ-পত্ৰ চিলেক্ট কমিটিত আলোচনা কৰিছে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** হাউচ কমিটি গঠন হৈছিল তেতিয়া মেণ্ডেটৰী প্ৰভিজনত লেপচ্ হৈছিল। গতিকে The Minister-in-charge and members who introduced the Bill shall beg, Sir, here the word 'Shall' be important. গতিকে এইটো চাৱষ্টিটিউট কৰি দিব নোৱাৰে। সংসদী পৰিক্ৰমা মন্ত্ৰীক অনুৰোধ কৰিছো লেপচ্ যিটো হৈ গৈছে সেইটো চাৰ্কুলাৰ কৰি দিছে। ফৰমেলি মিনিষ্টাৰ ইন চাৰ্জ শ্ৰীতৰুণ গগৈৰ নামটো থাকিব লাগিব। চাবষ্টিটিউট কৰিব লাগিব।

* **ডঃ জয়নাথ শৰ্মা ঃ** মোৰ আপত্তি ৰেৰ্কড কৰি ৰিজেক্ট কৰিব লাগিব। মোৰ সংশোধনীটো চিলেক্ট কমিটিৰ ৰিজেক্ট কৰাৰ অথৰিটি নাই। মোৰ ফাণ্ডামেন্টেল ৰাইট কাৰটেইল কৰিছে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় সদস্য জয়নাথ শৰ্মাৰ আবেদনৰ ওপৰত চৰ্চা হৈছে। যিটো সংশোধনী প্ৰস্তাৱ আনিছে গ্ৰহণ কৰিব পৰা যাব নে নাই এইটো জয়নাথ শৰ্মাই ব্যক্তিগতভাবে ল'ব নালাগে। তেখেতৰ সংশোধনীৰ ওপৰত যথেষ্ট আলোচনা হৈছে।

* **ডঃ জয়নাথ শৰ্মা ঃ** লিখিত আপিল ৰিজেক্ট কৰিছে। ৰেকৰ্ড কিয় নকৰিলে?

**মাননীয় অধ্যক্ষ ঃ** Select Committee is a part of the House. চিলেক্ট কমিটিত এই বিষয়ে আলোচনা কৰা হৈছিল। সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে গোটেই বিষয়টো আলোচনা কৰাৰ ব্যৱস্থা কৰিছে।

* **ডঃ জয়নাথ শৰ্মা ঃ** মই কৈছো তৰুণ গগৈৰ নামটো সোমাবৰ কাৰণে। ৰুল ২৩৪ ভায়োলেট কৰাৰ প্ৰভিজন নাই। যি জন মন্ত্ৰীয়ে মুভ কৰিছে ৰিপ্লেচ কৰাৰ ব্যৱস্থা নাই। আইন বিভাগক সোধক।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** হাউচৰ কনচেন্ট লোৱা হৈছে।

---

* Speach not corrected

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** চিলেক্ট কমিটিত শ্ৰী হিতেন গোস্বামী থাকিবও নোৱাৰে বুলি কৈছে। টেকনিকেল ডিফিকালটিজৰ কাৰণে এইটো হৈছে।

## Motion for Consideration of the Bill

**মাননীয় অধ্যক্ষ ঃ** হাউচত একচেপ্ট কৰিছে। এতিয়া অবজেক্ট কৰিবলগা নাই। I now, request the Minister to move the Bill.

* **Shri Pradyut Bordoloi (Minister of State) :** Mr. Speaker Sir, I beg to move that "The Assam Right to information Bill, 2001" as reported by the select committee be taken into consideration.

* **ডঃ জয়নাথ শৰ্মা ঃ** চাৰ মই চিৰিয়াচ সংশোধনী আনিছিলো। যিখিনি ইনফৰমেচন কম্পিউটাৰত ৰাখিব সেইখিনি এভেইল কৰিবলৈ নিদিয়ে। কম্পিউটাৰত যিখিনি প্ৰিৰ্জাভ কৰি ৰাখিছে চি ডিত দিৰাইভ কৰি ৰাখিব আৰু বাকী জেনেৰেলখিনি দি দিব। পাচ ওৱাৰ্ড একচেপ্ট কৰিব নে নাই? বিলত সেইখিনি কথা নাই। ১৯৯৭ চনত জৰ্জ ফাৰ্ণাণ্ডেজে বিল আনিছিল। সেইখন নকল কৰি ইয়াত দিছে। প্ৰাব্লিক ৰেকৰ্ড এক্ট ১৯৯৩ ৰ লগত গোটেই কথাখিনি একে আছে। ইনফৰমেচন সম্পৰ্কত বন্ধ কৰি ৰাখিব পাৰে। আলফাৰ সম্পৰ্কত গোপনীয়তাৰ খাতিৰত দিয়া নাই। তথ্য আৰু জন সংযোগ বিজ্ঞাপনৰ প্ৰতিলিপি সদনৰ মজিয়াত দাখিল কৰা হ'ব বুলি কৈছে। কিন্তু ইয়াত নাই। মোৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিছিল ১১ বাৰ গৈছে ৰুলিং বুলি কিন্তু ২১ বাৰ গৈছে। স্বয়ং মুখ্যমন্ত্ৰী মহোদয়েও সদনত ২টা অসত্য কথা কৈছে।

(সদনত গণ্ডগোল)

**মাননীয় অধ্যক্ষ ঃ** যিহেতুকে এই বিলখন সিদিনা ইন্ট্ৰডিউচ কৰাৰ পিচত চিলেক্ট কমিটিক দিয়া হ'ল আৰু চিলেক্ট কমিটিক দিয়াৰ পিচত আকৌ সদনলৈ অনা হৈছে। চিলেক্ট কমিটিত দাখিল কৰাৰ পিচত আৰু কমিটিয়ে ৰিপোৰ্ট দাখিল কৰাৰ পিচত এমেণ্ডমেন্টৰ কথা নাহে। এই বিলখন পাচ হ'ব লাগে। ৰিপোৰ্টেড বিল পাচ হ'ব লাগে। As reported by the select committee "The Assam Right to information Bill, 2001" be taken into consideration.

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, এইখন এখন হিষ্টৰিক বিল হ'ব বাবে জেনেৰেল ডিচকাচন হ'লে ভাল হয়। ইয়াৰ বাবে মই চিলেক্ট কমিটিৰ মেম্বাৰসকলক

* Speach not corrected

ধন্যবাদ জ্ঞাপন কৰিছো। বিলখনৰ ওপৰত ছাৰদাৰ আৰু আমি কি কৰিব পাৰো বা এনেধৰণে কৰিলে ভাল হ'ব ইত্যাদি চাব লাগে। বিলখন পাচ কৰিলে এটা ট্ৰেডিচন থাকিব লাগে।

